www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিজনে ঈশ্বৰক ভাল নেপায়, তুমি তেওঁৰ পৰা সাৱধানে থাকিবা। কাৰণ তেওঁ নিশ্চিতভাৱে কাকো ভাল পাব নোৱাৰে। — ইমাম শাফি

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❑ PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑প্ৰথম বছৰ ❑সংখ্যা- ১৪০ ❑শুকুৰবাৰ ❑৬ মাৰ্চ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 140 ❑ Thursday ❑ 6th March, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

■ তিনিগৰাকী এআইইউডিএফ বিধায়কে স্বাক্ষৰ কৰিলে প্ৰমোদ বড়োৰ মনোনয়ন পত্ৰত ■

# অচিনাকি বিধায়কৰ সমৰ্থন লৈ ৰাজ্যসভালৈ প্ৰমোদ বড়ো

## বিধায়ক কৰিমউদ্দিন বৰভূঞা, নিজামুদ্দিন চৌধুৰী আৰু জাকিৰ হুছেইন লস্কৰৰ সমৰ্থন প্ৰমোদ বড়োক

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** অসমৰ ৰাজ্যসভাৰ তৃতীয় আসনৰ বাবে বিজেপি নেতৃত্বাধীন এন ডি এৰ প্ৰাৰ্থী তথা ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে মনোনয়নপত্ৰ দাখিল কৰাৰ লগে লগে ৰাজনৈতিক মহলত আচৰিত ধৰণৰ এক ঘটনা ঘটিছে। বিৰোধী দল এ আই ইউ ডি এফৰ কেইগৰাকীমান বিধায়কে এই এন ডি এ প্ৰাৰ্থীক সমৰ্থন আগবঢ়াই মনোনয়নপত্ৰত স্বাক্ষৰ কৰিছে। প্ৰমোদ বড়োৱে বৃহস্পতিবাৰে দিছপুৰত মনোনয়নপত্ৰ জমা দিয়ে। মনোনয়নৰ বাবে ন্যূনতম ২০জন বিধায়কৰ সমৰ্থনৰ প্ৰয়োজন আছিল। সেই তালিকাত ❑ ৬ পৃষ্ঠাত



❑ টিকটৰ আশা কৰি কোনেও বিজেপিত যোগ নিদিয়ে ❑

## অৱশেষত বিজেপিত যোগদান কংগ্ৰেছৰ তিনি নিলম্বিত বিধায়কৰ




### ২-৩ বছৰ ধৰি শৰীৰটোহে আছিল কংগ্ৰেছত, আত্মা কাহানিবাই সপি দিছিল বিজেপিত

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ মাৰ্চ ঃ** সমাগত ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত ৰাজ্যৰ প্ৰধান ❑ ৬ পৃষ্ঠাত

আঠগৰাকী জিলা আয়ুক্তৰ বদলি, বিষয়াক নতুন দায়িত্ব

### অসমত প্ৰশাসনিক স্তৰত ব্যাপক স্থানান্তৰ আৰু ৰদ-বদল

**নিউজ ডেস্ক, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** অসম চৰকাৰে ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত উল্লেখযোগ্য পৰিৱৰ্তন আনিবলৈ এক বৃহৎ স্থানান্তৰৰ আদেশ জাৰি কৰিছে। এই আদেশৰ ❑ ৬ পৃষ্ঠাত

UPPLৰ সৈতে কথা পতাৰ দায়িত্ব BPFলৈ এৰিলে বিজেপিয়ে

## ৯৬টা সমষ্টিত নিশ্চিত জয়ৰ লক্ষ্যৰে নিৰ্বাচনী ৰণক্ষেত্ৰত নামিব NDA

অগপ, BPFৰ সৈতে আসন ভাগ-বটোৱাৰা প্ৰায় চূড়ান্ত



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত ❑ ৬ পৃষ্ঠাত

■ অমিত শ্বাহৰ উপস্থিতিত মনোনয়ন দাখিল ■

## মুখ্যমন্ত্ৰীত্ব এৰি ৰাজ্যসভালৈ নীতিশ কুমাৰ



এনডিএৰ পাঁচগৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়নপত্ৰ দাখিল কৰি ৰাজনৈতিক মহলত চাঞ্চল্য সৃষ্টি কৰিছে। বৃহস্পতিবাৰে মনোনয়ন দাখিলৰ অন্তিম দিনটোত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত ❑ ৬ পৃষ্ঠাত

## পশ্চিমবংগৰ ৰাজ্যপাল চি.ভি. আনন্দ বসু, লাডাখৰ লেফটেন্যাণ্ট গৱৰ্ণৰ কবিন্দ্ৰ গুপ্তাৰ পদত্যাগ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** পশ্চিমবঙ্গৰ ৰাজ্যপাল ড° চি ভি আনন্দ বসুৱে আজি বৃহস্পতিবাৰে সন্ধিয়া ❑ ৬ পৃষ্ঠাত

অসমৰ তিনিখন আসনতে বিজেপিৰ জয় নিশ্চিত হোৱাৰ সম্ভাৱনা

পৰ্যাপ্ত সংখ্যক ভোট থকা সত্ত্বেও মনোনয়ন পত্ৰই দাখিল কৰিব নোৱাৰিলে কংগ্ৰেছসহ বিৰোধী শিবিৰে

## মিত্ৰজোঁটৰ ৰণকৌশলত তচনচ হ'ল বিৰোধী ঐক্য

**ষ্টাফ ৰিপৰ্টাৰ, মহানগৰ, ৫ মাৰ্চ ঃ** অসমৰ ৰাজ্যসভাৰ তিনিখন শূন্য হোৱা আসনৰ বাবে অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিন আজি বৃহস্পতিবাৰে শেষ হৈছে। বিজেপিৰ প্ৰতিনিধি হিচাপে মন্ত্ৰী যোগেন মহন আৰু বিধায়ক তেৰেছ গোৱালাই নিজ নিজ ❑ ৬ পৃষ্ঠাত

■ ঘটনাস্থলীলৈ ৰাওনা স্থানীয় আৰক্ষীৰ দল

■ সন্ধিয়া ৭ বজাত ভূপতিত Sukhoi যুদ্ধ বিমান

## সীমান্তৱৰ্তী চকীহোলাৰ ৰংশ্লাঙৰ কাৰ্বি পাহাৰত দুৰ্ঘটনাগ্ৰস্ত যুঁজাৰু বিমান

**নিউজ ডেস্ক, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** কাৰ্বি আংলং জিলাৰ চোকিহোলা অঞ্চলৰ অন্তৰ্গত নিলিপ ব্লকৰ এটা দুৰ্গম পাহাৰীয়া এলেকাত বৃহস্পতিবাৰে সন্ধিয়া প্ৰায় ৭ বজাত এখন ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ খবৰ পোৱা গৈছে। প্ৰাথমিক তথ্য অনুসৰি বিমানখন যোৰহাটৰ পৰা উৰা মৰা Sukhoi Su-30MKI যুঁজাৰু বিমান বুলি সন্দেহ কৰা হৈছে। স্থানীয় ❑ ৬ পৃষ্ঠাত






### ছবিগৃহলৈ ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ ২'

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ মাৰ্চ ঃ** ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত বিশিষ্ট অসমীয়া চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ অতি প্ৰতীক্ষিত ছবি 'ভিলেজ ৰকষ্টাৰ্ছ ২' শুকুৰবাৰে ৰাজ্যৰ প্ৰায় ২০টা ছবিগৃহত মুক্তি লাভ কৰিব। কাহিনী, ❑ ৬ পৃষ্ঠাত

## মিত্ৰতাক লৈ কংগ্ৰেছলৈ চূড়ান্ত সময়সীমা অখিলৰ



### শনিবাৰলৈ কংগ্ৰেছৰ বাবে কৰিব অপেক্ষা

**ষ্টাফ ৰিপৰ্টাৰ, কাজিৰঙা, ৫ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন কাষ চাপি অহাৰ মাজতে বিৰোধী দলসমূহৰ মাজত চূড়ান্ত মিত্ৰতা গঢ়ি উঠা নাই। বিশেষকৈ ৰাইজৰ দল আৰু ❑ ৬ পৃষ্ঠাত

নেচনেল ইণ্ডিপেণ্ডেণ্ট পাৰ্টি আৰু ৰাজনীতিবিদ বলেন্দ্ৰ শ্বাহৰ উত্থান

### জেন জেডৰ বিদ্ৰোহৰ পিছত নেপালত প্ৰথমটো সাধাৰণ নিৰ্বাচন

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** যোৱা বছৰৰ শেষৰ ফালে যুৱক-যুৱতীৰ নেতৃত্বত হোৱা হিংসাত্মক প্ৰতিবাদ আৰু গণবিদ্ৰোহৰ ফলত চৰকাৰ উৎখাত হোৱাৰ পিছত ❑ ৬ পৃষ্ঠাত

বিপিএফৰ দিছপুৰ চলো যাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ঘোষণা হাগ্ৰামা মহিলাৰীৰ

## ন মাৰ্চত চূড়ান্ত হ'ব বিপিএফৰ প্ৰাৰ্থী তালিকা




**অসম বাৰ্তা, বিজনী, ৫ মাৰ্চ ঃ** বিগত ২৫ ফেব্ৰুৱাৰীৰ পৰা বিপিএফৰ উদ্যোগত আৰম্ভ কৰা দিছপুৰ চলো কাৰ্যসূচীৰ অংশ হিচাপে আজি চিৰাং জিলাৰ বিজনীত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত দিছপুৰ চলো কাৰ্যসূচী ৰূপায়ণ ❑ ৬ পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak, former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ ASBM



ADMISSION 2019 - 21

POST GRADUATE PROGRAMME IN MANAGEMENT

14th Batch | PGDM

TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in

Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

# মাজুলী মহাবিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী সভা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ৫ মাৰ্চ ঃ** মাজুলী মহাবিদ্যালয়ৰ ৪৯ সংখ্যক মহাবিদ্যালয় সপ্তাহৰ বাৰ্ষিক বঁটা বিতৰণী সভাখন আজি সম্পন্ন হয়। পুৱা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ পৰিচালক নাৰায়ণ শইকীয়া, কৰ্মচাৰী অতুল বৰা, ভৱেন শইকীয়া, প্ৰশান্ত পায়েং, মংগলা পায়েং, ৰত্ন বৰা, নৈশ চকীদাৰ মাণিক ৰেগন আৰু অনাময় কৰ্মী দীপক দাসৰ নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে মহাবিদ্যালয় চৌহদত পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। বিয়লি ১ বজাৰ পৰা মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহৰ ৰুদ্ৰকান্ত ঝা সোঁৱৰণী মঞ্চত অনুষ্ঠিত সভাখনৰ আৰম্ভণিতে কিছুদিনৰ পূৰ্বে পৰলোকপ্ৰাপ্তি ঘটা মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ প্ৰতিষ্ঠাকালৰ অধ্যাপক ৰুদ্ৰকান্ত ঝাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য তৰ্পণ কৰে ক্ৰমে প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া আৰু শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়াই। মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে ড° দেৱজিৎ শইকীয়া ৰচিত আৰু অনিল বৰা সুৰাৰোপিত মহাবিদ্যালয়ৰ গীতটি পৰিৱেশন কৰাৰ পাছতেই একতা সভাৰ সাধাৰণ সম্পাদক মানৱজ্যোতি পায়েঙে সকলোকে আদৰণি জনায়। উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সভানেত্ৰী কাকুলী পগাগে। শিক্ষাৰ্থী কৌশিক চুতীয়া আৰু মমী দলেয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। সভাখনিত উদ্বোধনী বক্তব্য আগবঢ়ায় মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ডঃ ৰাজেন চন্দ্ৰ বৰাই। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "জীৱনত সফলতাৰ বাবে ক্লেশ সহ্য কৰিবই লাগিব। জীৱনৰ কঠিন প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ সাহস ছাত্ৰকালতে গোটাব লাগিব। প্ৰতিযোগিতাত অনুত্তীৰ্ণ হোৱাৰ অভিজ্ঞতাই মানুহক ধৈৰ্যশীল হোৱাৰ শিক্ষা দিয়ে।" মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণে তেওঁলোকৰ সৰ্বাংগীণ উন্নয়নত সহায়ক হ'ব বুলিও তেওঁ মত পোষণ কৰে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দি মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ডিম্বেশ্বৰ ভূঞাই কয়, "আমি যন্ত্ৰ দাস হ'ব নালাগে, যন্ত্ৰকহে আমাৰ দাস হিচাপে ব্যৱহাৰ কৰিব লাগে।" উপস্থিত শিক্ষকসকলৰ মন্তব্যত প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই সভাত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, জ্যেষ্ঠ অধ্যাপিকা গীতাৰাণী গোস্বামী, ড° ৰূপজ্যোতি বৰা, প্ৰণীতা ৰাজখোৱা, ড° দুলাল হাজৰিকা প্ৰমুখ্যে শিক্ষকসকলৰ লগতে তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাখনিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া গীত-নৃত্যৰ পৰিৱেশনেৰে জীপাল কৰি তোলে। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত প্ৰতিযোগিতাত ৰাজনীতি বিজ্ঞান বিভাগে শ্ৰেষ্ঠ বিভাগ, বৰ্ণিতা ভূঞাই শ্ৰেষ্ঠ গায়ক, নৱজ্যোতি পায়েঙে শ্ৰেষ্ঠ পুৰুষ খেলুৱৈ, সোণজনী গামে শ্ৰেষ্ঠা খেলুৱৈ, জয়সিং ক্ৰ' মিষ্টাৰ মাজুলীয়ান, কুঁকি বৰাই মিছ মাজুলীয়ান, বৈষ্ণৱী ভূঞাই শ্ৰেষ্ঠ নৃত্য প্ৰতিযোগী, দীপিকা শইকীয়াই শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী, ভাগ্যপ্ৰিয়া বৰাই শ্ৰেষ্ঠ ব্যক্তিত্বসম্পন্ন শিক্ষাৰ্থীৰ বঁটা লাভ কৰে। সভাৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সভানেত্ৰী কাকুলী পগাগে।

নৱনিৰ্মিত বৰপেটা আৱৰ্ত ভৱন উদ্বোধন মুখ্যমন্ত্ৰীৰ

# দৌল মহোৎসৱ উপলক্ষে বৰপেটা সত্ৰ দৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**অসম বাৰ্তা, বৰপেটা সদৰ, ৫ মাৰ্চ ঃ** অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা সত্ৰত উপস্থিত হৈ দৌল মহোৎসৱৰ দ্বিতীয় দিন ভৰদৌল সত্ৰখন দৰ্শন কৰি সেৱা লয়। মুখ্যমন্ত্ৰীয়ে সত্ৰৰ চৌহদত হোলীগীতো পৰিবেশন কৰে। ইয়াৰ পিছতে তেওঁ বৰপেটাৰ নৱ নিৰ্মিত বৰপেটাৰ আৱৰ্ত ভৱনটো উদ্বোধন কৰে। দৌল মহোৎসৱত মুখ্যমন্ত্ৰী গৰাকী আশিস লৈ সাংবাদিকৰ সতে মত বিনিময় কৰি কয় যে বৰপেটা সত্ৰলৈ প্ৰতিবছৰে হোলীৰ পবিত্ৰ দিনত আহিবলৈ চেষ্টা কৰে। এইবাৰো আহি কৃষ্ণ গোবিন্দ প্ৰভুৰ আশিস লবলৈ সৌভাগ্য হ'ল বুলি কয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নৱনিৰ্মিত আৱৰ্ত ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। তেওঁ উদ্বোধনী ভাষণত কয় সংবাদ মাধ্যমৰ আগত কয় যে বৰপেটাৰ সত্ৰসমূহলৈ অহা পৰ্যটক আৰু বিভিন্ন কাম কাজত চৰকাৰী বিষয়া সকলো আহে আৰু তেওঁলোকৰ থকাৰ সুবিধাৰ বাবে পুৰণি আৱৰ্ত ভৱনটো ভাঙি নতুনকৈ নিৰ্মাণ কৰি উলিওৱা হৈছে। ভৱিষ্যতে বৰপেটাত এটা সংহত জিলা আয়ুক্ত কাৰ্যালয় নিৰ্মাণ কৰা হব বুলিও সদৰী কৰে। তেওঁ আগন্তুক সময়ত বহৰি সত্ৰ, সুন্দৰীদিয়া সত্ৰ আৰু গণককুছি সত্ৰৰ উন্নয়নৰো পদক্ষেপ গ্ৰহণ কৰা হব বুলি কয়। মুখ্যমন্ত্ৰী গৰাকীৰ বৰপেটা জিলা ভ্ৰমণকালত দুই জ্যেষ্ঠ কেবিনেট মন্ত্ৰী শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰণজিত কুমাৰ দাসে সংগ দিয়ে।

# গেলেকী কেন্দ্ৰীয় পুথিভঁৰালত বিনামূলীয়া শিক্ষামূলক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ প্ৰস্তুতি




**অসম বাৰ্তা, গেলেকী, ৫ মাৰ্চ ঃ** গেলেকী কেন্দ্ৰীয় পুথিভঁৰালৰ সভাগৃহত অহা ইংৰাজী ০৯-০৩-২০২৬ তাৰিখ সোমবাৰৰ পৰা এক বিনামূলীয়া প্ৰশিক্ষণ শিবিৰৰ ব্যৱস্থা কৰা হৈছে। গতিকে গেলেকী অঞ্চলৰ সকলো ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীক বিশেষকৈ চৰকাৰী বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হব পৰাকৈ প্ৰস্তুত কৰাৰ বাবে এক পদক্ষেপ হাতত লৈছে গেলেকী কেন্দ্ৰীয় পুথিভঁৰাল পৰিচালনা সমিতিয়ে। অসম পোনপটীয়া নিযুক্তি পৰীক্ষা(ADRE) অৱতীৰ্ণ হব খোজা লগতে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীক এই বিনামূলীয়া প্ৰশিক্ষণত অংশগ্ৰহণ কৰিবলৈ গেলেকী কেন্দ্ৰীয় পুথিভঁৰালৰ পৰিচালনা সমিতিয়ে আহ্বান জনাইছে। তদুপৰি উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা যিসকল ছাত্ৰ-ছাত্ৰীয়ে আগন্তুক শিক্ষাবৰ্ষত বিজ্ঞান শাখাত নামভৰ্তি কৰিব, তেওঁ লোকৰ বাবেও বিশেষ বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গতিকে ইচ্ছুক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকলক গেলেকী কেন্দ্ৰীয় পুথিভঁৰালৰ গ্ৰন্থাগাৰিকৰ লগত শীঘ্ৰে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা লৈ "অসম জননায়ক বঁটা ২০২৬" ঘোষণা

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৫ মাৰ্চ ঃ** অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ শিক্ষক প্ৰকাশন সংস্থা, অসমে আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এটা বাৰ্তাৰ দ্বাৰা ''অসম জননায়ক বঁটা ২০২৬' নিৰ্বাচিত কৰাৰ কথা ঘোষণা কৰিছে। ২০১২ চনৰে পৰা সংস্থাটোৱে শিক্ষক, লেখক, শিল্পী, সমাজ সেৱক, কৃতী শিক্ষক, সাংবাদিকসকললৈ বিভিন্ন বঁটা আগবঢ়াই সন্মান প্ৰদান কৰি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ জনসাধাৰণৰ বাবে দক্ষতাৰে আগবঢ়োৱা সেৱাৰ ভিত্তিত এই বৰ্ষত তেওঁলৈ ''অসম জননায়ক বঁটা ২০২৬'' প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে শিক্ষক প্ৰকাশন সংস্থা অসমে। শিক্ষক প্ৰকাশন সংস্থা, অসমৰ যোৱা ৩ মাৰ্চত অনুষ্ঠিত সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ বৈঠকে এই সিদ্ধান্ত গ্ৰহণ কৰে। সভাই আগন্তুক অনুষ্ঠিত হ'বলগীয়া শিক্ষক প্ৰকাশন সংস্থা, অসমৰ বঁটা প্ৰদান সভাত অসম ভিত্তিত উক্ত বঁটা প্ৰদান কৰিব বুলি শিক্ষক প্ৰকাশন সংস্থা, অসমৰ মুখ্য সম্পাদক মৃদুল শইকীয়াই প্ৰেছ বাৰ্তাৰ দ্বাৰা জানিবলৈ দিছে।

# চামগুৰিৰ আমলখিত ৰে'লৰ খুন্দাত এগৰাকী অচিনাক্ত মহিলা নিহত

**অসম বাৰ্তা, পুৰণিগুদাম, ৫ মাৰ্চ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শালনা আৰক্ষী চকীৰ অন্তৰ্গত আমলখি অঞ্চলদি যোৱা ৰে'লপথত আজি পুৱা ৰে'লৰ খুন্দাত এগৰাকী অচিনাক্ত মহিলা নিহত হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অধীনৰ শালনা আৰক্ষী চকীৰ অন্তৰ্গত আমলখি অঞ্চলদি যোৱা ৰে'ল পথত আজি পুৱা ধুবুৰীৰ পৰা শিলঘাট অভিমুখী ৰাজ্যৰাণী ৰে'লখনৰ খুন্দাত এগৰাকী অচিনাক্ত মহিলা থিতাতে নিহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী আৰু শালনা আৰক্ষী চকীৰ আৰক্ষীৰ লগতে ৰে'ল বিভাগৰ আৰক্ষী উপস্থিত হৈ প্ৰায় ৩৫ বছৰীয়া অচিনাক্ত মহিলাগৰাকীৰ মৃতদেহটো উদ্ধাৰ কৰে। ৰে'লৰ খুন্দাত নিহত হোৱা অচিনাক্ত মহিলা গৰাকীৰ মৃতদেহটো বাতৰি লিখাৰ সময়লৈকে চিনাক্ত হোৱা নাই বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ উদ্যোগত উলহ-মালহেৰে দৌল উৎসৱ উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ মাৰ্চ ঃ** ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ উদ্যোগত পূজা মন্দিৰ প্ৰাংগনত মংগল আৰু বুধবাৰে দুদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত কৰা হয়। এই উপলক্ষে প্ৰথম দিনা দিনৰ ভাগত ধৰ্মীয় ৰীতি-নীতিৰে পূজা আৰু হোম-যজ্ঞ অনুষ্ঠিত কৰাৰ পাছত সন্ধিয়াৰ ভাগত সংকীৰ্তন কৰা হয়। দ্বিতীয় দিনা আগবেলা গোঁসাইসহ ভক্তপ্ৰাণ ৰাইজে সংকীৰ্তন পৰিৱেশনৰে নগৰখন পৰিভ্ৰমণ কৰি ফাকুৱাৰ আনন্দত আত্মহাৰা হয়। উল্লেখযোগ্য যে বিগত কেইবাবছৰো ধৰি ডুমডুমা অসমীয়া পূজা আৰু নাট্যমন্দিৰ সমিতিৰ উদ্যোগত এই দৌল উৎসৱ উদ্‌যাপন কৰি অহা হৈছে।

# 'বনফুলৰ কবি' যতীন্দ্ৰনাথ দুৱৰাৰ ওপজা দিন পালন

**অসম বাৰ্তা, নামতি, ৫ মাৰ্চ ঃ** শিৱসাগৰৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান 'আগন্তুক'ৰ উদ্যোগত আজি ৩২৮ নং কপহুৱা প্ৰাথমিক বিদ্যালয়ত বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰাৰ ১৩৪ সংখ্যক ওপজা দিন পালন কৰা হয়। এই উপলক্ষে কবিজনাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয় প্ৰধান অমৃত গগৈয়ে, মাল্যাৰ্পণ কৰে পৰিচালনা সমিতিৰ সভাপতি পল্লৱী গগৈয়ে। চিত্ৰশিল্পী দীপালি দুৱৰাৰ চিত্ৰ-শিল্প প্ৰদৰ্শনী আৰু চিত্ৰাংকণ প্ৰতিযোগিতা উদ্বোধন কৰে সত্ৰীয়া নৃত্যৰ শিক্ষক দিবাকৰ গগৈয়ে। আগন্তুকৰ সভাপতি যোগ গগৈৰ সভাপতিত্বত, ৰঞ্জিত ফুকনে আত ধৰা মুল অনুষ্ঠানত আদৰণী বক্তব্য আগবঢ়ায় মুখ্য সম্পাদক দিলীপ শইকীয়াই। অনুষ্ঠানটি উদ্বোধন কৰে বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ দিলীপ ফুকনে। অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি লেখক হৰেন চন্দ্ৰ নাথে বক্তব্যত কবি দুৱৰাৰ কাব্য-কৃতিৰ চমু আলচ আগবঢ়াই তেখেতৰ কবিতাই প্ৰতিটো যুগৰ মানুহক আকৰ্ষিত আৰু উদ্বেলিত কৰি ৰাখিব বুলি উল্লেখ কৰে। অনুষ্ঠানত ছাত্ৰ বক্তা মনজিৎ কোঁৱৰে কবিজনাৰ জীৱনৰ চমু আলোকপাত কৰে। দলীয় নৃত্য, কবিতা আবৃত্তি আদিৰ জীপাল হোৱা অনুষ্ঠানত জ্যোতিস্মান ফুকন, ডেইজী প্ৰিয়ম কোঁৱৰ, কস্তুৰী বাইলুং, প্ৰভাত কোঁৱৰ আৰু নিবেদিতা ফুকনে আধুনিক গীত পৰিৱেশন কৰে। অনুষ্ঠানত চিত্ৰশিল্পী, লেখিকা-শিক্ষয়ীত্ৰী দীপালি দুৱৰাক আগন্তুকৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক সকলৰ উপৰি সাংবাদিক বিপিন হাজৰিকা, নৱ চেতিয়া, ৰমেন বৰুৱা, মনোজ ফুকন, নিত্যানন্দ সন্দিকৈ, ফটিক বৰুৱাকে মুখ্য কৰি বহু সংখ্যক ব্যক্তি উপস্থিত থাকে।

আবিৰৰ ৰঙীন পৰশ, পৰম্পৰাৰ ধাৰাবাহিকতা আৰু আধ্যাত্মিকতাৰে দৃষ্টিনন্দন পৰিৱেশ

# উখল-মাখল পৰিৱেশেৰে মাজুলীত ফাকুৱা উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, ৫ মাৰ্চ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে সত্ৰ নগৰী মাজুলীতো এইবাৰ ফাকুৱা উৎসৱ উখল-মাখল আৰু আধ্যাত্মিক পৰিৱেশেৰে উদযাপন কৰা হয়। মাজুলীৰ অধিকাংশ সত্ৰত তিনিৰ পৰা চাৰি দিনীয়াকৈ চলা উৎসৱৰ আজি সামৰণি পৰে। সত্ৰ-গাঁওসমূহ আবিৰৰ ৰঙেৰে ৰঙীন হৈ উঠে আৰু ভকত-বৈষ্ণৱৰ উল্লাস-উদ্দীপনাই সমগ্ৰ পৰিৱেশ মুখৰিত কৰি তোলে। মাজুলীৰ সত্ৰীয়া পৰম্পৰাত আধ্যাত্মিকতা আৰু মৌলিকতা অটুট ৰাখি উদযাপিত ফাকুৱা উৎসৱৰ অন্তিম দিনা বিভিন্ন ধৰ্মীয় ৰীতি-নীতি সম্পন্ন কৰা হয়। গড়মূৰ সত্ৰত অন্তিম দিনা 'গোঁসাই ফুৰোৱা' কাৰ্যসূচী বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠে। প্ৰাতঃ পূজা-অৰ্চনা, হোম-যজ্ঞৰ পূৰ্ণাহুতিৰ পাছত সত্ৰৰ যুৱ বৈষ্ণৱসকলে পৰম্পৰা অনুসৰি বোকা-পানী খেলি হোলী গীত গাই সত্ৰৰ মূল কৰাপাটলৈকে পৰিভ্ৰমণ কৰে। জনবিশ্বাস অনুসৰি এই দিনটোত বোকা-পানী খেলিলে দেহ ৰোগমুক্ত হৈ থাকে। দুপৰীয়া নামঘৰত বৈষ্ণৱ-আই সকলে সমৱেত হৈ হোলী গীত গাই ফাকু ছটিয়াই আনন্দ কৰে। পিছলৈ মহাপ্ৰভুক দোলাত বহুৱাই সত্ৰাধিকাৰ আৰু বৰপূজাৰীয়ে ফাঁনৈ ঘৰলৈ আনি বৈষ্ণৱসকলক দিয়ে আৰু তাৰ পিছত দোলাযাত্ৰা আৰম্ভ হয়। খোল-তাল, ঢোল, ডবা, কাঁহৰ ধ্বনি আৰু হোলী গীতেৰে মুখৰিত শোভাযাত্ৰাই সত্ৰ চৌহদ আৰু সমীপৰ গাঁওসমূহ পৰিভ্ৰমণ কৰে। পৰম্পৰা অনুসৰি লক্ষ্মীদেৱীৰ ফৈদে নামঘৰৰ বাট বন্ধ কৰি শ্ৰীকৃষ্ণক নামঘৰত প্ৰৱেশত বাধা দিয়ে। এই লৈ দুই ফৈদৰ মাজত প্ৰীতি যুদ্ধ হয়। যুদ্ধৰ শেষত শ্ৰীকৃষ্ণৰ ফৈদে পৰাজয় বৰণ কৰি এক লাখ স্বৰ্ণ মুদ্ৰা লক্ষ্মীদেৱীৰ পক্ষক দিবলৈ ৰাজী হোৱাৰ পাছতহে দুয়ো পক্ষই গোপাল মহাপ্ৰভুক দোলাসহ নামঘৰত প্ৰৱেশ কৰে। তাৰ পিছতে ভকত-বৈষ্ণৱে হোলী গীত পৰিৱেশন কৰে। নামৰ শেষত আশীৰ্বাদ প্ৰদানৰ পাছত মাহ-প্ৰসাদ আৰু ভোগ বিতৰণেৰে তিনিদিনীয়া ফাকুৱা উৎসৱৰ সামৰণি পৰে। অনুষ্ঠানত অংশ লৈ গড়মূৰ সত্ৰৰ অধিকাৰ পৰমানন্দ দেৱগোস্বামীয়ে কয় যে-এই ৰঙৰ উৎসৱে মাজুলীত শান্তি-সম্প্ৰীতি, ঐক্যৰ সেতু নিৰ্মাণৰ লগতে আটাইকেইটা দিনত পালিত পৰম্পৰা সমূহে নৱ-প্ৰজন্মৰ যুৱক-যুৱতীসকলক আধ্যাত্মিকতাৰ লগত একাত্ম হোৱাৰ অৰিহণা যোগাইছে। আনহাতে গড়মূৰ সৰু সত্ৰটো তিনিদিনীয়াকৈ ফাল্গু উৎসৱ অনুষ্ঠিত হয়। সত্ৰ খনৰ অধিকাৰ হৰি দেৱ গোস্বামীয়ে এই উৎসৱৰ জৰিয়তে ৰাইজৰ মনলৈ শান্তি সম্প্ৰীতি কঢ়িয়াই আনক। অসমৰ জনসাধাৰণ সমৃদ্ধিশালি হওক ফাকুৰ বিভিন্ন ৰঙৰ মিশ্ৰণেৰে যেনেদৰে ৰঙীন কৰি তোলে তেনেদৰে মানুহৰ মন বিলাকো ৰঙীন হৈ পৰক তাকে কামনা কৰিলোঁ বুলি উল্লেখ কৰে। আনহাতে দক্ষিণপাট সত্ৰতো পৰম্পৰা অনুসৰি দৌলগোবিন্দক ৰথত বহুৱাই সত্ৰ পৰিভ্ৰমণ কৰা হয়। নতুন চামগুৰি সত্ৰত গায়ন-বায়ন, নাম-প্ৰসংগ আৰু দিহানামৰ মাজেৰে আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰে। মহিলা সকলে দিহানাম আৰু পুৰুষ সকলে হোলী গীত গাই সত্ৰ চৌহদ মুখৰিত কৰি তোলে। এইবাৰ চামগুৰি সত্ৰত বিদেশী পৰ্যটকৰ উপস্থিতিও লক্ষ্য কৰা যায়। তেওঁলোকে স্থানীয় ৰাইজৰ সৈতে হোলী খেলি মাজুলীৰ ৰঙৰ উৎসৱৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশ কৰে। ইফালে বেঙেনাআটী সত্ৰত চাৰিদিনীয়াকৈ ফাকুৱা উদ্‌যাপন চলি আছে। প্ৰথম দিনা মন্ত্ৰোচ্চাৰণেৰে মেষ দাহ, দ্বিতীয় দিনা মহাপূজা আৰু হোম-যজ্ঞ, আজি জুৰনি আৰু বিসৰ্জন পৰ্ব অনুষ্ঠিত হয় আৰু কাইলৈ অৰ্থাৎ চতুৰ্থ দিনা ফুৰনিৰে ফাকুৱা উৎসৱৰ সামৰণি পৰিব। ইফালে মাজুলীৰ ঐতিহাসিক গোঁসাইবাৰী ন-গাঁৱতো ৯০ বছৰীয়া পৰম্পৰাৰে শ্ৰীশ্ৰী ফাকুৱা মহোৎসৱ ২০২৬ তিনিদিনীয়াকৈ উদযাপন কৰা হয়। গোঁসাইবাৰী ফাকুৱা দৌল মাজুলীৰ একমাত্ৰ ফাকুৱা দৌল হিচাপে পৰিচিত। প্ৰথম দিনা মহাপ্ৰভুক লৈ গাঁৱে গাঁৱে ফুৰোৱা হয়। আজি দ্বিতীয় দিনা ভাগৱত ব্যাখ্যানুষ্ঠান আৰু কাইলৈ অন্তিম দিনা নিশালৈ শিশু শিল্পীসকলৰ অভিনীত 'ভগৱত দৰ্শন' ভাওনা মঞ্চস্থ হ'ব। এইদৰে আবিৰৰ ৰঙীন পৰশ, ভকত-বৈষ্ণৱৰ সমাগম, দোলাযাত্ৰা আৰু সত্ৰীয়া পৰম্পৰাৰ ধাৰাবাহিকতাৰে মাজুলীত ফাকুৱা উৎসৱে এক দৃষ্টিনন্দন আৰু আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। শান্তি, সম্প্ৰীতি আৰু ঐক্যৰ বাৰ্তা কঢ়িয়াই অনা এই ৰঙৰ উৎসৱে নৱপ্ৰজন্মকো নিজৰ সংস্কৃতি আৰু আধ্যাত্মিক ঐতিহ্যৰ লগত একাত্ম হ'বলৈ উদ্বুদ্ধ কৰিছে।

লখিমপুৰৰ ৰঙানদীৰ পাৰত জুবিন গাৰ্গ আৰ্কিড উদ্যান নিৰ্মাণৰ প্ৰচেষ্টা; জুবিন গাৰ্গ প্ৰকৃতি মহোৎসৱৰ সামৰণি

# 'জলবায়ু পৰিৱৰ্তনৰ বাবে চৰকাৰী পদক্ষেপতকৈ ব্যক্তিগত জীৱনশৈলীৰ পৰিৱৰ্তন অধিক গুৰুত্বপূৰ্ণ'

**অসম বাৰ্তা, লীলাবাৰী, ৫ মাৰ্চ ঃ** সেউজীয়া প্ৰাকৃতিক পৰিৱেশত জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু সজাগতা সৃষ্টি কৰাৰ মহান উদ্দেশ্যৰে লখিমপুৰ জিলাৰ ৰঙানদী পাৰৰ নৰাগাঁওস্থিত কিষাণ বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয় চৌহদত 'সেউজ মিত্ৰ ফাউণ্ডেশ্যন'ৰ উদ্যোগত অনুষ্ঠিত 'জুবিন গাৰ্গ প্ৰকৃতি মহোৎসৱ, ২০২৬'ৰ আজি সামৰণি পৰে। প্ৰকৃতি মহোৎসৱৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ লোকক পৰিৱেশ সংৰক্ষণ, সেউজ আন্দোলন, গছপুলি ৰোপণ, জৈৱ বৈচিত্ৰ্যৰ গুৰুত্ব আদি বিষয় সন্দৰ্ভত সচেতন কৰাৰ প্ৰয়াসেৰে বিদ্যালয়খনৰ চৌহদৰ প্ৰায় ৫ বিঘা ভূমিত 'জুবিন গাৰ্গ আৰ্কিড উদ্যান' গঢ়ি তোলাৰ চেষ্টা কৰিছে। ১ মাৰ্চৰ পুৱা ফাউণ্ডেশ্যন তথা মহোৎসৱৰ পতাকা উত্তোলন আৰু হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণেৰে আৰম্ভণি হোৱা জুবিন গাৰ্গ আৰ্কিড উদ্যানখনত বিশিষ্ট পৰিৱেশকৰ্মী বিতোপন শৰ্মাই আৰ্কিড লগোৱা পৰ্ব আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰে। বাণিজ্য মেলা আৰু মহোৎসৱৰ মঞ্চ মুকলিৰ পাছতেই 'জলাশয় আৰু জৈৱ বৈচিত্ৰ্য' শীৰ্ষক আলোচনা সত্ৰখন সেউজ মিত্ৰ ফাউণ্ডেশ্যনৰ সঞ্চালক গুণকান্ত কোচৰ সঞ্চালনাত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° ৰঞ্জিত দত্ত, অধ্যাপক অনিল বৰা আৰু ৰাজ্যিক বঁটাপ্ৰাপ্ত শিক্ষক ভৃগু প্ৰসাদ শৰ্মাই আলোচক হিচাপে অংশগ্ৰহণ কৰে। ২ মাৰ্চৰ দিনা পুৱা আৰ্কিড উদ্যানখনৰ বাবে উপযোগী গছপুলি ৰোপণ কৰা হয়। উল্লেখ্যযোগ্য যে, মহোৎসৱখনত 'জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজ দিয়াত চৰকাৰী পদক্ষেপতকৈ ব্যক্তিগত জীৱনশৈলীৰ পৰিবৰ্তন অধিক গুৰুত্বপূৰ্ণ' শীৰ্ষক বিষয়ত এক মুকলি মনোজ্ঞ তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিশিষ্ট শিক্ষাবিদ লক্ষ্মী বৰাৰ অধ্যক্ষতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৫ গৰাকী তাৰ্কিকে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে। লেখক, শিক্ষকদ্বয় সঞ্জীৱ বৰা আৰু সৌৰভ জ্যোতি দত্তই বিচাৰক হিচাপে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত নগাঁৱৰ সুনীত শৰ্মাই প্ৰথম, কটন বিশ্ববিদ্যালয় ছাত্ৰদ্বয় সিদ্ধাৰ্থ বৰা দ্বিতীয় আৰু মানস জ্যোতি শইকীয়াই তৃতীয় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰে। দ্বিতীয় দিনাৰ কাৰ্যসূচীত জাবৰ নিষ্কাষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বাবে উত্তৰ লখিমপুৰ পৌৰসভালৈ ফাউণ্ডেশ্যনে বিশেষ সন্মান জনায়। অন্তিম দিনা ষাঠিৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা গছৰ তলে তলে ৰং-তুলিকাৰ প্ৰতিযোগিতাৰ পাছতেই কৃষি কৃষি আৰু প্ৰকৃতি সেৱাৰ লগত জড়িত ব্যক্তিক ফাউণ্ডেশ্যনে সম্বৰ্দ্ধনা জনায়। 'প্ৰকৃতি আৰু কৃষিৰ সম্পৰ্ক' শীৰ্ষক বিষয় সন্দৰ্ভৰ আন এখন আলোচনা সত্ৰত পানীগাঁও ওমপ্ৰকাশ দিনোদিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেশ দত্তই সঞ্চালনা কৰে। লখিমপুৰৰ জ্যেষ্ঠ কৃষি বিষয়া দ্বীপজ্যোতি চুতীয়া, উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° চিত্তৰঞ্জন বৰা, সহযোগী অধ্যাপক ড° বুদ্ধদেৱ বসুমতাৰী, শিক্ষক তথা লেখকদ্বয় লীলা শইকীয়া আৰু মনোৰঞ্জন দাস, ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত কৃষক বিপুল মৰাং, আদৰ্শ খেতিয়ক দীপক গগৈ, পৰিৱেশকৰ্মী যুগল বৰা আৰু নাট্যকৰ্মী মিণ্টু শইকীয়াই আলোচনা সত্ৰখনত আলোচক ৰূপে অংশ লৈ প্ৰকৃতিৰ সৈতে কৃষিৰ সম্পৰ্ক সন্দৰ্ভত আলোচনা কৰে। উল্লেখ্যযোগ্য যে, মহোৎসৱৰ তিনিওটা দিনৰ কাৰ্যসূচীতে মিছিং, বড়ো, আদিবাসী আদি জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শিত হয়। লখিমপুৰ জিলাৰ ৰঙানদীৰ দাঁতি কাষৰীয়া অঞ্চলত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নামত আৰ্কিড উদ্যান নিৰ্মাণৰ ক্ষেত্ৰত 'সেউজ মিত্ৰ ফাউণ্ডেশ্যন' শীৰ্ষক সংস্থাই লোৱা বিশেষ পদক্ষেপক শলাগ লৈছে ৰাজ্যৰ পৰিৱেশবিদ তথা প্ৰকৃতিপ্ৰেমীসকলে।




# কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ উদ্যোগত পথ সুৰক্ষাৰ ওপৰত সজাগতা সভা



**অসম বাৰ্তা, লংকা, ৫ মাৰ্চ ঃ** লংকাৰ কৃষ্ণ বৰা বি. এড. মহাবিদ্যালয়ৰ বি. এড. দ্বিতীয় বৰ্ষৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ উদ্যোগত বৰবহা উচ্চ মাধ্যমিক বিদ্যালয়ত পথ সুৰক্ষাৰ ওপৰত এখন সজাগতা সভা সফলভাৱে অনুষ্ঠিত হয়। হোজাই জিলাৰ বৰবহা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানটি লংকাৰ কৃষ্ণ বৰা বি.এড মহাবিদ্যালয়ৰ ইণ্টাৰ্নশ্বিপ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলে বৰবহা উচ্চ মাধ্যমিক বিদ্যালয় আৰু বেলবাৰী ইংলিছ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগিতাৰে আয়োজন কৰে। অনুষ্ঠানৰ মূল উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোকসকলক যান-বাহন নিয়ম আৰু পথ সুৰক্ষাৰ বিষয়ে সজাগ কৰা। দুপুৰীয়া ১২: ৩০ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানত মাননিয় যান বাহন পৰিদৰ্শক বিষয়া বিশাল দেৱনাথ(হোজাই) মুখ্য অতিথি হিচাপে উপস্থিত থাকি পথ সুৰক্ষা আৰু দুৰ্ঘটনা প্ৰতিৰোধ সন্দৰ্ভত গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়ায়। লগতে মাননিয় অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমান(অধ্যক্ষ, কৃষ্ণ বৰা বি.এড মহাবিদ্যালয়)আৰু বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰূপক ৰয় মহোদয়েও সংক্ষিপ্ত বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল শিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰদৰ্শিত পথ সুৰক্ষা বিষয়ক চুটি নাটক আৰু প্লে'কাৰ্ড, যিয়ে উপস্থিত সকলোৰে প্ৰশংসা লাভ কৰে। শেষত ধন্যবাদ জ্ঞাপনেৰে অনুষ্ঠানৰ সফল সমাপ্তি ঘোষণা কৰা হয়।

# পূব মাজুলী মহাবিদ্যালয়ত আলি আঃয়ে লৃগাং উদ্‌যাপন

**অসম বাৰ্তা, উজনী মাজুলী, মাজুলী, ৫ মাৰ্চ ঃ** বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ অসমৰ দ্বিতীয়টো বৃহৎ জনগোষ্ঠী মিচিং সম্প্ৰদায়ৰ কৃষিভিত্তিক উৎসৱ আলি আঃয়ে লৃগাং মাজুলীৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান পূব মাজুলী মহাবিদ্যালয়ত আজি ফাগুন মাহৰ তৃতীয়টো বুধ বাৰে মহাবিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আৰু শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সহযোগত দ্বিতীয় বৰ্ষৰ বাবে পালন কৰা হয়। মিচিং সমাজৰ নিয়ম অনুসৰি আলি আঃয়ে লৃগাং ফাগুন মাহৰ প্ৰথমটো বুধবাৰে পালন কৰা হয় যদিও মিচিং ৰাইজৰ পৰম্পৰা ৰক্ষাত অসুবিধা নোহোৱাকৈ পূব মাজুলী মহাবিদ্যালয়ে তৃতীয়টো বুধবাৰত উদ্‌যাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। মহাবিদ্যালয়খনে পাঠ্যপুথিৰ শিক্ষাৰ লগতে সহবিদ্যায়তনিক দিশৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে আৰু আলি আঃয়ে লৃগাং উদ্‌যাপন উক্ত কাৰ্যসূচীৰে অংশ। আজি উক্ত কাৰ্যসূচীৰ অংশ হিচাপে পুৱা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়াৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশ নিকাকৰণ কৰে। ইয়াৰ পিছতেই মহাবিদ্যালয় সহকাৰী অধ্যাপক বুধিন বৰাই বৃক্ষৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে। পুৱা ৯ বজাত পাতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি সূৰ্য দলেয়ে। ১০ বজাত সমবেত মিচিং ৰাইজে মহাবিদ্যালয় শিক্ষক-কৰ্মচাৰী আৰু অতিথিসকলক মহাবিদ্যালয়ৰ মূল তোৰনৰ পৰা মিচিং বিহুৰে আদৰি আনি আলি আঃয়ে লৃগাংৰ মূল কাৰ্যসূচী আৰম্ভ কৰে। মহাবিদ্যালয়ৰ খেলপথাৰৰ সোঁমাজত বাঁহ আৰু খেৰেৰে সুন্দৰকৈ মিচিং সম্প্ৰদায়ৰ মুৰুং ঘৰ নিৰ্মাণ কৰি পৰাম্পৰাগত নীতি নিয়ম পালনেৰে আলি আয়ে লৃগাং উৎসৱ আৰম্ভ কৰে। আলি আঃয়ে লৃগাং কাৰ্যসূচীৰ নেতৃত্ব বহন কৰে চুমৈমাৰী অঞ্চলৰ সাংস্কৃতিক কৰ্মী, ব্যৱসায়ী ৰঞ্জন পেগু আৰু উক্ত কাৰ্যসূচীত পূব মাজুলীৰ অন্তৰ্গত চুমৈমাৰী, ৰনুচুক, পলাশবাৰী, ঢোৱাচলা মিচিং, কানিয়াজান, বাপুচলা, নভঙা, হাটীমুৰীয়া মিচিং, ফুটুকী, তামোলনী মিচিং, বেচামৰা, ভোগপুৰ পমুৱা, বুঢ়াশেনচোৱা মিচিং, মতিয়াবাৰী আদি মিচিং গাৱৰ পাঁচ শতাধিক ৰাইজে অংশগ্ৰহণ কৰি পৰম্পৰাগত নিয়মৰ মাজেৰে শস্যৰ গুটি সিচা কাৰ্য সম্পাদন কৰাৰ লগতে মিচিং বিহু প্ৰদৰ্শন কৰে। আজিৰ আলি আয়ে লৃগাং কাৰ্যসূচী উদ্বোধন কৰে অধ্যক্ষ দিপক বৰাই, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সোমনাথ দাস আৰু প্ৰাক্তন সভাপতি বিপিন শইকীয়া আৰু আঁত ধৰে সহকাৰী অধ্যাপক অনুপ কুমাৰ বৰাই। মহাবিদ্যালয়খনৰ আজিৰ ব্যতিক্ৰমী কাৰ্যসূচী সন্দৰ্ভত অধ্যক্ষ দিপক বৰাই জানিবলৈ দিয়ামতে, মহাবিদ্যালয়খনৰ অনামিচিং ছাত্ৰ-ছাত্ৰী সকলক মিছিং সকলৰ পৰম্পৰাগত ৰীতি নীতি আৰু এই উৎসৱক পৰিচয় কৰি দিয়াৰ উদ্দেশ্যে এই কাৰ্যসূচী হাতত লয়। কাৰ্যসূচীৰ অন্তত শলাগৰ শৰাই আগবঢ়াই সহকাৰী অধ্যাপক অমূল্য ভূএগ্ৰাই।

# গোসাঁইগাঁৱত ইউপিপিএলৰ "চলো বিটিচি পালটাই, চাচা-চাচিৰ ঘৰে জাই" শীৰ্ষক বিশেষ জনসংযোগ কাৰ্যসূচীৰ শুভাৰম্ভ



**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৫ মাৰ্চ ঃ** বিটিচিৰ ইউপিপিএল দলৰ কেন্দ্ৰীয় সমিতিৰ যুৱ শাখা আৰু সংখ্যালঘু কোষৰ উদ্যোগত "চলো বিটিচি পালটাই, চাচা-চাচিৰ ঘৰে জাই" শীৰ্ষক এক বিশেষ জনসংযোগ কাৰ্যসূচী আজি গোসাঁইগাঁৱত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। জানিব দিয়া মতে, এই কাৰ্যসূচী গোসাঁইগাঁৱৰ পৰা আৰম্ভ কৰি মাজবাটলৈকে পৰ্যায়ক্ৰমে ৰূপায়ণ কৰা হ'ব। দলীয় নীতি-আদৰ্শ জনসাধাৰণৰ মাজলৈ প্ৰসাৰ কৰা আৰু বিটিচি অঞ্চলত সাংগঠনিক ভেটি অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি জানিব পৰা গৈছে। উদ্বোধনী অনুষ্ঠানত ইউপিপিএল দলৰ কেন্দ্ৰীয় সমিতিৰ যুৱ শাখাৰ সভাপতি তথা মোচলপুৰ পৰিষদীয় সমষ্টিৰ এম, চি, এল, এ ৰাকেশ ব্ৰহ্ম, সংখ্যালঘু কোষৰ সভাপতি নজৰুল ইছলামৰ লগতে কেন্দ্ৰীয় সমিতি, গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি অনিন্দ বসুমতাৰীৰ লগতে দলটোৰ বহু সংখ্যক নেতা -কৰ্মী সকলে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। গোসাঁইগাঁৱৰ উক্ত কাৰ্যসূচীত এম, চি, এল, এ ৰাকেশ ব্ৰহ্মই উপস্থিত থাকি সাংবাদিকৰ সৈতে আছুতীয়া সাক্ষাৎকাৰত উল্লেখ কৰে যে, দলৰ নীতি-আদৰ্শ আৰু উন্নয়নমূলক দৃষ্টিভংগী সাধাৰণ ৰাইজৰ মাজলৈ লৈ যোৱাটো এই কাৰ্যসূচীৰ মুখ্য লক্ষ্য। তেওঁলোকে বিটিচিৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত সকলো শ্ৰেণীৰ লোকক একত্ৰিত হৈ আগবাঢ়ি আহিবলৈ আহ্বান জনায়। বিশেষকৈ বিটিচি অঞ্চলৰ সংখ্যালঘু লোকসকলৰ ঘৰে ঘৰে গৈ মত-বিনিময় কৰাৰ জৰিয়তে তেওঁলোকৰ সমস্যা-অভিযোগ শুনা আৰু সমাধানৰ পথ সন্ধান কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। এই জনসংযোগ অভিযানে দল আৰু ৰাইজৰ মাজত অধিক সুদৃঢ় সম্পৰ্ক গঢ়ি তুলিবলৈ সহায় কৰিব আৰু আগন্তুক দিনসমূহত এই কাৰ্যসূচী বিটিচিৰ বিভিন্ন এলেকাত পৰ্যায়ক্ৰমে অব্যাহত থাকিব বুলি এম.চি.এল.এ. ৰাকেশ ব্ৰহ্মই উল্লেখ কৰে।

# অৰুণাচলৰ খুনচাত আলফা (স্বাধীন)ৰ কেডাৰৰ আত্মসমৰ্পণ




**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ মাৰ্চ ঃ** অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাত মঙলবাৰে এগৰাকী আলফা (স্বাধীন)ৰ কেডাৰে আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণকাৰী কেডাৰজন ২য় লেফটেনেণ্ট বিতুল বৰুৱা (৩১) বুলি চিনাক্ত কৰা হৈছে। আত্মসমৰ্পণৰ সময়ত কেডাৰজনে এটা মেগজিনসহ এটা .৪০ কেলিবাৰ পিষ্টল আৰু দুই জাঁই সজীৱ গুলী জমা দিয়ে। উল্লেখ্য যে, টিৰাপ জিলাৰ হোৰু চিংহানৰ এলেকাত বিদ্ৰোহী সংগঠনটোৰ এজন কেডাৰৰ উপস্থিতিৰ সন্দৰ্ভত নিৰ্ভৰযোগ্য চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত স্থানীয় টিৰাপ আৰক্ষী, ৩৬ বি এন চি আৰ পি এফ আৰু অসম ৰাইফলছৰ খুনচা বেটেলিয়নৰ এটা দলে চি অ' বিন'গ্ল'ত চলোৱা এক যৌথ অভিযানকালত আলফা (স্বাধীন)ৰ কেডাৰজন আটক কৰা হয়। পৰৱৰ্তী সময়ত কেডাৰজনক সোধ পোছ কৰাৰ সময়ত তেওঁ আত্মসমৰ্পণৰ বাবে ইচ্ছা প্ৰকাশ কৰে আৰু সেই অনুসৰি তেওঁক হিংসাৰ পথ পৰিহাৰ কৰি মূলসুঁতিলৈ উভতি অহাৰ সুযোগ দিয়া হয় বুলি অসম ৰাইফলছৰ তৰফৰ পৰা জানিবলৈ দিয়া হৈছে।

# 'কুশলে আছা কুশলে থাকিবা'ৰ স্ৰষ্টালৈ সুগন্ধি কাব্য বঁটা ঘোষণা

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৫ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ পৰা জন্ম হোৱা অসম ভিত্তিক অগ্ৰণী সামাজিক সংস্থা শিক্ষক প্ৰকাশন সংস্থা, অসমৰ তৰফৰ পৰা বিশিষ্ট কবি অমৃত শইকীয়ালৈ আগবঢ়োৱা হৈছে সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ সোঁৱৰণত এই বৰ্ষত প্ৰথমবাৰলৈ প্ৰৱৰ্তন কৰা "সুগন্ধি কাব্য বঁটা"। গুৱাহাটীৰ অগ্ৰণী প্ৰতিষ্ঠান দাপোন প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা "কুশলে আছা কুশলে থাকিবা" কাব্যগ্ৰন্থৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে। ২০২৬ বৰ্ষৰ ২১, ২২ মাৰ্চ তাৰিখে দুদিনীয়াকৈ গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া শিক্ষক প্ৰকাশন সংস্থাৰ অধিবেশনত এই বঁটা প্ৰদান কৰা হ'ব বুলি মুখ্য সম্পাদক মৃদুল শইকীয়াই জানিবলৈ দিছে। এই বঁটাত আছে অংগবস্ত্ৰ, জাপি, এখন মানপত্ৰ, এটি স্মাৰক আৰু কিতাপৰ টোপোলা।

# জাঁজী বলমীয়া শংকৰগুৰু কলা কৃষ্টি কেন্দ্ৰৰ পুনৰ্নিমাণৰ লাইখুঁটা স্থাপন; ৰামেশ্বৰ তেলীৰ দহ লাখ অনুদান

**অসম বাৰ্তা, জাঁজী, ৫ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ জাঁজী বলমীয়া গাঁৱত অৱস্থিত অঞ্চলটোৰ অন্যতম আধ্যাত্মিক আৰু শংকৰী সংস্কৃতিৰ চৰ্চাৰ অনুষ্ঠান শংকৰ গুৰু কলা কৃষ্টি কেন্দ্ৰৰ পুনৰ্নিমাণৰ লাইখুঁটা আজি স্থাপন কৰা হয়। ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলীৰ সাংসদ পুঁজিৰ দহ লাখ টকাৰ অনুদানেৰে এই লাইখুঁটা স্থাপনত উপস্থিত থাকে শিৱসাগৰ জিলা ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি বিতোপন ৰাইদঙীয়া। স্থানীয় ধৰ্মপ্ৰাণ ব্যক্তি ৰত্ন আৰান্ধৰাই বন্তি প্ৰজ্বলন কৰাৰ পাছত লাইখুঁটা স্থাপনত সহযোগ কৰে বিতোপন ৰাইদঙীয়াই। ইয়াৰ পাছত ম'ৰাবজাৰ আঞ্চলিক পঞ্চায়তৰ সদস্য ত্ৰৈলোক্য বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত জিলা বিজেপি সভাপতিজনে নৱ প্ৰজন্মক আধ্যাত্মিক চিন্তা, ধ্যানধাৰণা তথা গুৰুজনাৰ সৃষ্টি চৰ্চাৰ জৰিয়তে সমাজখনক সুশৃংখলিত কৰি তোলাৰ স্বাৰ্থত বৰ্তমান চৰকাৰখনে প্ৰতিটো ধৰ্মীয় অনুষ্ঠানলৈ এনে অনুদান আগবঢ়োৱাৰ কথা উল্লেখ কৰে। উল্লেখযোগ্য যে ম'ৰাবজাৰ আৰু জকাইচুক মৌজাৰ চৈধ্যখন গাঁৱৰ ৰাইজ সংঘবদ্ধ হৈ গঢ়ি তোলা এই শংকৰগুৰু কলা- কৃষ্টি কেন্দ্ৰটোত প্ৰতি বছৰে ভাওনা প্ৰদৰ্শন হোৱাৰ উপৰি ভাগৱত পাঠ আৰু ব্যাখ্যা, ধৰ্মালোচনা সভা, মহাপুৰুষীয়া জন্মোৎসৱ আৰু তিথি, লোকবাদ্যৰ প্ৰশিক্ষণ আদিৰ জৰিয়তে বৃহত্তৰ অঞ্চলটোত আধ্যাত্মিক ভাৱধাৰাৰ প্ৰচাৰ কৰি অহা হৈছে। কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সম্পাদক দীপ খনিকৰ আৰু বুটম দত্তই আঁত ধৰা সভাখনত শিৱসাগৰ জিলা পৰিষদৰ উপ সভানেত্ৰী ৰেবিকা সন্দিকৈ, ম'ৰাবজাৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী পৰিস্মিতা নেওগ, সমাজকৰ্মী দেবব্ৰত গগৈ, পুলিন গগৈ, কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সভাপতি আৰু বিষয়ববীয়া সকলৰ লগতে বহু ৰাইজ উপস্থিত আছিল।

◆ এটা সমষ্টি কাৰো পৈত্তিক সম্পত্তি নহয় ঃ জ্ঞানশ্ৰী ◆
◆ ৰূপজ্যোতি কুৰ্মীৰ পৰা আশীৰ্বাদ বিচাৰিলে জ্ঞানশ্ৰীয়ে ◆

# ৰাইজৰ দলৰ মনোনয়ন লাভ কৰি মৰিয়নি সমষ্টিত ড° জ্ঞানশ্ৰী বৰা

**অসম বাৰ্তা, আমগুৰি, ৫ মাৰ্চ ঃ** ৰাইজৰ দলে মৰিয়ণি সমষ্টিৰ দলীয় প্ৰাৰ্থী হিচাপে ড° জ্ঞানশ্ৰী বৰাৰ নাম ঘোষণা কৰাৰ পিছতে আজি সন্ধিয়া সমষ্টিটোত উপস্থিত হয় প্ৰাৰ্থী গৰাকী। ড° জ্ঞানশ্ৰী বৰাই আজি ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ চেলেংহাট লুখুৰাখন গাঁৱৰ বাসগৃহত উপস্থিত হয়। উপস্থিত হোৱাৰ লগে-লগে তেওঁক আদৰিবলৈ আৰতৰিয়া দেৱালী উদ্‌যাপন কৰে তেওঁৰ সমৰ্থক সকলে। ৰাইজৰ দলৰ প্ৰাৰ্থী গৰাকীক দলীয় কৰ্মী সমৰ্থক সকলে ঢোলে-ডগৰে আদৰণি জনায়। নেত্ৰী গৰাকীয়ে লুখুৰাখন মাজৰচুক বৰনামঘৰত সেৱা লৈ অখিল গগৈৰ বাসগৃহত এক সভাত অংশগ্ৰহণ কৰে। মৰিয়ণি সমষ্টিৰ দলীয় প্ৰাৰ্থী গৰাকীৰ লগত ৰাইজৰ দলৰ কেন্দ্ৰীয় সম্পাদক হুছেইন মহম্মদ ছাহজাহান, ৰাইজৰ দলৰ নাৰী বাহিনীৰ উপ সভানেত্ৰী অনুৰাধা বৰ চেতিয়া, জাতীয় যুৱ বাহিনীৰ কাৰ্যকৰী সভাপতি সৌৰভ বৰা, জিলাৰ সভাপতি প্ৰদীপ চৰকাৰ আৰু সমষ্টি সমিতিৰ নেতৃবৃন্দৰ লগতে বহু ৰাইজ উপস্থিত থাকে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ড° জ্ঞানশ্ৰী বৰাই মৰিয়ণি সমষ্টিৰ খোৱাপানীৰ সমস্যা সীমা সমস্যা, মৰিয়নী নগৰৰ উন্নয়ন, গ্ৰাম্য পথ উন্নয়ন আদি সমস্যা সমাধান কৰাৰ লক্ষ্যৰে নিৰ্বাচনত অৱতীৰ্ণ হব বুলি প্ৰকাশ কৰে। লগতে তেওঁ ৰাজনৈতিকভাৱে এটা সমষ্টি কাৰো পৈত্তিক সম্পত্তি নহয় বুলি তাৎপৰ্যপূৰ্ণ ভাবে মন্তব্য কৰে। তেওঁ কয় যে উন্নয়নশীল এখন ৰাজ্যত জনগণক আঁচনি দিয়াটো এখন চৰকাৰৰ কৰ্তব্য, কিন্তু ৰূপজ্যোতি কুৰ্মীয়ে সমষ্টিটো উন্নয়ন কৰিব পৰা নাই। লগতে তেওঁ বিধায়ক ৰূপজ্যোতি কুৰ্মীক নিজৰ অগ্ৰজ বুলি আখ্যা দি কুৰ্মীৰ পৰা আশীৰ্বাদ বিচাৰে ড° বৰাই। বিৰোধীৰ মিত্ৰতা সম্পৰ্কে ড° জ্ঞানশ্ৰী বৰাই কয় যে এই বাৰৰ এই যুঁজ সাম্প্ৰদায়িক শক্তিৰ বিপক্ষে। গতিকে ৰূপজ্যোতি কুৰ্মীক বিদায় দিয়াৰ স্বাৰ্থত সকলোৰে এক গোট হব লাগে।

# মৰিগাঁও জিলাৰ উত্তৰ-পশ্চিমাঞ্চলৰ জ্যেষ্ঠ সাংবাদিক মেহবুব মুক্তাৰক ধিং সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থীত্ব; বিভিন্ন দল-সংগঠনৰ শুভেচ্ছা

**অসম বাৰ্তা, ভূৰাগাঁও, ৫ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ উত্তৰ-পশ্চিমাঞ্চলৰ অন্যতম জ্যেষ্ঠ সাংবাদিক মেহবুব মুক্তাৰক ধিং সমষ্টিত প্ৰাৰ্থীত্ব প্ৰদান কৰিছে ৰাইজৰ দলে। আজি ৰাইজৰ দলে ঘোষণা কৰা প্ৰথমখন প্ৰাৰ্থী তালিকাই নিশ্চিত কৰিলে মেহবুব মুক্তাৰৰ প্ৰাৰ্থীত্ব। মৈৰাবাৰীৰ বাসিন্দা মেহবুব মুক্তাৰে দুটা দশক ধৰি অসমৰ এখন আগশাৰীৰ বাতৰি কাকতৰ লগতে এটি আগশাৰীৰ ছেটেলাইট চেনেলৰো সাংবাদিক হিছাবে সেৱা আগ বঢ়াইছিল। মৈৰাবাৰী প্ৰেছ ক্লাৱৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে স্থানীয় সাংবাদিক সকলক নেতৃত্ব প্ৰদান কৰি সমস্যা জৰ্জড়িত অঞ্চলটোত সাংবাদিকতাৰ ধাৰাক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছিল মুক্তাৰে। কিছুদিনৰ আগত সাংবাদিকতা ত্যাগ কৰি ৰাইজৰ দলত আনুষ্ঠানিকভাৱে যোগদান কৰাৰ পাছতে মুক্তাৰক ৰাইজৰ দলৰ নেতৃত্বই কেন্দ্ৰীয় মুখপাত্ৰ হিছাবে দায়িত্ব অৰ্পন কৰিছিল। মেহবুব মুক্তাৰে সাংবাদিকতাৰ উপৰিও অঞ্চল টোৰ বহু সামাজিক সংগঠন, সাহিত্য সভা আদি অনুষ্ঠানৰ সৈতে জড়ীত হৈ থাকি বৰ্তমান ৰাজনীতিৰ পথাৰত ভৰি দিছে। আজি মেহবুব মুক্তাৰক ৰাইজৰ দলে ধিং সমষ্টিত প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ বাবে মৈৰাবাৰী প্ৰেছ ক্লাৱ, লাহৰীঘাট প্ৰেছ ক্লাৱ, মৈৰাবাৰী জ্যেষ্ঠ নাগৰিক সমিতি, মৈৰাবাৰী শাখা সাহিত্য সভা, গেৰুৱা যুৱ নাট্য মঞ্চ, লাহৰীঘাট সম-জিলা সাংবাদিক সন্থা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ মৰিগাঁও জিলা সমিতিকে প্ৰমোখ্য কৰি বিভিন্ন সামাজিক অনুষ্ঠান, দল-সংগঠনে শুভেচ্ছা জ্ঞাপন কৰিছে।

# বিহালীত ভয়ঙ্কৰ পথ দুৰ্ঘটনা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ খেৰবাৰীত পথ দুৰ্ঘটনাত থিতাতে নিহত দুজন মটৰ চাইকেল আৰহী

**অসম বাৰ্তা, জিনজিয়া, ৫ মাৰ্চ ঃ** দৌল উৎসৱৰ আনন্দৰ মাজতে দুজন যুবকৰ মৃত্যুয়ে শোকৰ ছাঁ পেলাইছে বিহালী অঞ্চলত। জিনজিয়া আৰক্ষী থানাৰ অন্তৰ্গত খেৰবাৰীত যোৱা কালি সন্ধিয়া সংঘটিত হয় শোকাৱহ পথ দুৰ্ঘটনা। তথ্য মতে AS 12 Y 1351 নম্বৰৰ মটৰ চাইকেলে আৰহী নিজা ঘৰ বিহালী বৰকঠীয়াবাৰীৰ ৰিতেশ লামা আৰু সৌৰভ সাহা আহি থকাৰ অৱস্থাত একে দিশৰ পৰা অহা AS 32 D 8115 নম্বৰৰ স্কৰ্পিঅ' বাহনে প্ৰচণ্ড খুন্দা মৰাত দুই বাইক আৰোহী চিটিকি পৰে আৰু ঘটনা স্থলীতে নিহত হয় দুই মটৰচাইকেল আৰোহী। ঘটনাৰ স্থলীত জিনজিয়া আৰক্ষী উপস্থিত দুয়োগৰাকীৰ মৃতদেহ থানালৈ লৈ যায়, বৰ্তমান মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে বিহালীলৈ প্ৰেৰণ কৰে।

# হোলীৰ আনন্দৰ মাজতে মাজুলীৰ ছমহীয়াআটীত ভয়ংকৰ পথ দুৰ্ঘটনা; নিহত এজন



**অসম বাৰ্তা, উজনী মাজুলী, ৫ মাৰ্চ ঃ** ফল্গুৰ আনন্দৰ মাজতে আজি বিয়লি মাজুলীৰ ছমহীয়াআটীত ভয়ংকৰ এক পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে পথৰ কাষৰ বিদ্যুতৰ খুটাত প্ৰচণ্ড খুন্দা মাৰি AS 29-9433 নম্বৰৰ এল্ট' K 10 বাহন খনে খুঁটা ভাঙি পুখুৰীত ডুবি যায়। সমীপৰ ৰাইজে তৎপৰতাৰে গাড়ীখন পানীৰ পৰা তুলি ব্যক্তি জনৰ পেটৰ পৰা পানী উলিয়াবলৈ যত্ন কৰাৰ লগতে সেই স্থানতে চিপিআৰ প্ৰদান কৰে। গাড়ীত থকা আধাৰ কাৰ্ড অনুসৰি ব্যক্তিজনৰ নাম ধেমাজিৰ মনিকান্ত দলে বুলি জানিব পৰা গৈছে। ইফালে সংকটজনক অৱস্থাত লোকজনক জেংৰাইমুখ চিকিৎসালয়ত ভৰ্তি কৰাবলৈ নিয়া হয় যদিও চিকিৎসকে ব্যক্তিজন মৃত্যু হোৱা বুলি জানিবলৈ দিয়ে। বৰ্তমান অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে।

# বৰপেটাৰ ৰাইজিং ক্লাবৰ উদ্যোগত বাটে-বাটে হোলী প্ৰতিযোগিতা

**অসম বাৰ্তা, বৰপেটা সদৰ, ৫ মাৰ্চ ঃ** বৰপেটাৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান ৰাইজিং ক্লাবৰ উদ্যোগত ২৬সংখ্যক পুৰুষ-মহিলাৰ মুকলি পথৰ হোলী প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। পুৱা ১১ বজাত বৰপেটা সত্ৰৰ সন্মুখৰ পৰা আৰম্ভ হোৱা হোলী প্ৰতিযোগিতাখন নহাটী বাটচ'ৰা দি গৈ কমলাকান্ত পথেৰে বৰপেটা চহৰৰ পাঁচ আলি চ'কত উপস্থিত হৈ পোনে পোনে বৰপেটা বি বি পথ হৈ ৰাইজিং ক্লাবৰ বাকৰিত সামৰণি পৰে। কুৰিটাৰো অধিক দলে ভাগ লোৱা হোলী প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ দল তিনিটা অভিজ্ঞ বিচাৰকৰ দ্বাৰা নিৰ্বাচিত কৰি পুৰস্কৃত কৰা হয়। মুকলি পথৰ এই ব্যতিক্ৰমী হোলীগীত প্ৰতিযোগিতাখনত জনপ্ৰিয় কণ্ঠশিল্পী ছুইটী দাস আৰু জনপ্ৰিয় অভিনেতা বেহৰবাৰী আউট পোষ্টৰ "মোহন" খ্যাত দ্বীপজ্যোতি কেওঁট আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰে।

# কমাৰগাঁৱত প্ৰীতি ক্ৰিকেট খেল

**অসম বাৰ্তা, দেৰগাঁও, ৫ মাৰ্চ ঃ** ফাকুৱাৰ উপলক্ষে দেৰগাঁৱৰ এক আগশাৰীৰ গ্ৰামাঞ্চল আফুৰা গাঁও আৰু কমাৰগাঁও যুৱকবৃন্দৰ যৌথ উদ্যোগত কমাৰগাঁও বুদ্ধিদ্ৰুম কোচিং চেণ্টাৰ সমীপত এখনি T20 প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত কৰা হয়। য'ত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়, নামবৰ এক্সপ্ৰেছ বনাম আৰু কাজিৰঙা এক্সপ্ৰেছে দুটা দলে। উক্ত খেল খনত নামবৰ এক্সপ্ৰেছে প্ৰথমে বেটিং কৰি ১৫০ ৰানৰ লক্ষ্য বান্ধি দিয়ে যদিও কাজিৰঙা এক্সপ্ৰেছে সেই লক্ষ্য ভেদি বিজয়ী দলৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। শতাধিক লোকৰ উপস্থিতিত খেল খনি উদ্বোধন কৰে কমাৰগাঁও নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি বদন বৰায়ে অন্যহাতে খেলৰ অন্তত দুয়োটা দলক মেডেল প্ৰদান কৰাৰ লগতে বঁটা প্ৰদান কৰা হয়। খেলখনিত একক ভাবে ২৮ ৰান আৰু ৪টা উইকেট পতন ঘটাই ভাস্কৰ বৰাই মেন অব্ ডা মেটচ সন্মান লাভ কৰিবলৈ সক্ষম হয়।

# ৰূপহীহাটত ড্ৰাগছসহ গ্ৰেপ্তাৰ ১

**অসম বাৰ্তা, ৰূপহী হাট, ৫ মাৰ্চ ঃ** ৰূপহীহাট আৰক্ষীয়ে য়োৱানিশা পুথিখাইটিত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিয়ানত ২৬ টাকৈ ড্ৰাগছ ভৰ্তি টেমী আৰু এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীটো হল আৰিফুল ইছলাম। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৬.৭৪ গ্ৰাম। আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰীটোক জেৰা অব্যাহত ৰাখিছে।

# নাওজানত পথ দুৰ্ঘটনাত এজন নিহত; দুজন গুৰুতৰভাৱে আহত

**অসম বাৰ্তা, চুঙাজান, ৫ মাৰ্চ ঃ** নাওজানত ফাকুৱাৰ আনন্দৰ মাজতে সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকে প্ৰাণ হেৰুৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হোৱাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে কালি দিনৰ প্ৰায় ২-৩০ বজাত নাওজান-চুঙাজান পথৰ চি ডি এছ তিনিআলিৰ সমীপত এ এছ ০৫ জেদ ৮৮০২ নম্বৰৰ এখন মটৰ চাইকেলেৰে নাওজানৰ দিশে গৈ থকা অৱস্থাত চাইকেলেৰে গৈ থকা ৬ নং চুঙাজান অঞ্চলৰ মৰাজানৰ প্ৰদীপ শইকীয়া (৬০)ক জোৰেৰে খুন্দা মৰাৰ ফলত উক্ত দুৰ্ঘটনাটো সংঘটিত হয় বুলি প্ৰকাশ। নাওজান আৰক্ষী আৰু স্থানীয় লোকৰ তৎপৰতাত তিনিওকে ততাতৈয়াকৈ সৰুপথাৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছিল যদিও গুৰুতৰভাৱে আহত চাইকেল আৰোহী প্ৰদীপ শইকীয়াক চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইপিনে ঘটনা সংঘটিত কৰা মটৰ চাইকেল আৰোহী দুজন বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত ২ নং প্ৰেমহৰাৰ গৌতম হেমৰম আৰু অৰ্জন মুড়া বুলি জানিব পৰা গৈছে। ঘটনা সম্পৰ্কত ইতিমধ্যে নাওজান আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

# মিছামৰাৰ ধৰ্মপ্ৰাণা মহিলা কনমাই বৰাৰ পৰলোক

**অসম বাৰ্তা, দেৰগাঁও, ৫ মাৰ্চ ঃ** দেৰগাঁও মিছামৰা মৌজাৰ দৈয়ঙীয়া গাঁও নিবাসী, সৰবৰহী, ধৰ্মপ্ৰাণা মহিলা কনমাই বৰাৰ আজি পুৱা (৯২বছৰ)পৰলোক হয়। দেৰগাঁৱৰ বিশিষ্ট চিকিৎসক ডা: গুণোত্তম বৰা, শিল্পী দ্বিজেন বৰাকে ধৰি পাঁচ পুত্ৰ, এগৰাকী কন্যাৰ মাতৃ, বৰ্ষীয়ান মহিলা গৰাকী অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত এগৰাকী সমাজসেৱী মহিলা আছিল। বহুতো আত্মীয়ক এৰি যোৱা মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। সদৌ অসম ছাত্ৰ সন্থাৰ উপসভাপতি অভিবৰ্তন গোস্বামী, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দীপ বৰঠাকুৰকে ধৰি বিভিন্নজন ব্যক্তিয়ে ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ নশ্বৰদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

## সম্পাদকীয়

# পৰিয়ালতান্ত্ৰিক ৰাজনীতি

ৰাজ্যত ৰাজনৈতিক বতৰ। কংগ্ৰেছে অসম বিধানসভা নিৰ্বাচনৰ বাবে প্ৰথম ৪২ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দলটোক তীব্ৰ ভাষাত আক্ৰমণ কৰিছে। তেওঁ কংগ্ৰেছৰ তালিকাখনক 'পৰিয়ালতান্ত্ৰিক ৰাজনীতিৰ নমুনা' বুলি কটাক্ষ কৰিছে, লগতে ৰাইজৰ দলৰ নেতা অখিল গগৈৰ প্ৰতি কংগ্ৰেছৰ ভূমিকাক 'ব্লেকমেইলিং' বুলি অভিহিত কৰিছে। আনফালে, বিজেপিৰ লক্ষ্য সাধাৰণ পৰিয়ালৰ যুৱক-যুৱতীক আগুৱাই নিয়া বুলি দাবী কৰিছে মুখ্যমন্ত্ৰীয়ে।

এই আক্ৰমণ- প্ৰত্যাক্ৰমণৰ মাজতে সাধাৰণকেইটামান প্ৰশ্ন ৰাজনৈতিক দলসমূহলৈ সঘনে উত্থাপন হয়। প্ৰথম প্ৰশ্নটো পৰিয়ালতন্ত্ৰৰ। মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছৰ তালিকাত নেতাৰ সন্তান-সন্ততি, বংশধৰক অগ্ৰাধিকাৰ দিয়া বুলি কৈছে। কিন্তু ৰাইজে দেখিছে যে বিজেপিতো বহু ঠাইতে ৰাজনৈতিক পৰিয়ালৰ লোক আছে। গতিকে বিজেপিৰ লক্ষ্য যদি সঁচাকৈয়ে সাধাৰণ পৰিয়ালৰ যুৱক-যুৱতীক আগুৱাই নিয়া, তেন্তে তেওঁলোকৰ তালিকাত কিমান শতাংশ প্ৰাৰ্থী এনে হ'ব যাৰ কোনো ৰাজনৈতিক পটভূমি নাই? এইটো প্ৰশ্ন কেৱল কংগ্ৰেছলৈ নহয়, বিজেপিলৈও।

দ্বিতীয় প্ৰশ্নটো হৈছে ৰাজনৈতিক নীতিসংহতাৰ। মুখ্যমন্ত্ৰীয়ে কৈছে যে তেওঁ কংগ্ৰেছৰ প্ৰাৰ্থী তালিকা প্ৰথমে পাইছিল আৰু সাংবাদিকলৈ প্ৰেৰণ কৰিছিল। এই মন্তব্যই কংগ্ৰেছৰ অভ্যন্তৰীণ গোপনীয়তাৰ দুৰ্বলতা প্ৰকাশ কৰিছে। কিন্তু এজন মুখ্যমন্ত্ৰীয়ে বিৰোধী দলৰ গোপন তালিকা আগতীয়াকৈ পোৱাটো কিমান গণতান্ত্ৰিক? এইটো নে ৰাজনৈতিক গুপ্তচৰবৃত্তি নে কেৱল ৰাজনৈতিক কৌশল?

তৃতীয় প্ৰশ্নটো অখিল গগৈৰ প্ৰসংগত। মুখ্যমন্ত্ৰীয়ে কৈছে যে কংগ্ৰেছে অখিল গগৈক ব্লেকমেইল কৰি আছে আৰু শেষত তেওঁ কংগ্ৰেছৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ব। কিন্তু ৰাইজৰ দলৰ দৰে এটা আঞ্চলিক দল আৰু কংগ্ৰেছৰ মাজত যদি মিত্ৰতা হয়, তেন্তে সেয়া সমানে সমানে নে নহয়? অখিল গগৈয়ে ডিমৌত যি জনসমৰ্থন লাভ কৰিছে, সেই জনসমৰ্থনৰ মূল্য কিমান? নে কেৱল দিল্লীৰ উচ্চাকাংক্ষাই মিত্ৰতাৰ নীতি নিৰ্ধাৰণ কৰে?

আন এটা প্ৰশ্ন যোগেন্দ্ৰ যাদৱ আৰু লুৰীণজ্যোতি গগৈৰ প্ৰসংগত। এই নেতাসকলৰ নিজা ৰাজনৈতিক গুৰুত্ব আছে। তেওঁলোকে কংগ্ৰেছৰ লগত মিত্ৰতা কৰাটো নীতিৰ বাবে নে ব্যক্তিগত স্বাৰ্থৰ বাবে? এই প্ৰশ্নৰ উত্তৰ ৰাইজে পাব লাগে।

সৰ্বোপৰি, ৰাজনীতি হওক পৰিয়ালৰ সম্পত্তি হিচাপে নহয়, সেৱাৰ বাহন হিচাপে। আমি বিচাৰো যে আমাৰ প্ৰতিনিধি হওক যোগ্য, সৎ আৰু জনপ্ৰিয়। তেওঁ কাৰ পুতেক বা কাৰ জোঁৱাই, সেইটো গৌণ কথা। প্ৰধান কথা তেওঁ আমাৰ সেৱা আগবঢ়াব পাৰিবনে নোৱাৰে? ৰাজনৈতিক দলবোৰে এইবোৰ প্ৰশ্নৰ সন্মুখীন হৈ উত্তৰ দিয়ক। কিয়নো অহা বিধানসভা নিৰ্বাচনত ৰাইজে এইবোৰ প্ৰশ্নৰ ভিত্তিতেই তেওঁলোকক ৰায়দান দিব। পৰিয়ালৰ ৰাজনীতি নে ৰাইজৰ ৰাজনীতি - এই সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব এতিয়া আমাৰ, অসমৰ প্ৰতিজন সচেতন নাগৰিকৰ।

> "এখন ৰাষ্ট্ৰ শক্তিশালী হ'বলৈ হ'লে ইয়াৰ সীমান্ত সুৰক্ষিত হোৱাটো অতি প্ৰয়োজন আৰু ভাৰতে এই ক্ষেত্ৰত যোৱা কেইবছৰমানত নিজৰ ক্ষমতাৰ ব্যাপক বৃদ্ধি ঘটাইছে। আধুনিক প্ৰযুক্তিসম্পন্ন যুদ্ধজাহাজ, বিধ্বংসী ক্ষেপণাস্ত্ৰ আৰু বায়ুসেনাৰ আধুনিকীকৰণে ভাৰতীয় সৈন্যবাহিনীক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বাহিনী হিচাপে থিয় কৰাইছে। ভাৰতৰ পৰমাণু শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰ আৰু 'প্ৰথমে আক্ৰমণ নকৰা'ৰ যি নীতি, সি বিশ্বৰ আগত ভাৰতক এক দায়িত্বশীল ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। চাইবাৰ সুৰক্ষাৰ ক্ষেত্ৰতো ভাৰতে বিশেষ গুৰুত্ব দিছে, কিয়নো বৰ্তমান সময়ত যুদ্ধ কেৱল যুদ্ধক্ষেত্ৰতে নহয়, কম্পিউটাৰৰ পৰ্দাতো চলে। দেশৰ চাৰিওফালে থকা জটিল ভৌগোলিক পৰিস্থিতিৰ মাজতো ভাৰতীয় সেনাৰ যি অদম্য সাহস আৰু দক্ষতা, সি যিকোনো বিদেশী শক্তিক প্ৰত্যাহ্বান জনাবলৈ যথেষ্ট। সীমান্তৰ সিপাৰৰ পৰা অহা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা শূন্য সহনশীলতাৰ নীতিয়ে দেশৰ আভ্যন্তৰীণ সুৰক্ষাৰ দিশটো শক্তিশালী কৰিছে।"

# বিশ্বৰ নতুন মহাশক্তি হিচাপে ভাৰতৰ সম্ভাৱনা

**ডাঃ প্ৰবীণকুমাৰ নেওগ**

বৈদেশিক নীতি আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত ভাৰতে বৰ্তমান যি এক স্বাধীন আৰু বলিষ্ঠ স্থিতি গ্ৰহণ কৰিছে, সি বিশ্বৰ ৰাজনীতিত দেশখনক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। ভাৰতে কোনো মহাশক্তিৰ তলতীয়া নহৈ বা কোনো এটা নিৰ্দিষ্ট গোষ্ঠীৰ লগত সম্পূৰ্ণৰূপে চামিল নহৈ নিজৰ ৰাষ্ট্ৰীয় স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া যি নীতি লৈছে, তাক বিশ্বৰ সকলো দেশে সন্মান জনাবলৈ বাধ্য হৈছে। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংঘাতৰ সময়ত ভাৰতে লোৱা নিৰপেক্ষ অথচ গঠনমূলক ভূমিকাই দেশখনক এক দক্ষ মধ্যস্থতাকাৰী হিচাপে প্ৰতিষ্ঠা কৰিছে। ভাৰতে সদায় বিশ্বত শান্তি আৰু ভাতৃত্ববোধৰ পোষকতা কৰি আহিছে আৰু কোনো ধৰণৰ যুদ্ধ বা হিংসাৰ পৰিৱৰ্তে আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ ওপৰত গুৰুত্ব দিছে। বিশ্বৰ দক্ষিণ মেৰুৰ দেশসমূহ অৰ্থাৎ উন্নয়নশীল দেশসমূহৰ মুখপাত্ৰ হিচাপে ভাৰতে যি সাহসী পদক্ষেপ লৈছে, তাৰ ফলত সেই দেশসমূহৰ মাজত ভাৰতৰ গ্ৰহণযোগ্যতা বহুগুণে বৃদ্ধি পাইছে। ক'ভিড মহামাৰীৰ সময়ত ভাৰতে যিদৰে নিজৰ দেশৰ প্ৰয়োজন পূৰণ কৰি বিশ্বৰ আন বহু দুখীয়া দেশক ঔষধ আৰু ভেকচিন যোগান ধৰিলে, সেই কাৰ্যই ভাৰতৰ মানৱীয় দিশটো বিশ্বৰ আগত স্পষ্ট কৰি দিছে। এই 'ভেকচিন মৈত্ৰী'ৰ জৰিয়তে ভাৰতে প্ৰমাণ কৰিলে যে মহাশক্তি হোৱাৰ অৰ্থ কেৱল আনৰ ওপৰত আধিপত্য বিস্তাৰ কৰাই নহয়, বৰঞ্চ বিপদৰ সময়ত আনৰ কাষত থিয় দিয়াটোও এক ডাঙৰ দায়িত্ব। জলবায়ু পৰিৱৰ্তনৰ দৰে গোলকীয় সমস্যা সমাধানত ভাৰতে যি সক্ৰিয় নেতৃত্ব দিছে আৰু নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰত যি গুৰুত্ব দিছে, সেই কাৰ্যক ৰাষ্ট্ৰসংঘকে ধৰি বিশ্বৰ প্ৰতিটো সংগঠনৰ দ্বাৰা প্ৰশংসিত হৈছে। এই নৈতিক আৰু কূটনৈতিক শক্তিৰ জৰিয়তে ভাৰতে এতিয়া বিশ্বৰ যিকোনো ডাঙৰ সিদ্ধান্তৰ ক্ষেত্ৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিব পৰাকৈ সক্ষম হৈ উঠিছে।

ভাৰতৰ হাজাৰ বছৰীয়া সভ্যতা আৰু ইয়াৰ বিচিত্ৰ সংস্কৃতিৰ প্ৰতি বিশ্বৰ মানুহৰ আকৰ্ষণ সদায়েই আছিল আৰু বৰ্তমান সময়ত ই এক নতুন মাত্ৰা লাভ কৰিছে। ভাৰতীয় দৰ্শনৰ মূল আধাৰ 'বসুধৈৱ কুটুম্বকম' অৰ্থাৎ সমগ্ৰ পৃথিৱীখনেই এটা পৰিয়াল— এই চিন্তাধাৰাই বিশ্ববাসীক একত্ৰিত হোৱাৰ অনুপ্ৰেৰণা যোগায়। আজিৰ অশান্ত পৃথিৱীত যেতিয়া মানুহে শান্তি আৰু সুস্থতাৰ বাবে ব্যাকুল হৈ উঠিছে, তেতিয়া ভাৰতৰ যোগচৰ্চা, ধ্যান আৰু আধ্যাত্মিকতাই তেওঁলোকক এক নতুন দিশ দেখুৱাইছে। ভাৰতীয় পৰম্পৰাগত চিকিৎসা পদ্ধতি অৰ্থাৎ আয়ুৰ্বেদৰ প্ৰতি বিশ্বৰ মানুহৰ আস্থা বাঢ়িবলৈ ধৰিছে। ইয়াৰ উপৰি ভাৰতৰ সংগীত, কলা, সাহিত্য আৰু চলচ্চিত্ৰই বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহৰ হৃদয় জয় কৰিছে। পৃথিৱীৰ চুকে-কোণে থকা ভাৰতীয়সকলে যিদৰে নিজৰ সংস্কৃতি আৰু পৰম্পৰা বজাই ৰাখিছে, সিও দেশখনৰ প্ৰতি এক ইতিবাচক ধাৰণা গঢ়ি তোলাত সহায় কৰিছে। সাংস্কৃতিক শক্তি হৈছে এনে এক মাধ্যম যাৰ জৰিয়তে কোনো ধৰণৰ বল প্ৰয়োগ নকৰাকৈয়ে মানুহৰ মন জয় কৰিব পাৰি আৰু ভাৰতে এই ক্ষেত্ৰত যথেষ্ট সফল হৈছে। দেশৰ খাদ্য পৰম্পৰাৰ পৰা আৰম্ভ কৰি সাজ-পাৰলৈকে সকলোতে যি এক বিশাল বৈচিত্ৰ্য আছে, সেয়াই ভাৰতক পৃথিৱীৰ আন সকলো দেশতকৈ পৃথক কৰি তুলিছে। এই সাংস্কৃতিক ঐতিহ্যই ভাৰতক এক বিশ্ব গুৰুৰ মৰ্যাদা প্ৰদান কৰাৰ পথ প্ৰশস্ত কৰিছে আৰু ইয়াৰ জৰিয়তে ভাৰতে বিশ্বত এক শান্তিৰ পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হ'ব।

এখন ৰাষ্ট্ৰ শক্তিশালী হ'বলৈ হ'লে ইয়াৰ সীমান্ত সুৰক্ষিত হোৱাটো অতি প্ৰয়োজন আৰু ভাৰতে এই ক্ষেত্ৰত যোৱা কেইবছৰমানত নিজৰ ক্ষমতাৰ ব্যাপক বৃদ্ধি ঘটাইছে। আধুনিক প্ৰযুক্তিসম্পন্ন যুদ্ধজাহাজ, বিধ্বংসী ক্ষেপণাস্ত্ৰ আৰু বায়ুসেনাৰ আধুনিকীকৰণে ভাৰতীয় সৈন্যবাহিনীক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বাহিনী হিচাপে থিয় কৰাইছে। ভাৰতৰ পৰমাণু শক্তিৰ শান্তিপূৰ্ণ ব্যৱহাৰ আৰু 'প্ৰথমে আক্ৰমণ নকৰা'ৰ যি নীতি, সি বিশ্বৰ আগত ভাৰতক এক দায়িত্বশীল ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। চাইবাৰ সুৰক্ষাৰ ক্ষেত্ৰতো ভাৰতে বিশেষ গুৰুত্ব দিছে, কিয়নো বৰ্তমান সময়ত যুদ্ধ কেৱল যুদ্ধক্ষেত্ৰতে নহয়, কম্পিউটাৰৰ পৰ্দাতো চলে। দেশৰ চাৰিওফালে থকা জটিল ভৌগোলিক পৰিস্থিতিৰ মাজতো ভাৰতীয় সেনাৰ যি অদম্য সাহস আৰু দক্ষতা, সি যিকোনো বিদেশী শক্তিক প্ৰত্যাহ্বান জনাবলৈ যথেষ্ট। সীমান্তৰ সিপাৰৰ পৰা অহা সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা শূন্য সহনশীলতাৰ নীতিয়ে দেশৰ আভ্যন্তৰীণ সুৰক্ষাৰ দিশটো শক্তিশালী কৰিছে। ইয়াৰ উপৰি ভাৰতে এতিয়া নিজৰ সামৰিক সামগ্ৰীসমূহ বিশ্বৰ আন মিত্ৰ দেশসমূহলৈ ৰপ্তানি কৰিবলৈ আৰম্ভ কৰিছে, যিয়ে প্ৰতিৰক্ষা খণ্ডত দেশৰ বৰ্ধিত ক্ষমতাৰ প্ৰমাণ দিয়ে। যেতিয়া এখন দেশৰ সামৰিক শক্তি অপৰাজেয় হয়, তেতিয়া সেই দেশৰ কূটনৈতিক ক্ষমতাও বহু গুণে বাঢ়ি যায় আৰু ভাৰতে বৰ্তমান সেই পথটোকেই অতি পৰিকল্পিতভাৱে অনুসৰণ কৰিছে।

যিকোনো দেশৰ সৰ্বাংগীণ উন্নতিৰ বাবে আন্তঃগাঁথনি উন্নয়ন এক অতি গুৰুত্বপূৰ্ণ চৰ্ত আৰু ভাৰতে এই দিশত বৰ্তমান যি এক নিৰ্মাণ বিপ্লৱৰ সূচনা কৰিছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। দেশৰ প্ৰতিটো প্ৰান্তক উন্নত পথ পৰিবহণৰ জৰিয়তে সংযোগ কৰাৰ বাবে যিবোৰ বৃহৎ প্ৰকল্প হাতত লোৱা হৈছে, সেইবোৰে ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰত এক নতুন গতি দিছে। আধুনিক ৰে'ল সংযোগ আৰু মালবাহী কৰিডৰসমূহে দেশৰ অৰ্থনৈতিক কাৰ্যকলাপক অধিক সুচল কৰি তুলিছে। ইয়াৰ লগতে জলপথৰ ব্যৱহাৰ বৃদ্ধি আৰু নতুন নতুন বন্দৰ নিৰ্মাণে ভাৰতৰ বৈদেশিক বাণিজ্যক এক নতুন উচ্চতালৈ লৈ গৈছে। শক্তি খণ্ডত ভাৰতে গ্ৰহণ কৰা বিশেষকৈ সৌৰ শক্তি আৰু বায়ু শক্তিৰ দৰে নবীকৰণযোগ্য উৎসসমূহৰ ব্যৱহাৰে দেশখনক এক সেউজ ভৱিষ্যতৰ ফালে লৈ গৈছে। বিদ্যুতৰ যোগান নিশ্চিত কৰাৰ লগতে ইন্ধনৰ নাটনি দূৰ কৰিবলৈ দেশত যি ধৰণৰ প্ৰযুক্তিগত উদ্ভাৱন চলি আছে, সি ভৱিষ্যতে ভাৰতক শক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল কৰি তুলিব। গাঁৱে-ভূঁঞে বিজুলী আৰু ইণ্টাৰনেট সেৱা উপলব্ধ হোৱাৰ ফলত সমাজৰ সকলো শ্ৰেণীৰ মানুহে আজি দেশৰ মূল সোঁতৰ লগত একাত্ম হ'ব পাৰিছে। এই আধুনিক আন্তঃগাঁথনিয়ে কেৱল মানুহৰ অহা-যোৱাৰ সুবিধা কৰি দিয়াই নহয়, বৰঞ্চ ই নতুন নতুন উদ্যোগ আৰু সংস্থাপনৰ সুযোগ সৃষ্টি কৰিছে। এখন মহাশক্তি হোৱাৰ বাবে যি বিশাল আৰু শক্তিশালী ভৌতিক ভেটিৰ প্ৰয়োজন, ভাৰতে বৰ্তমান সেই ভেটিটোকেই দিনে-নিশাই নিৰ্মাণ কৰি আছে আৰু ইয়াৰ সুফল আমি অনাগত সময়ত আৰু অধিক স্পষ্টকৈ দেখিবলৈ পাম।

উন্নয়নৰ এই সকলোবোৰ ইতিবাচক দিশ থকাৰ মাজতো আমি ভাৰতৰ সন্মুখত থকা কিছুমান গুৰুতৰ প্ৰত্যাহ্বানৰ কথা পাহৰিলে নচলিব। দৰিদ্ৰতা নিৰ্মূল আৰু অসমতা হ্ৰাস কৰাটো ভাৰতৰ বাবে এতিয়াও এক ডাঙৰ কাম হৈ আছে। যদিও অৰ্থনীতি বৃদ্ধি পাইছে, তথাপিও সমাজৰ সকলো শ্ৰেণীৰ মানুহে সমানে ইয়াৰ সুফল লাভ কৰা বুলি ক'ব নোৱাৰি। শিক্ষা আৰু স্বাস্থ্যখণ্ডত যিবোৰ শূন্যতা আছে, সেইবোৰ পূৰণ কৰিবলৈ চৰকাৰ আৰু সমাজৰ সকলোৰে সন্মিলিত প্ৰচেষ্টাৰ প্ৰয়োজন। বিশেষকৈ দেশৰ গ্ৰাম্য অঞ্চলসমূহৰ স্বাস্থ্য সেৱাৰ মানদণ্ড উন্নত কৰা আৰু প্ৰতিটো শিশুকে গুণগত শিক্ষা প্ৰদান কৰাটো মহাশক্তি হোৱাৰ পথেৰে আগুৱাই যাওঁতে আটাইতকৈ গুৰুত্ব দিবলগীয়া বিষয়। ইয়াৰ উপৰি জনসংখ্যা বৃদ্ধিৰ লগে লগে খাদ্য সুৰক্ষা আৰু খোৱাপানীৰ সমস্যাৰ দৰে বিষয়সমূহো অনাগত দিনত প্ৰত্যাহ্বান হৈ থিয় দিব পাৰে। জলবায়ু পৰিৱৰ্তনে সৃষ্টি কৰা প্ৰাকৃতিক দুৰ্যোগসমূহৰ সৈতে মোকাবিলা কৰিবলৈ আমি অধিক সক্ষম আৰু সচেতন হ'ব লাগিব। সমাজত থকা বিভাজন আৰু ধৰ্মীয় বা জাতিগত বিবাদসমূহ যদি আমি শান্তিপূৰ্ণভাৱে সমাধান কৰিব নোৱাৰো, তেন্তে ই আমাৰ দেশৰ অখণ্ডতা আৰু প্ৰগতিৰ পথত বাধা হৈ থিয় দিব। কিন্তু ভাৰতীয় সমাজৰ যি সহনশীলতা আৰু ঐক্যবদ্ধ হৈ থকাৰ গুণ আছে, সেই গুণৰ বলতেই আমি এই সকলোবোৰ সমস্যা অতিক্ৰম কৰি আগুৱাই যাব পাৰিম বুলি বিশ্বাস কৰিব পাৰি। সমস্যাবোৰক চিনাক্ত কৰি সেইবোৰৰ বৈজ্ঞানিক আৰু সামাজিক সমাধান বিচৰাটোৱেই হ'ব আমাৰ আচল কৃতিত্ব।

ভাৰতবৰ্ষৰ ভৱিষ্যত দৰ্শন অতি স্পষ্ট আৰু ই কেৱল নিজৰ স্বাৰ্থতে সীমাবদ্ধ নহয়। ভাৰতে বিচাৰে এনে এখন পৃথিৱী য'ত সকলোৰে বাবে সমান সুযোগ থাকে আৰু য'ত কোনো যুদ্ধ বা হিংসাৰ স্থান নাথাকে। ২০৪৭ চনত যেতিয়া ভাৰতে স্বাধীনতাৰ এশ বছৰ সম্পূৰ্ণ কৰিব, তেতিয়া দেশখনক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ যি লক্ষ্য স্থিৰ কৰা হৈছে, সেয়া বাস্তৱায়িত কৰিবলৈ প্ৰতিজন নাগৰিকে আজিৰ পৰাই নিজৰ দায়িত্ব পালন কৰিব লাগিব। মহিলা সবলীকৰণৰ জৰিয়তে সমাজৰ আধা অংশ জনসংখ্যাক যদি আমি অৰ্থনৈতিক আৰু সামাজিক কাম-কাজত পূৰ্ণ পৰ্যায়ত ব্যৱহাৰ কৰিব পাৰো, তেন্তে দেশৰ বিকাশৰ গতি দুগুণ হ'ব। প্ৰতিজন ভাৰতীয়ই যদি নিজৰ কৰ্মক্ষেত্ৰত সততা আৰু নিষ্ঠাৰে কাম কৰে, তেন্তে ভাৰতক পৃথিৱীৰ শ্ৰেষ্ঠ দেশ হিচাপে গঢ়ি তোলাৰ পৰা কোনেও ৰখাব নোৱাৰে। ভাৰতৰ এই উত্তৰণ কেৱল এক ৰাজনৈতিক বা অৰ্থনৈতিক বিজয় নহয়, ই হ'ব এক সত্য আৰু ন্যায়ৰ বিজয়। বিশ্বই আজি ভাৰতৰ ফালে আশাৰ চকুৰে চাই আছে কিয়নো ভাৰতৰ উত্থানৰ মাজতে সোমাই আছে সমগ্ৰ মানৱ জাতিৰ কল্যাণ। নিজৰ পুৰণি ঐতিহ্যক সাৰথি কৰি আৰু আধুনিক বিজ্ঞানক হাতত লৈ ভাৰতে যি এক নতুন সভ্যতাৰ নিদৰ্শন দাঙি ধৰিছে, সি অনাগত দিনত পৃথিৱীৰ প্ৰতিখন দেশৰ বাবে এক আদৰ্শ হৈ ৰ'ব। ভাৰত এতিয়া আৰু সম্ভাৱনাৰ মাজতে আবদ্ধ হৈ থকা নাই, ই এতিয়া বাস্তৱৰ মাটিত থিয় দি বিশ্বৰ নতুন মহাশক্তি হোৱাৰ দিশত সাহসেৰে খোজ দিছে।

সামৰণিত এই কথাই ক'ব পাৰি যে ভাৰতৰ এই জয়যাত্ৰা অপ্ৰতিৰোধ্য। মহাশক্তিৰ আচল পৰিচয় হৈছে সকলোকে লগত লৈ শান্তি আৰু সমৃদ্ধিৰ পথেৰে আগুৱাই যোৱা। ভাৰতে যুগে যুগে এই শিক্ষা বিশ্বক দি আহিছে আৰু ভৱিষ্যতেও দি থাকিব। আমাৰ দেশৰ মাটি, পানী আৰু বতাহত যি এক সৃষ্টিশীল শক্তি আছে, সি আমাক সদায় নতুন কিবা এটা কৰিবলৈ অনুপ্ৰেৰণা দিয়ে। জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ভাৰতীয়সকলে দেখুওৱা এই মেধা আৰু পৰিশ্ৰমে অনাগত সময়ছোৱাক ভাৰতৰ সোণালী সময় হিচাপে প্ৰতিষ্ঠা কৰিব। বিশ্বৰ ইতিহাসত বহু মহাশক্তিৰ উত্থান আৰু পতন হৈছে, কিন্তু ভাৰতৰ উত্থান হ'ব এক স্থায়ী আৰু কল্যাণকামী উত্থান। আমি সকলোৱে গৰ্বৰে ক'ব পাৰো যে আমি এনে এক সন্ধিক্ষণত বাস কৰিছো য'ত আমাৰ চকুৰ আগতে আমাৰ মাতৃভূমি বিশ্বৰ শ্ৰেষ্ঠ আসনত উপৱিষ্ট হ'বলৈ গৈ আছে। এই মহান যাত্ৰাত প্ৰতিজন ভাৰতীয়ই একোজন সৈনিকৰ দৰে কাম কৰি দেশক সমৃদ্ধিৰ শিখৰলৈ লৈ যোৱাৰ সংকল্প লোৱাটোৱেই বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজন। ভাৰতৰ এই সম্ভাৱনা এতিয়া এক বিশাল বটবৃক্ষলৈ ৰূপান্তৰিত হৈছে যাৰ ছাঁত অনাগত দিনত সমগ্ৰ বিশ্বই আশ্ৰয় আৰু শান্তি লাভ কৰিব।

*লেখকৰ ঠিকনা -*
*মাধৱ গাঁও, জামুগুৰিহাট,*
*শোণিতপুৰ, অসম*

# আজিৰ অসমীয়া মধ্যবিত্ত, নিম্ন মধ্যবিত্ত পৰিয়ালবোৰ




**পাৰ্থ প্ৰতিম মজুমদাৰ**

কিছুদিন আগতে Penguin Publicationৰ দ্বাৰা প্ৰকাশিত Upamanyu Chatterjee য়ে লিখা The Last Burden শীৰ্ষক কিতাপখন পঢ়ি এই লেখাটো লিখিবলৈ আগ্ৰহী হ'লো। আজিৰ তাৰিখত অসমৰ অসমীয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালবোৰৰ জয়মুৰি আয় প্ৰায় পোন্ধৰ হাজাৰ টকা। অৰ্থাৎ এই পোন্ধৰ হাজাৰ টকাৰে পৰিয়ালটো চলাব লাগিব। সেয়েহে অসমীয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালে পৰিয়ালটোৰ খুচুৰা খৰচ কমাব লাগিব। আমিবোৰে অনুভৱ কৰিব লাগিব যে খুচুৰা খৰচ হৈছে আমাৰ গোপন শত্ৰু। এইবিধ খৰচ যিমানেই বাঢ়িব, গম নোপোৱাকৈ আমাৰ হাতৰ পৰা এটা মোটা অংকৰ টকা ওলায় যাব। অসমীয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালত বস্তুকেন্দ্ৰিক প্ৰয়োজনীয়তা যথেষ্টখিনি বাঢ়িছে। চাৰিওফালে গঢ় লৈ উঠা Shopping Mall আৰু এইবোৰত গৈ বজাৰ কৰি নিজক নতুন ধনী বুলি গৌৰৱ অনুভৱ কৰিব লৈছো আমিবোৰে। দৰাচলতে ইমান প্ৰয়োজন নে? আমি গম নোপোৱাকৈ এটা বস্তু কিনিবলৈ গৈ আমি কিমান যে বস্তু আনিব লগা হয়, নিজক প্ৰশ্ন কৰিলেই ইয়াৰ উত্তৰ নিজে পোৱা যাব। তাৰ পিছত Mall ৰ পৰা নামি restaurant ত কিবা এটা খোৱাৰ নতুন অভ্যাস! বাহিৰত Dinner কৰি আজিৰ মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তই নিজক বাংগালোৰত জীৱনশৈলীৰ লগত নিজক ৰিজাব খোজে। এবাৰ ভাবিবচোন, এনে জীৱনশৈলীৰ কাৰণে আমাৰ চাৰিওফালৰ পৰা অপকাৰ হোৱা নাই জানো! এই ক্ষেত্ৰত ঘৰখনৰ পুৰুষ মহিলা উভয়ে পুঁজিবাদী সকলৰ মেৰপাকৰ পৰা নিজক বচাব লাগিব। পুঁজিপতি সকলে ভালকৈ জনা হৈছে আমাৰ দুৰ্বলতা ক'ত! তেওঁলোকে আমাক আকৰ্ষিত কৰিবলৈ আমাৰ দৈনন্দিন জীৱনত প্ৰয়োজনীয় যেন অনুভৱ হোৱা বিভিন্ন ৰকমৰ বস্তুৰ বিজ্ঞাপন আমাৰ মাজত এৰি দিয়ে আৰু আমি গম নোপোৱাকৈ এইবোৰে আমাক গিলিব লয়। এইসকল Marketingৰ ক্ষেত্ৰত ইমানে পাকৈত যে ৰাতিপুৱাৰ পৰা ৰাতিলৈ আৰু পৰিয়ালৰ বৃদ্ধৰ পৰা নৱজাতকটো লৈ সকলোৰে একেখন Mall ত বস্তু উপলব্ধ কৰাইছে। তেওঁলোকে যুক্তি দিব আমি গ্ৰাহকৰ সময় বচাইছো, প্ৰয়োজনীয় বস্তুবোৰ একে ঠাইতে দিছো কিন্তু ইষ্ট ইণ্ডিয়া সদৃশ এইবোৰে কেতিয়াও নকয় যে আমি গ্ৰাহক সকলক প্ৰতিদিনে Greedy আৰু Luxuryৰ মেৰপাকত সুমুৱাই লৈ গৈ আছো। এয়া নিৰ্মম সত্য।

আজিৰ সময়ত Flipkart, Amazonৰ দৰে কোম্পানীসমূহৰ ল'ৰাবোৰে আপোনাৰ ওচৰত থকা ডাকোৱাল জনতকৈ বেছি ভালকৈ আপোনাৰ ঘৰটো চিনি পায়। Big sell, Puja offer, Dhamaka Offer, Buy 1 Get 1, 75% discount আদি বিভিন্ন ফান্দ আমাৰ পৰিয়ালবোৰলৈ সাজু কৰি ৰাখে যাতে কোনোবা নহয় কোনোবা এটা মাহত পৰিয়ালটোৱে এই জালত পৰে। Smart Phone আৰু Buy Now Pay later আদি হোৱাৰ পিছত তেওঁলোকৰ কাম আৰু বেছি সহজ হ'ব লৈছে। এবাৰ এই website বোৰত কিবা বস্তু চোৱাৰ পিছতেই আমাৰ ফোনত এই বস্তুবোৰৰ Notification আহি থাকে। এটা সময়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে যেনেকৈ আমি গম নোপোৱাকৈ আমাক লুটিছিল, আজিৰ তাৰিখত এইবোৰ দ্বিতীয় ইষ্ট ইণ্ডিয়া কোম্পানী সদৃশ নহয় নে? এই কোম্পানীবোৰৰ পৰা ৰক্ষা কৰাৰ পৰিকল্পনা আমি নিজেই কৰিব লাগিব। নহ'লে এই আন্তঃৰাষ্ট্ৰীয় কোম্পানীবোৰৰ মায়াজালে আমি গম নোপোৱাকৈ আমাৰ পৰিয়ালক থানবান কৰিব।

মধ্যবিত্ত পৰিয়ালৰ খোৱাৰ অভ্যাস পৰিৱৰ্তন কৰাটো আজিৰ সময়ত অত্যন্ত দৰকাৰী। ক্লিক কৰি Order দিয়া যি এক নতুন অভ্যাস গঢ়ি উঠিছে সেই অভ্যাসে আমাৰ শৰীৰত ভয়লগা প্ৰভাৱ পেলাব। "সকলো খাম কিন্তু ঘৰত বনাই হে খাম" এই শপত আমি যেতিয়ালৈ আমি অনুভৱ কৰিব নোৱাৰিম আমাৰ শৰীৰত বিভিন্ন ধৰণৰ অসুখে দেখা দিয়াটো খাটাং। আজিৰ সময়ত আমি নিজে ঘৰত উৎপাদনৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। নিজে হাতেৰে কৰা খেতিৰ পৰা উৎপাদিত শাক পাচলিত যিটো তৃপ্তি পোৱা যায় সেই তৃপ্তি কোবোবাৰ পৰা কিনি অনা বস্তুত পোৱা যাব জানো? আজিৰ সময়ত ধৰণৰ অসুখ! এইবোৰে কিহৰ ইংগিত। আমাৰ খাদ্যাভ্যাস আৰু জীৱনশৈলী আধুনিকতাৰ নামত আমাৰ শৰীৰত কেনেকৈ পাৰ্শ্বক্ৰিয়া কৰিছে ভাবিলেই ভয় লাগে। নিজৰ শৰীৰটোৰ দিবলৈ আমাৰ শৰীৰত এক ঘণ্টাৰ সময় নথকা আমিবোৰে কিহৰ পিছত দৌৰি আছো নিজেই নাজানো। এই দৌৰ প্ৰতিযোগিতাৰ অৰ্থয়েই বা কি য'ত মই মোক প্ৰতিদিনেই বেমাৰী হ'বলৈ আগবঢ়াই দিছো। বৌদ্ধিক কচৰত নাইকিয়া হ'ল, সন্ধিয়া প্ৰাৰ্থনা নকৰা হলো, ধনাত্মক কথাতকৈ ঋণাত্মক কথাত বেছি সোৱাদ পোৱা হলো, গভীৰ আলোচনাতকৈ পাতল কথাবোৰত আমাৰ মনটো বেছি ধাৱমান। নহয় নে?

পৰিয়ালৰ মাজত সকলোতকৈ ডাঙৰ বস্তুটোৱেই হৈছে, ত্যাগ। কোনোৱে ৰাতিপুৱা ৪.৩০ বজাত উঠে কাৰণে ৰাতিপুৱা ৮ বজাত আমি সুন্দৰকৈ অফিচ লৈ যাব পাৰো, সেই অনুভৱ প্ৰতিজনৰেই অনুভৱ হ'ব লাগিব। ৰাতিপুৱা ৪.৩০ বজাত উঠা মানুহ গৰাকীক কেতিয়াবা কথা, কাম আৰু সৰু উপহাৰেৰে কৃতজ্ঞতা স্বীকাৰ কৰা পৰিয়ালৰ প্ৰতিজনে দায়িত্ব। ভাৰতীয় সংস্কৃতিৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ হৈছে আলোচনা (কথা বাৰ্তা), এই আলোচনা আজি অসমীয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ মাজত যথেষ্টখিনি কমিছে। একেলগে ভাত খোৱা অভ্যাস, একেলগে আড্ডা, ধেমালি কৰাৰ সৰু সৰু সুখবোৰৰ দৰকাৰ আমি অনুভৱ নকৰা হ'লো। আজিকালি সকলোবোৰ Neno হ'বলৈ লৈছে। আমাৰ মাজত বাঢ়ি অহা এই Neno চিন্তাই আমাক এদিন শেষ কৰি দিব। পৰিয়ালৰ মাজত বাঢ়ি অহা কৃত্ৰিমতা আৰু অলপ কথাতেই খং কৰি ঘৰৰ পৰা ওলাই অহাৰ যি প্ৰবৃত্তি আমাৰ মাজত বৃদ্ধি হ'ব লৈছে এইবোৰে আমাক এটা সময়ত নভবাকৈ দুৰ্বল কৰি দিব। মতামতৰ মাজত পাৰ্থক্য হোৱাটো ডাঙৰ কথা নহয়, কিন্তু এটা পৰিয়ালত পৰিয়াল বুলি যদি আবেগ নাথাকে আৰু মনবোৰৰ পাৰ্থক্য বাঢ়িব লয় তেন্তে ৰাতিপুৱা ৪.৩০ বজাত উঠি ১২ বজাত শুবলৈ যোৱা সেই গৰাকীয়ে অত্যন্ত কষ্ট পায়। আজি আমি দিয়া কষ্ট পিছলৈ আমিও পাম কাৰণ এই সৃষ্টিয়ে আমি কৰা কামৰ ফল আমাক সুতসহ ঘূৰাই দিয়ে। তেতিয়া দুখ কৰি, অতীত সুঁৱৰি একো লাভ নাই। পৰিয়ালৰ সম্বন্ধবোৰ সম্পৰ্কলৈ ৰূপান্তৰ!

মধ্যবিত্ত পৰিয়ালবোৰ সঁচা অৰ্থত শক্তিশালী নহ'লে অসম শক্তিশালী হ'ব নোৱাৰে। শক্তিশালীৰ অৰ্থ এইটো নহয় যে পৰিয়ালটোৰ কিমান টকাত ধনী বা সম্পত্তি কিমান। আধ্যাত্মিক, শাৰীৰিক, বৌদ্ধিক, সামাজিক এইবোৰ দিশত আমিবোৰে গুৰুত্ব দিবৰ সময় হৈছে। অসমীয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালবোৰে হতাশাগ্ৰস্ত হোৱা যেন হৈছে, দাঙিব নোৱাৰা বোজাত আজি পৰিয়ালৰ মূল ব্যক্তিজন আজি ভাৰাক্ৰান্ত। ঋণ লৈ উপহাৰ দিয়াৰ প্ৰৱণতাক আমি বাদ দিব লাগিব। সুখী পৰিয়াল এইটোয়েই যিটো পৰিয়াল অলপতেই সন্তুষ্ট হয়। যিটো পৰিয়ালে বিপদত পৰাৰ দৰে পৰিয়ালৰ প্ৰতিজনে প্ৰতিজনৰ হাতত ধৰি বিপদ পাৰ নোহোৱালৈকে একগোট হৈ থাকে আৰু যিটো পৰিয়ালত মতানৈক্য হ'লেও আলোচনাৰ দ্বাৰা সমাধান হয়। আজি অসমীয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ প্ৰতিজনে অনুভৱ কৰিব লাগিব যে, পৰিয়ালত যুক্তি আৰু তৰ্কতকৈ পৰিয়ালৰ বৃহৎ স্বাৰ্থত এখোজ পিছুৱাই আহিব পাৰিব লাগিব। পৰিৱৰ্তনৰ কাৰণে উপলব্ধিতকৈ শক্তিশালী অস্ত্ৰ আজিৰ পৃথিৱীত একো নাই। এয়া সময়ৰ আহ্বান।

# ভাৰ্চুৱেল শৈশৱ অন্য এক আতংক

**নিবেদিতা হাজৰিকা**



বৰ্তমান যুগটো হ'ল তথ্য প্ৰযুক্তিৰ যুগ বা ডিজিটেল যুগ। ইয়াৰ অবিহনে যেন সকলো অচল। শিশু সকলো ইয়াৰ দ্বাৰা প্ৰভাৱিত হোৱা পৰিলক্ষিত হৈছে। ভাৰ্চুৱেল শৈশৱৰ আতংক বৰ্তমান সময়ৰ এক ডাঙৰ সমস্যালৈ পৰিণত হৈছে। ইয়াৰ নেতিবাচক প্ৰভাৱ চিন্তাজনক। আগৰ দৰে শিশু সকলে সমনীয়াৰ লগত খেলাৰ পৰিৱৰ্তে হাতত সেই নীৰৱ ঘাটক স্বৰূপ ম'বাইল ফোনটোৰ লগত চকুৰ টিপ নমৰাকৈ একাত্ম হৈ এখন অন্য জগত বিচৰণ কৰে, যিখন জগতৰ বাস্তৱৰ লগত কোনো সম্পৰ্ক নাই। প্ৰাকৃতিক খেল-ধেমালিৰ পৰিৱৰ্তে ম'বাইল, ইণ্টাৰনেট তথা বিভিন্ন ৱেবছাইটৰ মাজত সময় অতিবাহিত কৰাটো আজিৰ সময়ৰ এটি পৰিচিত দৃশ্য। এই আসক্তিয়ে সন্তানক বহুত ক্ষতি কৰিছে। ভাৰ্চুৱেল পৃথিৱীৰ গ্ৰাসৰ পৰা শিশু, সন্তানক উলিয়াই আনিব পৰাটো অভিভাৱকৰ বাবে এক প্ৰত্যাহ্বান যদিও সঠিক ৰূপত নিৰ্দেশনা দিব পাৰিলে বা জানিলে শিশু সকলক নিশ্চয়কৈ এই আসক্তিৰ পৰা ৰক্ষা কৰিব পৰা যাব। সঠিক পথত শিশু সকলক পৰিচালনা কৰাৰ সময় আহি পৰিছে। শিশু সকলক সঠিক পথ নিৰ্দেশনা দিয়াৰ প্ৰয়োজন আহি পৰিছে। এই ক্ষেত্ৰত শিশু সকলৰ অনলাইন এক্টিভিটি মনিটৰ কৰা উচিত। শিশু সকলক অনলাইন ছেফটিৰ বিষয়ে শিক্ষা দিয়া উচিত, শিকোৱা উচিত। শিশু সকলক সঠিকভাৱে পৰিচালনা নকৰিলে এক ভয়ানক সংকট নামি আহিব। শিশু সকলক ভাৰ্চুৱেল জগতৰ লোভনীয় প্ৰলোভনৰ পৰা ৰক্ষা কৰিবলৈ অভিভাৱক সকল তথা সমাজৰ অন্য লোক সকলো সজাগ-সচেতন হ'ব লাগিব। বৰ্তমান সময়ত শিশু সকলৰ ভাৰ্চুৱেল প্ৰীতি বা আগ্ৰহ এক আসক্তিলৈ পৰিণত হৈছে বুলি ক'ব পাৰি। যিয়ে শাৰীৰিক, মানসিক তথা মানসিক দিশত বিশেষ ভাৱে প্ৰভাৱিত কৰা পৰিলক্ষিত হৈছে। সেয়ে সময় থাকোঁতেই ভাৰ্চুৱেল পৃথিৱী খনৰ পৰা শিশু সকলক উদ্ধাৰ কৰিবলৈ সকলোৱে যত্ন পৰ হোৱা উচিত। ভাৰ্চুৱেল পৃথিৱী, বাস্তৱ পৃথিৱীৰ পৰা সম্পূৰ্ণ পৃথক। সেয়ে শৈশৱৰ কালত এই পৃথিৱীখনৰ পৰা আঁতৰাই নাৰাখিলে আমাৰ সম্পদ সমূহ কলিতেই মৰহি যাব। অভিভাৱকে হাজাৰ ব্যস্ততাৰ মাজতো সন্তানক সময় দিয়া উচিত। সন্তানক আজৰি সময় উলিয়াই অলপ প্ৰকৃতিৰ সান্নিধ্য দিবলৈ যত্ন কৰা উচিত।

শিশু সকলৰ শৈশৱৰ কালতো খেল-ধেমালি, প্ৰকৃতিৰ লগত, সমনীয়াৰ লগত অতিবাহিত হ'লে যি আনন্দ পোৱা যায় সেই আনন্দৰ পৰা আজিৰ শিশু সকলৰ যেন বঞ্চিত হৈছে। ৰুটিনবদ্ধ জীৱনে শিশু সকলৰ শৈশৱৰ হাঁহি-ধেমালি সমূহটো কাঢ়ি নিয়াৰ দৰে হৈছে, ইয়াৰ লগতে ভাৰ্চুৱেল জগতৰ ত্ৰাস। এই বিষয় সমূহ একেবাৰেই উলাই কৰা উচিত নহয়। সেয়ে অভিভাৱক সকল সজাগ আৰু সচেতন হোৱাটো বৰ্তমান সময়ৰ এক বিশেষ আহ্বান।

চিকিৎসাৰ বাবে সহায় বিচাৰি মুখ্যমন্ত্ৰী-ৰাইজলৈ কাতৰ আহ্বান

# ৯ বছৰ বয়সতে যন্ত্ৰণাকাতৰ জীৱন কটাইছে দৌলাশালৰ নীলপৱন বৰ্মনে

## স্তব্ধ হৈ পৰিছে জীৱনৰ গতিপথ; বিছনাখনেই একমাত্ৰ সংগী

**অসম বাৰ্তা, দৌলাশাল, ৫ মাৰ্চ ঃ** পখিলা খেদি ফুৰাৰ বয়সতে ফুলকুমলীয়া শিশু এটাৰ জীৱনলৈ হঠাতে নাম আহিছে অমানিশা। তিনি মাহ পূৰ্বলৈকে হাঁহি-ধেমালিৰে দৌৰি ফুৰি খেলি থকা মৰমলগা শিশুটিৰ এতিয়া বিছনাখনেই যেন সংগী হৈ পৰিছে। পুত্ৰৰ যন্ত্ৰণাকাতৰ জীৱন প্ৰত্যক্ষ কৰি চকুলোৰে বাট নেদেখা অৱস্থাৰ সৃষ্টি হৈছে শিশুটিৰ পিতৃ-মাতৃৰ। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত দৌলাশাল গাঁৱৰ ঘামেশ্বৰ বৰ্মন আৰু চাৰু বৰ্মনৰ একমাত্ৰ পুত্ৰ সন্তান নীলপৱন বৰ্মনে এক অচিন ৰোগত আক্ৰান্ত হৈ যন্ত্ৰাণাকাতৰ জীৱন অতিবাহিত কৰি আছে। সমনীয়াৰ স'তে খেলি ভাল পোৱা নীলপৱনৰ এতিয়া বিছনাখনেই একমাত্ৰ সংগী হৈ পৰিছে। পশ্চিম বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত দৌলাশালস্থিত শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ নীলপৱনে যোৱা ৩ মাহ ধৰি বিছনাত শুই শুইয়েই যন্ত্ৰণাদায়ক সময় অতিবাহিত কৰিছে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি যোৱা ১৩ ডিচেম্বৰৰ পৰা নীলপৱনে সঘনাই শৌচ কৰিবলৈ ধৰে। পাঁচদিন ধৰি সুস্থ হৈ নুঠাত পৰিয়ালৰ লোকে শিশুটিক মুকালমুৱা মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। পৰিয়ালৰ লোকে সদৰী কৰা অনুসৰি ১৮ ডিচেম্বৰত শিশুটিক চিকিৎসালয়ত চেলাইন আৰু বেজী দিয়াৰ ব্যৱস্থা কৰে। তপিনাত বেজী এটা দিয়াৰ পাছৰ পৰাই শিশুটিৰ ভৰিৰ বিষ আৰম্ভ হয় আৰু দুয়োখন ভৰি ক্ৰমাৎ দুৰ্বল হৈ পৰে বুলি জানিবলৈ দিয়ে। এদিন-দুদিন যোৱাৰ পাছৰে পৰা শিশুটিয়ে খোজ কাঢ়িব নোৱাৰা হৈ পৰে। পৰৱৰ্তী সময়ত শিশুটিক গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰাইছিল যদিও সুস্থ হৈ নুঠিল। পাছত শিশুটিক গুৱাহাটী মেডিকেল কলেজ হস্পিটালত ভৰ্তি কৰায় চিকিৎসা কৰি আছে যদিও আজি পৰ্যন্ত কোনো পৰিৱৰ্তন হোৱা নাই। সম্প্ৰতি বিছনাখনেই সংগী হৈ পৰিছে এই কণমানি মৰমলগা শিশুটিৰ। সমনীয়াৰ স'তে খেল-ধেমালি, স্কুল যোৱাটো দূৰৈৰে কথা শিশুটিয়ে এতিয়া উঠিবই নোৱাৰে। উপায়হীন হৈ একমাত্ৰ পুত্ৰক সুস্থ কৰি তুলিবলৈ এতিয়া উন্নত চিকিৎসাৰ বাবে বহিঃৰাজ্যলৈ নিবলৈ বিচাৰিছে যদিও অৰ্থৰ অভাৱত সেয়াও কৰিব পৰা নাই নিঃকিন পিতৃ-মাতৃয়ে। দিন হাজিৰা কৰি কোনোমতে জীয়াই থকা পৰিয়ালটোৱে অসমবাসী ৰাইজৰ পৰা বিচাৰিছে সহায় ভিক্ষা। একমাত্ৰ পুত্ৰক সুস্থ কৰি তুলিবলৈ পিতৃ-মাতৃয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰাও বিচাৰিছে সহায়। যদিহে কোনো হৃদয়বান ব্যক্তিয়ে শিশুটোক আৰ্থিকভাৱে সহায় কৰিব বিচাৰে তেন্তে শিশুটিৰ মাতৃ চাৰু বৰ্মনৰ দৌলাশালস্থিত ভাৰতীয় ষ্টেট বেংকৰ 44189068896 (SBIN0018509) ত ধন জমা কৰি সহায় কৰিব পাৰে। অন্যথা 7577969207 নম্বৰত ফোন কৰিও সহায় কৰিব পাৰে পৰিয়ালটিক। মৰমলগা শিশুটিয়েও কৰযোৰে সহায়ৰ বাবে প্ৰাৰ্থনা কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লগতে হৃদয়বান ৰাইজক। হয়তো আপোনাসৱৰ অকণমান সঁহাৰি মৰমসনা শিশুটিয়ে স্বাভাৱিক জীৱন ওভোতাই পাব আৰু সমনীয়াৰ স'তে বিদ্যালয়লৈ গৈ খেল-ধূলা কৰিব পাৰিব।

# ফাকুৱাৰ মাজতে লজ্জাজনক কাণ্ড; সুৰামত্ত অৱস্থাত যুৱতীক নিৰ্যাতনৰ অভিযোগ

**অসম বাৰ্তা, লেংটিছিঙা, ৫ মাৰ্চ ঃ** ফাকুৱা উৎসৱৰ আনন্দমুখৰ পৰিৱেশৰ মাজতে সংঘটিত এক লজ্জাজনক ঘটনাই সমগ্ৰ অভয়াপুৰী অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ অনুসাৰে সুৰামত্ত অৱস্থাত ৰং দিয়াৰ ছলেৰে এগৰাকী যুৱতীক নিৰ্যাতন কৰাৰ লগতে এগৰাকী কলেজীয়া ছাত্ৰক প্ৰহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযুক্তজন হৈছে অভয়াপুৰী বিদ্যুৎ বিভাগৰ কনিষ্ঠ অভিযন্তা ন-দেউৰী বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসাৰে, ফাকুৱা উপলক্ষে অনুষ্ঠিত এক অনুষ্ঠানৰ সময়তে এই ঘটনা সংঘটিত হয়। স্থানীয় সূত্ৰই জানিবলৈ দিয়ে যে অভিযুক্ত বিষয়া গৰাকী সুৰামত্ত অৱস্থাত উপস্থিত হৈ প্ৰথমে ৰং দিয়াৰ চলেৰে এগৰাকী যুৱতীৰ ওচৰ চাপি অসংগত আচৰণ কৰে। যুৱতীগৰাকীয়ে প্ৰতিবাদ জনোৱাৰ পাছতে পৰিস্থিতি উত্তপ্ত হৈ উঠে। ঘটনাৰ পিছতেই স্থানীয় ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু দোষীৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থাৰ দাবী জনায়। বহু লোকে কয় যে উৎসৱৰ নামত এনে অসামাজিক আৰু নিন্দনীয় আচৰণ কেতিয়াও সহ্য কৰা নহব। বিশেষকৈ একজন চৰকাৰী বিষয়াৰ পৰা এনে আচৰণ অতি দুখজনক আৰু অগ্ৰহণযোগ্য বুলিও ৰাইজে মন্তব্য কৰে। ঘটনা সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি অভিযুক্ত বিষয়া গৰাকীয়ে কয় "ফাকুৱা বুলি অলপ খাই দিলো" নিচা অলপ বেচিয়ে হৈছিল। তেওঁৰ এই মন্তব্যই জনমত অধিক উত্তেজিত কৰি তুলিছে। বহুতে কয় যে সুৰাপান কোনেপধ্যে এনে আচৰণ যুক্তিসংগত অজুহাত হ'ব নোৱাৰে আৰু আইন অনুসাৰে দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লব লাগিব। ইফালে, অভিযুক্তৰ ভিত্তিত অভয়াপুৰী আৰক্ষীয়ে কনিষ্ঠ অভিযন্তাক আটক কৰি অধিক তদন্ত আৰম্ভ কৰিছে। এই ঘটনাই পুনৰবাৰ সমাজত নাৰী সুৰক্ষাৰ প্ৰশ্নটো উত্থাপন কৰিছে। সচেতন মহলে প্ৰকাশ কৰি কয় যে উৎসৱৰ সোমায়চোৱাত আৰক্ষী অধিক তৎপৰতা আৰু জনসচেতনা বৃদ্ধি কৰা অতি প্ৰয়োজন। নহ'লে এনে ধৰণৰ ঘটনা সমাজত ভুল বাৰ্তা প্ৰেৰণ কৰে আৰু নাৰী নিৰাপত্তাৰ ক্ষেত্ৰত গুৰুতৰ প্ৰভাৱ পেলাই। বৰ্তমান সমগ্ৰ অঞ্চলজুৰি ঘটনাটোক লৈ আলোচনা অব্যাহত আছে। ৰাইজে আশা প্ৰকাশ কৰিছে যে তদন্তৰ অন্তত সত্য পোহৰ লৈ আহিব আৰু দোষীক উপযুক্ত শাস্তি প্ৰদান কৰা হ'ব।

দলীয় নেতৃত্ববৃন্দই সমষ্টিয়ে সমষ্টিয়ে এতিয়া শিপাৰ সন্ধান বিচাৰি আছে ঃ সাংসদ ফণীভূষণ চৌধুৰী

# ছয়গাঁৱত অগপ নেতা ডাঃ কমলাকান্ত কলিতাৰ নেতৃত্বত বিশাল সংকল্প সমাৰোহ

## মই অগপ দলৰ সভাপতি নহয়, বেছি কথা ক'লে মই ৰোষত পৰিম ঃ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য



**অসম বাৰ্তা, ছয়গাঁও, ৫ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান দিন বাকী। এনে সময়তে আজি ছয়গাঁৱত অনুষ্ঠিত হয় অগপ দলৰ সংকল্প সমাৰোহ। হাজাৰ হাজাৰ মানুহ এই সংকল্প সমাৰোহত উপস্থিত থাকে। অগপ দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাৰ নেতৃত্বত এই সংকল্প সমাৰোহ আৰম্ভ হয়। সমাৰোহত উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য। তেওঁ ভাষণত অগপ দলে পূৰ্বতকৈ বেছি আসন পাব বুলি আশাবাদী। ডাঃ কমলাকান্ত কলিতাই পলাশবাৰী সমষ্টিত অগপ দলৰ হৈ টিকট পাব নে বুলি সাংসদ বৈশ্যক সাংবাদিকে প্ৰশ্ন উত্থাপন কৰোঁতে তেওঁ কয় যে- মই অগপ দলৰ সভাপতি নহয়, বেছি কথা কলে মই ৰোষত পৰিম। তথাপিও তেওঁ পলাশবাৰী সমষ্টিত অগপ দলৰ ভেটি যে শক্তিশালী সেই কথা আজিৰ সভাখনে প্ৰমাণ কৰে বুলি কয়। আনহাতে সভাত বঙাইগাঁৱৰ সাংসদ ফণীভূষণ চৌধুৰী উপস্থিত থাকি ছয়গাঁৱত অনুষ্ঠিত অগপ দলৰ আজিৰ সংকল্প সমাৰোহত দলৰ কেন্দ্ৰীয় নেতৃত্ববৃন্দই সমষ্টিয়ে সমষ্টিয়ে এতিয়া শিপাৰ সন্ধান বিচাৰি আছে বুলি উল্লেখ কৰি যিটো দলত অগপ বা বিজেপিৰ যি প্ৰাৰ্থী জয়ী হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে তেনে প্ৰাৰ্থীকে সমষ্টিটো এৰি দিব বুলি কৈ বিধায়ক নহ'লেও বা টিকট নাপালেও বিভিন্ন নেতাক বিভিন্ন ধৰণে সংস্থাপিত কৰিব পাৰিব বুলি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। আনহাতে সাংসদ ফণীভূষণ চৌধুৰীয়ে আজিৰ ছয়গাঁৱৰ সভাত ৰাইজৰ উপস্থিতিয়ে পুনৰ প্ৰমাণ কৰিলে সমষ্টিটোত যে ডাঃ কমলাকান্ত কলিতাৰ জনপ্ৰিয়তা আছে। সভাৰ আৰম্ভণিতে অগপ নেতা তথা প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাই ভাষণত বিজেপি দলে পলাশবাৰী সমষ্টিটো অগপ দলক এৰি দিয়াটো ১০০ শতাংশ আশাবাদী বুলি কয়। কমলাকান্ত কলিতাই অগপ দল আৰু বিজেপি দলৰ মিত্ৰতাৰ আলোচনা চলি আছে। চূড়ান্ত হোৱালৈকে বহু বাকী। এক ঘণ্টাতে সকলো সলনি হয়, আনকি কেতিয়াবা দেশৰ প্ৰধানমন্ত্ৰীও এক ঘণ্টাতে সলনি হয়। মই পলাশবাৰী সমষ্টিত টিকট পামেই। সময়লৈকে বাট চাম। কাৰণ, পলাশবাৰী সমষ্টিত অগপৰ ভেটি এতিয়াও শক্তিশালী। গতিকে পলাশবাৰী সমষ্টিটো বিজেপিয়ে অগপক এৰি দিয়াৰ পূৰ্ণ সম্ভাৱনা আছে বুলি কয় কমলাকান্ত কলিতাই। দক্ষিণ কামৰূপৰ ছয়গাঁও হৰি মন্দিৰ প্ৰাঙ্গণত অনুষ্ঠিত হৈছিল অসম গণ পৰিষদ দলৰ সংকল্প সমাৰোহ। ২৯ নং পলাশবাৰী বিধানসভা সমষ্টিৰ এই বিশাল সংকল্প সমাৰোহত অগণন দলীয় কৰ্মী উপস্থিত থাকে। সংকল্প সমাৰোহৰ পূৰ্বে বহুৰঙী নৃত্য, ভূপেন হাজৰিকাৰ কালজয়ী গীত আৰু জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰে স্থানীয় শিল্পী সকলে। অগপ দলৰ কামৰূপ জিলা সমিতিৰ সভাপতি খগেন নাথে সভাপতিত্ব কৰা সভাখনত অগপ দলৰ সমষ্টি কমিটিৰ সভাপতি চন্দ্ৰ কান্ত কলিতাই আদৰণি ভাষণ প্ৰদান কৰে। সভাখনত অগপ দলৰ কেন্দ্ৰীয় উপ সভাপতি হিৰণ্য কোঁৱৰ, প্ৰাক্তন বিধায়ক জ্যোতি প্ৰসাদ দাস, জেষ্ঠ অগপ নেতা তথা অৱসৰপ্ৰাপ্ত শিক্ষক মহেশ কলিতা উপস্থিত আছিল।

৬ মাৰ্চত মুক্তিলাভ পাব লগা ৰীমা দাসৰ "ভিলেজ ৰকষ্টাৰ্চ-২"ৰ গীত মুকলি

# গঞা ৰাইজৰ লগত ফাকুৱা উৎসৱ পালন কৰিলে আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসে

**অসম বাৰ্তা, ছয়গাঁও, ৫ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ দ-গাঁও কালাৰদিয়া গাঁৱৰ এটা সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত আজি আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসে "ভিলেজ ৰকষ্টাৰ্চ-২"ৰ গীতৰ শুভমুক্তি দিয়ে। উক্ত অনুষ্ঠানত উপস্থিত আছিল গাঁৱৰ সহজ-সৰল মানুহৰ লগতে শিল্পী, কলা-কুশলী আৰু ছয়গাঁৱৰ স্থানীয় সাংবাদিক সকল। তাৰ পূৰ্বে ছয়গাঁও শিল্পী সমাজৰ উদ্যোগত লোকশিল্পী সুকুমাৰ মেধিয়ে হোলিগীত গাই পৰিৱেশ সুন্দৰ কৰি তোলে। চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ লগতে ছবিখনৰ কলা কুশলী সকলে এই ফাকুৱা উৎসৱত অংশগ্ৰহণ কৰে। মাটিৰ গোন্ধ থকা চিনেমাখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে ভুৱন ভাৰ্গৱ দাস, সুকন্যা বৰুৱা, মৃণ্ময় দাস, বাসন্তী দাস আৰু ভনীতা দাসে। সংগীত পৰিচালনা কৰিছে পল্লৱ তালুকদাৰে। আজিৰ অনুষ্ঠানত কণ্ঠশিল্পী ভূমি কৌশিক উপস্থিত আছিল। ৰীমা দাস আশাবাদী ছবিখন ৰাইজে আদৰি লব।

# চামগুৰিৰ সোণাৰীবালিত পথ দুৰ্ঘটনাত বৃদ্ধা মহিলা নিহত

**অসম বাৰ্তা, পুৰণিগুদাম, ৫ মাৰ্চ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰীবালি আৰু কলংপাৰ সংযোগী পথত আজি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এগৰাকী বৃদ্ধা মহিলা নিহত হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰীবালি আৰু কলংপাৰ সংযোগী পথত আজি কুলবানো (৭৫) নামৰ মহিলা গৰাকীয়ে খোজকাঢ়ি গৈ থকা অৱস্থাত এ- এছ- ০২- বি- চি- ৩৩৯৭ নম্বৰৰ তীব্ৰবেগী টাটা ডি আই গাড়ীখনে মহতিয়াই নিয়ে। ফলত মহিলাগৰাকীৰ মৃত্যু হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ মহিলা গৰাকীৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# বিহালীৰ চেৰেলীয়াত ইটা ভৰ্ত্তি বাহন দুৰ্ঘটনা পতিত; এজন গুৰুতৰভাৱে আহত

**অসম বাৰ্তা, জিনজিয়া, ৫ মাৰ্চ ঃ** বিহালীৰ চেৰেলীয়া চেণ্টাৰৰ সমীপত ইটা ভৰ্ত্তি বলেৰ' বাহন দুৰ্ঘটনাগ্ৰস্ত। কোনো মতে চালক আৰু কৰ্মচাৰীৰ প্ৰাণ ৰক্ষা। জানিব পৰা মতে বৰগাঙৰ পৰা গহপুৰ অভিমুখে ইটা লৈ গৈ থকাৰ অৱস্থাত ইটা ভৰ্ত্তি বাহনখন চেৰেলীয়াত নিয়ন্ত্ৰণ হেৰুৱাইবাগৰি পৰে। উল্লেখ্য যে বাহনখনৰ চকা এটা খুলি গৈ এজন লোকক প্ৰচণ্ড খুন্দা মৰাত লোকজন গুৰুতৰভাৱে আহত হয়, লাগে লগে চিকিৎসিলয়লৈ প্ৰেৰণ কৰে, তদুপৰি বাহনৰ চকাটোৱে অন্য এখন বাহনত খুন্দা মাৰে, দুৰ্ঘটনাত পতিত বাহনখনৰ নম্বৰ- AS32C1671, ঘটনাস্থলীত বিহালী আৰক্ষী উপস্থিত হৈ গাড়ীখন থানালৈ লৈ যায়।

গা ধুবলৈ গৈ পুঠিমাৰী নৈত সলিল সমাধি তিনি যুৱকৰ

# ফাকুৱাৰ আনন্দৰ মাজতে হাজোত হৃদয় বিদাৰক ঘটনা

**অসম বাৰ্তা, হাজো, ৫ মাৰ্চ ঃ** ৰাজ্যজুৰি ফাকুৱাৰ আনন্দ উল্লাসৰ মাজতে তীৰ্থনগৰী হাজোত সংঘটিত হৈছে এক হৃদয় বিদাৰক ঘটনা। ফাকুৱাৰ আনন্দ উপভোগ কৰিবলৈ আয়োজন কৰা ভোজ ভাত খাবলৈ গৈ নৈৰ বুকুত সলিল সমাধি ঘটিল তিনি উদীয়মান যুৱকৰ। উল্লেখ্য যে ৪ মাৰ্চ তাৰিখে তীৰ্থ নগৰী হাজোত ফাকুৱা উপলক্ষে সাত বন্ধুৱে মিলি ভোজ-ভাত খাবলৈ গৈছিল হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত নয়নপুৰস্থিত পুঠিমাৰী( লখাইতৰা) নৈৰ ঘাটলৈ। জানিব পৰা মতে, দিনৰ প্ৰায় তিনি বজাত ৰন্ধন কাৰ্য সমাপন হোৱাৰ পিছত নৈত গা ধুবলৈ নামিছিল তিনি বন্ধুৱে। নৈত নমাৰ পিছতে হঠাৎ নৈৰ বুকুত সন্ধানহীন হৈ পৰে ক্ৰমে নয়নপুৰৰ জয়প্ৰকাশ কলিতা(২৮), পাখামেলাৰ বিশাল দাস(২৩) আৰু শান্তিপুৰৰ সন্দীপ কলিতা (২২) নামৰ তিনিজন যুৱক। এই খবৰ বিয়পি পৰাৰ লগে লগে হুৱাদুৱা লাগে বৃহত্তৰ অঞ্চলজুৰি। তিনি যুৱকক বিচাৰি



নৈৰ বুকুত এছ ডি আৰু এফ আৰু স্থানীয় প্ৰশাসনে নাও লৈ লগে লগে অভিযান চলাই। কিন্তু দুঘণ্টা ধৰি নৈৰ বুকুত অভিযান চলাইও যুৱক তিনিজনক বিচাৰি নাপাই গুৱাহাটীৰ পৰা অহা এন ডি আৰ এফৰ দলৰ সহায় লোৱা হয়। অৱশেষত নিশা প্ৰায় ন বজাত এন ডি আৰ এফৰ দলে নৈৰ বুকুৰ পৰা তিনি যুৱকৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। লগে-লগে স্থানীয় প্ৰশাসনে তিনি যুৱকৰ মৃতদেহ নিশাটো হাজো আৰক্ষী থানাত ৰাখি পুৱাৰ ভাগত মৰোণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পাতাললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে পুঠিমাৰী নৈৰ বুকুত সলিল সমাধি ঘটা নয়নপুৰৰ উমেশ কলিতাৰ পুত্ৰ জয়প্ৰকাশ কলিতা আৰু পাখামেলাৰ জগদীশ দাসৰ পুত্ৰ বিশাল দাস একোজন সুদক্ষ শৰীৰ চৰ্চাবিদ। দুয়োজন যুৱকে শৰীৰ চৰ্চাৰ জৰিয়তে বিভিন্ন প্ৰতিযোগিতাত সাফল্য লাভ কৰি তীৰ্থনগৰী হাজোলৈ সুনাম কঢ়িয়াই আনিছিল। আনহাতে নিখোজ হৈ থকা আনগৰাকী যুৱক হৈছে হাজো শান্তিপুৰ নিবাসী প্ৰাণেশ্বৰ কলিতাৰ পুত্ৰ সন্দীপ কলিতা। ফাকুৱাৰ আনন্দ উল্লাসৰ মাজতে যুৱক তিনিজনৰ আকস্মিক মৃত্যুৰ ঘটনাই সমগ্ৰ তীৰ্থ নগৰী হাজোত শোকৰ ছাঁ পেলাইছে।

# লংকাত মানসিক স্বাস্থ্যৰ সম্বন্ধে সজাগতা সভা

**অসম বাৰ্তা, লংকা, ৫ মাৰ্চ ঃ** লংকাৰ লস্কৰ পাঞ্চালী মাধ্যমিক বিদ্যালয়ত মানসিক স্বাস্থ্যৰ সম্বন্ধে এখন সজাগতা সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানটি কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ বি.এড. দ্বিতীয় বৰ্ষৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলৰ উদ্যোগত আয়োজন কৰা হয়। এই কাৰ্যসূচীত এক্স-চাৰ্ভিচমেন কলনী মধ্য/উচ্চ ইংৰাজী বিদ্যালয় আৰু লস্কৰ পাঞ্চালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰশিক্ষাৰ্থীসকলেও সহযোগিতা আগবঢ়ায়। অনুষ্ঠানটি লস্কৰ পাঞ্চালী মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসমীয়া সংগীত জগতৰ ভোটাতৰা, হিয়াৰ আমঠু তথা হাৰ্টথ্ৰ'ব জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পাছতেই বি.এড প্ৰশিক্ষাৰ্থী সকলৰ তৰফৰ পৰা ভূপেন হাজৰিকাদেৱৰ "মানুহে মানুহৰ বাবে" গীতটো পৰিৱেশন কৰা হয়। তাৰ পিছত উপস্থিত অতিথি আৰু শিক্ষকসকলক আদৰণি জনোৱা হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত আছিল কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমান। তেওঁ নিজৰ ভাষণত মানসিক স্বাস্থ্যৰ গুৰুত্ব সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ কয় যে বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত মানসিক চাপ বৃদ্ধি পাইছে আৰু সেই সমস্যাৰ সমাধানৰ বাবে সজাগতা অত্যন্ত প্ৰয়োজনীয়। সুস্থ মন আৰু ইতিবাচক চিন্তাধাৰাই এজন ব্যক্তিক সফল জীৱন গঢ়ি তুলিবলৈ সহায় কৰে বুলিও তেওঁ উল্লেখ কৰে। সভাখনত উপস্থিত থাকে কৃষ্ণ বৰা বি. এড মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক লক্ষ্যজ্যোতি বৰা। অনুষ্ঠানৰ অংশ হিচাপে শিক্ষক প্ৰশিক্ষাৰ্থীসকলে মঞ্চত এখন নাটক প্ৰদৰ্শন কৰে, যাৰ মূল বিষয় আছিল মানসিক চাপ, হতাশা আৰু সেই সমস্যাবোৰ কেনেকৈ অতিক্ৰম কৰিব পাৰি। নাটকখন ছাত্ৰ-ছাত্ৰীৰ মাজত বিশেষ সঁহাৰি লাভ কৰে আৰু উপস্থিত সকলোৱে ইয়াক অত্যন্ত প্ৰশংসা কৰে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে মানসিক স্বাস্থ্যৰ গুৰুত্ব আৰু ইয়াক কেনেকৈ সুৰক্ষিত কৰি ৰাখিব পাৰি সেই বিষয়ে মতামত প্ৰকাশ কৰে। শেষত প্ৰশিক্ষাৰ্থী সকল ক্ৰমে, ৰমাকান্ত সিংহ, প্ৰিয়ংকা ঘিমিৰে, পপী শইকীয়া, ইশা ঘিমিৰে, পংখি গগৈ, দেৱলিনা শৰ্মা ভৰালী, জিনা ভৰালী, দেৱাশিস বৰুৱা, বৰ্ষা শৰ্মা, কৃষ্ণনন্দ সিংহ, টিনামণি ৰেগণ, ৰশ্মি চৰকাৰ, অমানিশা গগৈ, তনুজ হাজৰিকা, মামণি কুমাৰী চৌহান, আৰু লগতে সকলো অতিথি, শিক্ষক আৰু ছাত্ৰ ছাত্ৰীৰ প্ৰচেষ্টাত সভাখন সফলতাৰে সম্পন্ন হয় আৰু শেষত প্ৰিয়ংকা ঘিমিৰেই সকলোকে সভাখন সফল কৰা বাবে শলাগৰ শৰাই আগবঢ়াই, আৰু ৰাষ্ট্ৰীয় সংগীতেৰে অনুষ্ঠানটি সফলতাৰে সমাপ্ত হয়।

# বিজনীত ড্ৰাগছসহ গ্ৰেপ্তাৰ দুটা সৰবৰাহকাৰী




**অসম বাৰ্তা, বিজনী, ৫ মাৰ্চ ঃ** চিৰাং জিলাৰ বিজনীৰ কাছদহাত মঙলবাৰে আৰক্ষীৰ অভিযানত ড্ৰাগছসহ দুটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীৰ গোপন খবৰৰ ভিত্তিত চলোৱা অভিযানত চাবোনৰ বাকচ ভৰ্তি এক পেকেট ড্ৰাগছসহ এখন স্কুটি জব্দ কৰে আৰক্ষীয়ে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুটা ক্ৰমে মহৰ আলী(২৪) আৰু ছাদ্দাম হুছেইন(২৭)। এএছ ১৯ ডাব্লিও ২০২০ নম্বৰৰ স্কুটিখনেৰে ভাণ্ডাৰৰ পৰা বঙাইগাঁও অভিমুখে গৈ থকা অৱস্থাত আৰক্ষীৰ জালত পৰে সৰবৰাহকাৰী দুটা। ড্ৰাগছখিনিৰ বজাৰ মূল্য ৮০ হেজাৰ বুলি জানিব পৰা গৈছে। ইয়াৰে মহৰ আলীৰ ঘৰ বঙাইগাঁও জিলাৰ ভাওঁলাগুৰীত আৰু ছাদ্দাম হুছেইনৰ ঘৰ ধুবুৰী জিলাৰ ঝগৰাপাৰত বুলি জানিব পৰা গৈছে।

# নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাঙ্গণৰ ৩য় সংখ্যক দোলযাত্ৰা উদ্‌যাপনৰ সফল সামৰণি

**অসম বাৰ্তা, খৈৰাবাৰী, ৫ মাৰ্চ ঃ** নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰ প্ৰাঙ্গণৰ ৩য় সংখ্যক কৃষ্ণ দৌলযাত্ৰা উদযাপন ২মাৰ্চৰ পৰা অনুষ্ঠিত হৈ ৪ মাৰ্চত সফল সামৰণি পৰে। সামৰণি অনুষ্ঠানৰ মুকলি সভা সঞ্চালনা কৰে বুঢ়ীনগৰ কনিষ্ঠ মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত প্ৰৱক্তা জিতেন হাজৰিকাই। গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত সহকাৰী অভিযন্তা ভদ্ৰকান্ত বৰুৱাই উদ্বোধন কৰা সভা আত ধৰে নাৰায়ণ ভট্ট আৰু বসন্ত চহৰীয়াই। সভাত আলোচকদ্বয় হিচাপে উপস্থিত থাকে ওদালগুৰি জিলাৰ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, সংঘ চালক খগেন ডেকা লগতে চমতীয়াৰ অৱসৰপ্ৰাপ্ত শিক্ষক গজেন শৰ্মা। বিশিষ্ট অতিথিৰ হিচাপে উপস্থিত থাকে বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা, ৰাষ্ট্ৰীয় বঁটা প্ৰাপক ৰীমা দাসে। লগতে উপস্থিত থাকে ছিপাঝাৰ বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া। তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা দৌলযাত্ৰা উদযাপনত ভাগৱত পাঠ, মহিলাৰ দিহা নাম প্ৰতিযোগিতা, দলীয় হোলী নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰে। ইয়াৰ উপৰিও অসমৰ বিভিন্ন থলুৱা লোকবাদ্য দলে অংশগ্ৰহণ কৰা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে ডি ৱাই বিহুৰাণী হিৰণ্ময়ী চহৰীয়াই। আজিৰ সমাজে সৰু সৰু কথাৰে ডাঙৰ চিন্তা কৰিব লাগিব। শ্ৰীকৃষ্ণৰ দৰে বৰ্ণ, ৰূপ আৰু বৈশিষ্ট্যৰে নৈতিকতাক পাধান্য দি নিজৰ চিনাকি দিব লাগিব। শ্ৰীকৃষ্ণৰ দৌলযাত্ৰাৰ মুকলি সভাত ৰাষ্ট্ৰীয় বঁটা প্ৰাপক চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ এই বক্তব্য। ইয়াৰ উপৰিও তেওঁ নামখলা শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা দ্ৰুউদযাপন সমিতিৰ বিষয়ববীয়া সভাপতি ফনীধৰ বৰুৱা, লহিত বড়ো, কাৰ্যকৰী সভাপতি ভূপেন বৰুৱা, সম্পাদক যোগেন্দ্ৰ কলিতা, ভাৰ্গৱজ্যোতি ভট্ট আৰু ধনমণি বৰুৱাৰ লগতে অঞ্চলবাসীক ধন্যবাদ জ্ঞাপন কৰে। সভাত আলোকচকদ্বয় খগেন ডেকা আৰু গজেন শৰ্মাই বক্তব্য প্ৰদান কৰি কয় নামখলাত শ্ৰীকৃষ্ণ ৰাস লীলা, শ্ৰীকৃষ্ণৰ দৌলযাত্ৰাৰ উপৰিও বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি সকলো জাতি ধৰ্ম বৰ্ণই এক হৈ নামখলা অসমৰ উল্লেখযোগ্য ঠাই হিচাপে চিহ্নিত কৰিবলৈ আহ্বান জনায়।

# প্ৰতিভাবান অভিনেতা প্ৰশান্ত কুমাৰ বৰদলৈৰ বিয়োগ

**অসম বাৰ্তা, বেবেজীয়া, ৫ মাৰ্চ ঃ** বেবেজীয়াৰ নিকটৱৰ্তী দক্ষিণ জাজৰিৰ নিৰ্বাসী প্ৰশান্ত কুমাৰ বৰদলৈ (৫৪)ৰ বুধবাৰে বিয়লি ৪ বজাত নিজা বাসগৃহত বিয়োগ ঘটে। দীৰ্ঘদিন ৰোগত আক্ৰান্তহৈ ঘৰতে চিকিৎসাধীন হৈ থকা বৰদলৈ জাজৰি অঞ্চলৰ এগৰাকী প্ৰতিভাবান অভিনেতা আছিল। সৰুৰে পৰা দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠীৰ লগত জড়িত হৈ বিশেষকৈ সামাজিক নাটক সমূহত সন্মুখৰ পৰা সৱলভাৱে নেতৃত্ব দিয়া বৰদলৈৰ বিয়োগত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত পত্নী, এগৰাকী কন্যা আৰু এটি পুত্ৰৰ লগতে বহু আত্মীয়-স্বজনক এৰি থৈ যায়। বৰদলৈৰ মৃত্যুত দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠী, সৰ্বজনীন শ্ৰীমন্ত শংকৰ মন্দিৰ, জাজৰি প্ৰেছ ক্লাবকে ধৰি বহু শুভাকাংক্ষীয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

## পশ্চিমবংগৰ ৰাজ্যপাল চি.ভি. আনন্দ বসু,

আচমকা পদত্যাগ কৰিছে। ২০২২ চনৰ ১৭ নৱেম্বৰৰ পৰা ৰাজ্যপাল হিচাপে দায়িত্ব পালন কৰি অহা তেওঁ এই পদত তিনি বছৰ ছমাহৰো অধিক সময় কটাইছে। দিল্লীত থকা অৱস্থাত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ ওচৰত পদত্যাগপত্ৰ দাখিল কৰে বসুৱে। সাংবাদিকৰ সৈতে কথা পাতি ৰাজ্যপালগৰাকীয়ে কয়, "হয়, মই পদত্যাগ কৰিছোঁ। মই পশ্চিমবঙ্গৰ ৰাজ্যপাল হিচাপে তিনি বছৰৰো অধিক সময় কাৰ্যনিৰ্বাহ কৰিছোঁ; মোৰ বাবে ই যথেষ্ট।" তেওঁ হঠাতে এই সিদ্ধান্ত লোৱাৰ বিশদ কাৰণ ব্যাখ্যা কৰা নাই। কোনো ৰাজনৈতিক হেঁচা বা অন্য কোনো চাপ আছিল নেকি সেই বিষয়েও তেওঁ মন্তব্য কৰা নাই। কিছুমান সূত্ৰ অনুসৰি স্বাস্থ্যগত কাৰণক উল্লেখ কৰি পদত্যাগ কৰা বুলি জনা গৈছে, যদিও ৰাজ্যপাল গৰাকীয়ে নিজে ইয়াক স্পষ্টভাৱে নিশ্চিত কৰা নাই। পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই খবৰত গভীৰ শ্বক আৰু উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত পোষ্ট কৰি তেওঁ লিখিছে যে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰা জানিব পাৰিছে যে তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবিয়ে পশ্চিমবঙ্গৰ অতিৰিক্ত দায়িত্ব গ্ৰহণ কৰিব। মমতা বেনাৰ্জীয়ে এই নিযুক্তিৰ বিষয়ে পূৰ্বে আলোচনা নকৰাৰ বাবে অসন্তোষ প্ৰকাশ কৰিছে আৰু ইয়াক ৰাজনৈতিক চাপৰ ফল বুলি সন্দেহ কৰিছে। উল্লেখ্য যে, নিৰ্বাচন আয়োগে অচিৰেই পশ্চিমবঙ্গ বিধানসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰিব বুলি ধাৰণা কৰা হৈছে। এনে গুৰুত্বপূৰ্ণ সময়ত ৰাজ্যপালৰ পদত্যাগে ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। বহুতে এই সিদ্ধান্তক নিৰ্বাচনৰ প্ৰাক্কালত কেন্দ্ৰৰ ৰণনীতিৰ অংশ বুলি মন্তব্য কৰিছে, আনহাতে কোনোবাই স্বাস্থ্যজনিত কাৰণক গুৰুত্ব দিছে। চি ভি আনন্দ বসু কেৰালাৰ মূল নিবাসী আৰু এজন অভিজ্ঞ প্ৰশাসক তথা লেখক। ৰাজ্যপাল হিচাপে নিযুক্তিৰ সময়ত তেওঁ ৰাজভৱনক 'লোকভৱন' বুলি নামকৰণ কৰি চৰ্চাত আহিছিল। এই পদত্যাগৰ পিছত ৰাজ্যত নতুন ৰাজ্যপালৰ নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব বুলি আশা কৰা হৈছে, যিয়ে আগন্তুক নিৰ্বাচনৰ পৰিৱেশত নতুন মাত্ৰা যোগ কৰিব। বিষয়টোৱে ৰাজ্যবাসীৰ মাজত বিভিন্ন প্ৰশ্নৰ সৃষ্টি কৰিছে আৰু অহা দিনবোৰত ইয়াৰ বিষয়ে অধিক তথ্য ওলাব বুলি ধাৰণা কৰা হৈছে।

## মুখ্যমন্ত্ৰীত্ব এৰি ৰাজ্যসভালৈ

নীতিশ কুমাৰৰ লগতে এন ডি এৰ আন চাৰিগৰাকী নেতাই মনোনয়নপত্ৰ জমা দিয়ে। নীতিশ কুমাৰৰ লগতে মনোনয়ন দাখিল কৰা আন নেতাসকল হ'ল— বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, কেন্দ্ৰীয় মন্ত্ৰী তথা জনতা দল (ইউনাইটেড)ৰ নেতা ৰামনাথ ঠাকুৰ, বিজেপি নেতা শিৱেশ কুমাৰ আৰু ৰাষ্ট্ৰীয় লোক মৰ্চাৰ সভাপতি তথা পূৰ্বৰ কেন্দ্ৰীয় মন্ত্ৰী উপেন্দ্ৰ কুশৱাহা। বিহাৰৰ ৰাজ্যসভাৰ পাঁচখন আসনৰ বাবে এই পাঁচগৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিলৰ ফলত এন ডি এৰ জয় প্ৰায় নিশ্চিত হৈ পৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে পাটনাত উপস্থিত হৈ নীতিশ কুমাৰৰ চৰকাৰী বাসগৃহত সাক্ষাৎ কৰাৰ পিছতেই স্পষ্ট হৈ পৰে যে নীতিশ কুমাৰ মুখ্যমন্ত্ৰীৰ পদ এৰি ৰাজ্যসভালৈ যোৱাৰ সিদ্ধান্ত লৈছে। সংক্ষিপ্ত আলোচনাৰ অন্তত অমিত শ্বাহে নীতিশ কুমাৰক লৈ বিহাৰ বিধানসভালৈ যায়, য'ত মনোনয়নপত্ৰ দাখিল কৰা হয়। এই সময়ত উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীও উপস্থিত থাকে। নীতিশ কুমাৰৰ এই সিদ্ধান্তক ৰাজনৈতিক বিশ্লেষকসকলে এন ডি এৰ ভিতৰত তেওঁৰ অৱস্থান সুসংহত কৰাৰ লগতে বিহাৰৰ ৰাজনীতিত নতুন অধ্যায়ৰ আৰম্ভণি বুলি অভিহিত কৰিছে। দীৰ্ঘদিন ধৰি বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা নীতিশ কুমাৰে ৰাজ্যসভাত থাকি ৰাষ্ট্ৰীয় পৰ্যায়ত অধিক ভূমিকা পালন কৰিব বুলি ধাৰণা কৰা হৈছে। বিহাৰৰ ৰাজ্যসভাৰ পাঁচখন আসনৰ বাবে এন ডি এৰ এই পাঁচগৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিলে দলীয় একতা আৰু শক্তি প্ৰদৰ্শন কৰিছে। বিৰোধী পক্ষৰ পৰা এই আসনসমূহত প্ৰতিদ্বন্দ্বিতা কৰাৰ কোনো শক্তিশালী প্ৰাৰ্থী নথকাৰ বাবে এন ডি এৰ জয় অপ্ৰতিৰোধ্য হৈ পৰিছে। এই ঘটনাই বিহাৰৰ ৰাজনীতিত নতুন সমীকৰণ গঢ় দিব পাৰে বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে। নীতিশ কুমাৰৰ ৰাজ্যসভালৈ যোৱাৰ পিছত বিহাৰৰ নতুন মুখ্যমন্ত্ৰী কোন হ'ব সেই বিষয়েও জল্পনা-কল্পনা আৰম্ভ হৈছে।

## মিত্ৰজোঁটৰ ৰণকৌশলত তচনচ হ'ল বিৰোধী ঐক্য

মনোনয়নপত্ৰ দাখিল কৰাৰ লগতে দলৰ মিত্ৰসংগঠন ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱেও তৃতীয় আসনখনৰ বাবে মনোনয়ন দাখিল কৰিছে। অহা ১৬ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া এই নিৰ্বাচনত অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতিফলন স্পষ্টভাৱে দেখা গৈছে। দিছপুৰৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত তিনিওগৰাকী প্ৰাৰ্থীয়ে নিজৰ মনোনয়নপত্ৰ জমা দিয়ে। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা আৰু বিজেপিৰ ৰাষ্ট্ৰীয় উপ-সভাপতি বৈজয়ন্ত জয় পাণ্ডাৰ লগতে দলৰ বহু নেতা-কৰ্মী উপস্থিত থাকি সমৰ্থন আগবঢ়ায়। বিজেপিৰ শক্তিশালী বিধায়ক সংখ্যাৰ বাবে দুখন আসনত তেওঁলোকৰ জয় নিশ্চিত আছিল। তৃতীয় আসনখনতো বিৰোধী শিবিৰৰ পৰা কোনো প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাত প্ৰমোদ বড়োৰ বিজয়ো প্ৰায় অবিবাদিত হৈ পৰিছে। এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে মনোনয়নপত্ৰ সংগ্ৰহ কৰিছিল যদিও শেষত দাখিল নকৰিলে। বিজেপিয়ে নিজৰ ছগৰাকী নেতাৰ নামত মনোনয়ন সংগ্ৰহ কৰিছিল যদিও দলীয় নেতৃত্বই যোগেন মহন আৰু তেৰছ গোৱালাক চূড়ান্ত প্ৰাৰ্থী হিচাপে ঘোষণা কৰে। মাহমৰা সমষ্টিৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী যোগেন মহনে ২০১৬ চনৰ পৰা নিৰন্তৰভাৱে সমষ্টিটোৰ সেৱা কৰি আহিছে। ২০২১ চনতো পুনৰ নিৰ্বাচিত হোৱা তেওঁ বিভিন্ন গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব সফলতাৰে পালন কৰিছে। মনোনয়ন দাখিলৰ পিছত তেওঁ সংবাদমাধ্যমক জনায় যে দলৰ নেতৃত্বই উচ্চ সদনলৈ পঠিয়াইছে বাবে কৃতজ্ঞ। বিগত দিনবোৰত সমষ্টিবাসী আৰু ৰাজ্যৰ বাবে যি কৰিব পাৰিছে তাৰ বাবে ধন্যবাদ আৰু যদি কোনো ত্ৰুটি হৈছে তেন্তে ক্ষমা বিচাৰিছে। ৰাজ্যসভাত থাকি অসমৰ সমস্যাসমূহ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰি ৰাজ্যখনক আগুৱাই নিয়াৰ বাবে প্ৰয়াস কৰিম বুলি তেওঁ আশ্বাস দিয়ে। সমষ্টিবাসীৰ আবেগক সন্মান জনাই তেওঁ কয় যে ৰাজ্যসভালৈ যোৱাৰ পিছতো অসমৰ সেৱাত নিয়োজিত থাকিম আৰু কৰ্মৰ পৰিসৰ এতিয়া আৰু বৃহৎ হৈছে। দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰছ গোৱালাই মনোনয়ন দাখিল কৰিবলৈ চাইকেল চলাই অহাৰ দৃশ্যই সকলোকে আকৰ্ষণ কৰে। তেওঁ জনায় যে ২০১৬ চনত প্ৰথম দৰমহাৰে কিনা এই চাইকেলখনৰ সৈতে বহু স্মৃতি জড়িত। চাইকেলে দুখীয়া মানুহৰ আৰ্তনাদ বুজিবলৈ সহায় কৰিছে। দিল্লীৰ নিৰাপত্তা বেষ্টনীত চাইকেল চলাব পাৰিম নে নাই নাজানো যদিও অসম আৰু অসমীয়াৰ স্বাৰ্থ সদায় প্ৰথম স্থানত ৰাখিম। সমষ্টিবাসীৰ আবেগক বুজি তেওঁ কয় যে দূৰলৈ নোযোৱাৰ বাবে দুলীয়াজানতেই থাকিম আৰু নতুন প্ৰাৰ্থী ৰামেশ্বৰ তেলীক সম্পূৰ্ণ সমৰ্থন দি সন্মুখৰ পৰা নেতৃত্ব দিম। ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ পূৰ্বৰ মুখ্য কাৰ্যবাহী হিচাপে পাঁচ বছৰৰ শাসন চলোৱা অভিজ্ঞতা লৈ ৰাজ্যসভালৈ আহিছে। তেওঁ কয় যে দলৰ সিদ্ধান্ত অনুসৰি মনোনয়ন দাখিল কৰিছে। বড়োলেণ্ডকে ধৰি সমগ্ৰ অসম, উত্তৰ-পূৰ্বাঞ্চল আৰু দেশৰ বাবে কাম কৰাৰ সুযোগ পাম বুলি আশা প্ৰকাশ কৰে। বিভিন্ন দলৰ বিধায়কৰ পৰা সমৰ্থন বিচাৰি তেওঁ আশাবাদী। এই নিৰ্বাচনে অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ পূৰ্বে ৰাজনৈতিক দলসমূহৰ শক্তি প্ৰদৰ্শনৰ এক গুৰুত্বপূৰ্ণ সূচক হিচাপে বিবেচিত হৈছে। বিজেপি আৰু মিত্ৰদলসমূহৰ একত্ৰিত শক্তিয়ে তিনিওখন আসন সহজতে দখল কৰাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে।

## ৯৬টা সমষ্টিত নিশ্চিত

বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ আসন বুজাবুজিৰ ছবি স্পষ্ট হৈ পৰিছে। বিজেপিয়ে অসম গণ পৰিষদক (অগপ) সংখ্যালঘু প্ৰধান সমষ্টিসমূহ বাদ দি মুঠ ৯টা সমষ্টি এৰি দিয়াৰ সিদ্ধান্ত লৈছে। এই সমষ্টিসমূহৰ ভিতৰত তেজপুৰ, শিৱসাগৰ, বৰপেটা, বঙাইগাঁও, গোৱালপাৰা পূৱ, ডিমৰীয়া, বজালী, কলিয়াবৰ আৰু বোকাখাত অন্যতম। এই আসন বুজাবুজিৰ বিষয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি কয় যে অগপৰ সৈতে মিত্ৰতা চূড়ান্ত হৈছে। লগতে বিপিএফৰ সৈতেও মিত্ৰতা সম্পূৰ্ণ হৈছে বুলি তেওঁ জানায়। বিপিএফ আৰু ইউপিপিএলৰ মাজত আসন বুজাবুজি কেনেকৈ হ'ব সেয়া তেওঁলোকৰ নিজৰ সিদ্ধান্ত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "আমি বিচাৰোঁ বিপিএফ আৰু ইউপিপিএলৰ মিত্ৰতা হওক। সেইকাৰণে বড়োলেণ্ড টেৰিটৰিয়েল এলেকাত বিজেপিয়ে কম সংখ্যক আসন লৈছে।" এইবাৰ মাহমৰা সমষ্টিত বিজেপিয়ে প্ৰাৰ্থী দিব বুলি চৰ্চা চলিছে। চৰ্চাত থকা সম্ভাব্য প্ৰাৰ্থীৰ নাম সূৰজ দিহিংগীয়া। ইয়াৰ উপৰিও চাবুৱা-লাহোৱাল সমষ্টিতো বিজেপিয়ে এইবাৰ প্ৰতিদ্বন্দ্বিতা কৰিব। এই সমষ্টিত বিজেপিৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে নেতা বিনোদ হাজৰিকাৰ নাম চৰ্চাত আছে। আনফালে অসম গণ পৰিষদৰ শক্তি বৃদ্ধিৰ ইংগিত দি এ আই ইউ ডি এফৰ কেইগৰাকীমান বিধায়কে দল ত্যাগ কৰি অগপত যোগদানৰ সিদ্ধান্ত লৈছে। কৰিমউদ্দিন বৰভূঞাই এ আই ইউ ডি এফ এৰি অগপত যোগ দিব। লগতে কংগ্ৰেছৰ বিধায়ক ছিদ্দিক আহমেদেও অগপলৈ আহিব বুলি জানিব পৰা গৈছে। দুই-এদিনৰ ভিতৰতে এই যোগদান আনুষ্ঠানিকভাৱে সম্পন্ন হ'ব। ইফালে এ আই ইউ ডি এফৰ আন দুগৰাকী বিধায়ক— জাকিৰ হুছেইন লস্কৰ আৰু নিজামুদ্দিন চৌধুৰীয়েও দল ত্যাগ কৰাৰ সম্ভাৱনা দেখা গৈছে। এই সকলো ঘটনাই অসমৰ ৰাজনৈতিক সমীকৰণত নতুন মাত্ৰা যোগ কৰিছে। বিজেপিৰ মিত্ৰজোঁট শক্তিশালী হোৱাৰ লগতে অগপৰো আসন সংখ্যা বৃদ্ধিৰ সম্ভাৱনা দেখা গৈছে। আনহাতে এ আই ইউ ডি এফৰ বিধায়কসকলৰ দল ত্যাগে বিৰোধী শিবিৰত অস্থিৰতাৰ সৃষ্টি কৰিছে।

## ন মাৰ্চত চূড়ান্ত হ'ব

কৰা হয়। আৰম্ভণিতে বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে বৃহৎ সংখ্যক দলীয় কৰ্মীৰ সহযোগত সমদল কৰি আহি বৰলাউগাঁওস্থিত থেংফাখ্ৰী পথাৰত আয়োজন কৰা এক বিশাল জনসভাত অংশগ্ৰহণ কৰে। উক্ত জনসভাতেই প্ৰাক্তন পাৰিষদ তথা ইউপিপিএলৰ কেন্দ্ৰীয় কমিটিৰ সদস্য গুণেশ্বৰ গয়াৰী, ইউপিপিএলৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰাক্তন পাৰিষদ জ্যোতিৰেন্দ্ৰ ব্ৰহ্ম আৰু গোসাঁইগাঁও জিলা ইউপিপিএলৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰফুল্ল ইছলাৰীয়ে বিপিএফ দলত যোগদান কৰে। শান্তি, সংহতি আৰু সমৃদ্ধিৰ লক্ষ্যৰে অনুষ্ঠিত উক্ত জনসভাত অংশগ্ৰহণ কৰি মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী ঘোষণা সন্দৰ্ভত এনডিএ হিচাপে আমাৰ আলোচনা চলি আছে বুলি সংবাদ মাধ্যমৰ আগত কয়। তেওঁ কয় যে আসন সন্দৰ্ভত ন মাৰ্চত বিপিএফৰ নীতি নিৰ্ধাৰণ কমিটিৰ মিটিং আছে। উক্ত সভাতেই বিপিএফৰ প্ৰাৰ্থী তালিকা চূড়ান্ত হ'ব। বিপিএফৰ ফালৰ পৰা ক'ত ক'ত খেলিব ফাইনেল কৰিবলৈ বাকী আছে। বিজেপি বিপিএফে নিজাববীয়াকৈ ঘোষণা কৰি আছে, কিন্তু এনডিএ হিচাপে ঘোষণা কৰিব পৰা নাই। তেওঁ লগতে বিটিচিৰ পোন্ধৰটা সমষ্টিৰ পৰা পোন্ধৰটা বিধায়ক পঠিয়াই দিম, সেইটো স্পষ্ট বুলি কয়। ইফালে মুখ্যমন্ত্ৰীয়ে বিপিএফ আৰু ইউপিপিএলে বুজাবুজি কৰি ল'ব বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় ইউপিপিএলো এনডিএৰ সহযোগী দল। কিন্তু ইউপিপিএলে ইউপিএ হিচাপে আলোচনা কৰি কিমান চিট পায় সেইটো তেওঁলোকৰ কথা বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে হাগ্ৰামা মহিলাৰীয়ে। ইউপিপিএল বা বিপিএফ বুজাবুজি হ'ব নেকি এইবিলাক কথা নাহে। কথা প্ৰসংগত বিজনী বাসী ৰাইজৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত বিজনীত পাহাৰ নাই, বিজনী বাসীয়ে যদি কয় পাহাৰ লাগে পাহাৰ বনাই দিম বুলি কয় হাগ্ৰামা মহিলাৰীয়ে। আনহাতে বিপিএফৰ মুৰব্বী গৰাকীয়ে প্ৰতিটো নিৰ্বাচনত চমক সৃষ্টি বা নিৰ্বাচনী প্ৰচাৰত হেলিকপ্টাৰ ব্যৱহাৰ কৰা প্ৰসংগত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত হেলিকপ্টাৰ এক সপ্তাহ আগতে আহিছে, মই বিচৰা নাছিল বুলি মন্তব্য হাগ্ৰামাৰ। এডভাঞ্চ আহিছে। ইয়াত থবলৈ ঠাই নাই কাৰণে গুৱাহাটীত থবলৈ দিয়া হৈছে বুলি মন্তব্য কৰি অৱশ্যে হেলিকপ্টাৰৰ ভাৰা পঞ্চাছ শতাংশহে দিয়া হ'ব বুলি কয় মহিলাৰীয়ে। যুৱ বিপিএফৰ কেন্দ্ৰীয় সভাপতি ৰিঞ্জয় বড়োই আদৰণি ভাষণ ৰখা উক্ত জনসভাত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ উপৰিও উপ-সভাপতি শুদ্ধ বসুমতাৰী, মহিলা বিপিএফৰ সভানেত্ৰী সুপ্ৰিয়া ৰাণী ব্ৰহ্ম, বিটিচিৰ কাৰ্যবাহী সদস্য ক্ৰমে পানীৰাম ব্ৰহ্ম আৰু ধীৰাজ বৰগয়াৰী, প্ৰাক্তন উপ মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰী, কেবাগৰাকীও পাৰিষদ, বিপিএফৰ কেন্দ্ৰীয় নেতা অংশগ্ৰহণ কৰে।

## অসমত প্ৰশাসনিক স্তৰত

জৰিয়তে মুঠ আঠগৰাকী জিলা আয়ুক্তৰ স্থানান্তৰ কৰা হৈছে আৰু কেইবাজনো উচ্চপদস্থ বিষয়াক নতুন বিভাগীয় দায়িত্ব প্ৰদান কৰা হৈছে। গৃহ বিভাগৰ আয়ুক্ত সচিব পাৰ্থ প্ৰতীম মজুমদাৰক বজালী জিলাৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। AIIDCৰ অতিৰিক্ত সঞ্চালক নৰেন্দ্ৰ কুমাৰ শ্বাহক মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। প্ৰীতি কুমাৰীক পশ্চিম কাৰ্বি আংলং জিলাৰ জিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। বিত্ত বিভাগৰ যুটীয়া সচিব আয়ুষী জৈনক দৰং জিলাৰ জিলা আয়ুক্তৰ দায়িত্ব অৰ্পণ কৰা হৈছে। দৰং জিলাৰ পূৰ্বৰ জিলা আয়ুক্ত পূবালী গোঁহাইক গোলাঘাট জিলাৰ জিলা আয়ুক্তৰ দায়িত্ব দিয়া হৈছে। পশ্চিম কাৰ্বি আংলং জিলাৰ আয়ুক্ত সাৰং পানি শৰ্মাক পৰিবহণ বিভাগৰ সচিবৰ দায়িত্ব প্ৰদান কৰা হৈছে। বাক্সা জিলাৰ আয়ুক্ত গৌতম দাসক পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাক সাধাৰণ প্ৰশাসন বিভাগৰ সচিবৰ দায়িত্ব অৰ্পণ কৰা হৈছে। লখিমপুৰ জিলাৰ আয়ুক্ত প্ৰণৱজিৎ কাকতিক দক্ষতা বিকাশ আৰু উদ্যোগ বিভাগৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। এই স্থানান্তৰৰ লগতে অসম ৰাজ্যিক বিপদ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ (ASDMA) অতিৰিক্ত দায়িত্বত থকা মিনাক্ষী দাস নাথক সেই দায়িত্বৰ পৰা আঁতৰোৱা হৈছে। এই ব্যাপক ৰদ-বদলৰ জৰিয়তে ৰাজ্য চৰকাৰে জিলা পৰ্যায়ৰ প্ৰশাসনক অধিক সক্ৰিয় আৰু ফলপ্ৰসূ কৰি তুলিবলৈ লগতে বিভিন্ন বিভাগত নতুন শক্তি আৰু অভিজ্ঞতাৰ সংযোজন ঘটাব বিচাৰিছে বুলি চৰকাৰী সূত্ৰৰ পৰা জানিব পৰা গৈছে। এই সকলো স্থানান্তৰ আৰু নতুন দায়িত্ব অৱিলম্বে কাৰ্যকৰী হ'ব।

## সীমান্তৱৰ্তী চকীহোলাৰ

লোকসকলে জনোৱা মতে, সন্ধিয়া প্ৰায় ৭ বজাৰ আশে-পাশে অঞ্চলটোৰ এটা ওখ পাহাৰৰ দিশৰ পৰা প্ৰচণ্ড বিস্ফোৰণৰ দৰে শব্দ শুনা যায়। এই শব্দ ইমানেই তীব্ৰ আছিল যে আশে-পাশেৰ গাঁওসমূহত আতংকৰ সৃষ্টি হয়। প্ৰত্যক্ষদৰ্শীসকলে কয় যে বিস্ফোৰণ সদৃশ শব্দটোৱে পাহাৰত প্ৰতিধ্বনিত হৈ সমগ্ৰ অঞ্চল কঁপাই তোলে। শব্দ শুনাৰ কিছু সময়ৰ পিছতে পাহাৰৰ দিশৰ পৰা ধোঁৱা উঠা দেখা যায়। বায়ুসেনাৰ পৰা জানিব পৰা মতে, বিমানখন ৰাডাৰৰ সৈতে সংযোগ বিচ্ছিন্ন হোৱাৰ পিছত নিখোজ হয়। ঘটনাস্থলী জনবসতিপূৰ্ণ এলেকাৰ পৰা বহু দূৰত দুৰ্গম পাহাৰীয়া অঞ্চলত হোৱা বাবে স্থানীয় লোকে ততালিকে ঘটনাস্থলীলৈ যাব নোৱাৰিলে। ইতিমধ্যে ভাৰতীয় বায়ুসেনা আৰু নিৰাপত্তা বাহিনীয়ে অনুসন্ধান আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। এজন পাইলট নিখোজ বুলি প্ৰতিবেদনত উল্লেখ আছে। বিমানখনৰ দ্বিতীয় পাইলট বা ক্ৰুৰ অৱস্থাৰ বিষয়ে এতিয়ালৈকে স্পষ্ট তথ্য প্ৰকাশ পোৱা নাই। কৰ্তৃপক্ষই ঘটনাৰ সঠিক কাৰণ নিৰ্ণয়ৰ বাবে তদন্ত অব্যাহত ৰাখিছে। আনুষ্ঠানিক ঘোষণা এতিয়াও অপেক্ষা কৰি আছে যদিও প্ৰতিৰক্ষা বিভাগৰ পৰা নিশ্চিত কৰা হৈছে যে অনুসন্ধান দলক ঘটনাস্থলীলৈ পঠোৱা হৈছে। এই দুৰ্ঘটনাই অঞ্চলটোত চিন্তাৰ সৃষ্টি কৰিছে, বিশেষকৈ দুৰ্গম ভূখণ্ডৰ বাবে উদ্ধাৰ অভিযান জটিল হ'ব পাৰে বুলি আশংকা কৰা হৈছে। অধিক তথ্যৰ বাবে অপেক্ষা কৰি থকা হৈছে।

## জেন জেডৰ বিদ্ৰোহৰ পিছত নেপালত প্ৰথমটো

নেপালত বৃহস্পতিবাৰে প্ৰথম সাধাৰণ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কঠোৰ নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে সমগ্ৰ দেশতে ভোটাৰসকলে ভোটদান কৰিছে। নেপালৰ নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, প্ৰায় ১ কোটি ৯০ লাখ ভোটাৰে এইবাৰ ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। ভোটাৰসকলে সংসদৰ নিম্ন সদন 'হাউছ অৱ ৰিপ্ৰেজেণ্টেটিভছ'ৰ ১৬৫টা আসনৰ বাবে পোনপটীয়াকৈ সদস্য নিৰ্বাচিত কৰিব। বাকী ১১০টা আসন আনুপাতিক প্ৰতিনিধিত্ব ব্যৱস্থাৰ জৰিয়তে দলসমূহৰ ভোটৰ অংশ অনুসৰি বিতৰণ কৰা হ'ব। মুঠ ২৭৫ জনীয়া সংসদ গঠনৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছে। ভোটগ্ৰহণৰ দিনা কৰ্তৃপক্ষই ৰাজপথত যান-বাহন চলাচল নিষিদ্ধ কৰাৰ লগতে ৰাজনৈতিক সমাবেশ, ৰাজহুৱা সমাৱেশ আৰু প্ৰচাৰৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰিছে। নিৰাপত্তা বাহিনীয়ে ৰাজপথত টহল দি আছে আৰু ভোটকেন্দ্ৰসমূহত কঠোৰ পহৰাৰ ব্যৱস্থা কৰা হৈছে। ভোট গণনা শেষ হোৱাৰ পিছত সপ্তাহৰ শেষৰ ফালে ফলাফল প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। এই নিৰ্বাচনক বহুলভাৱে ত্ৰিকোণীয় প্ৰতিদ্বন্দ্বিতা হিচাপে চিহ্নিত কৰা হৈছে। পৰম্পৰাগত দুটা প্ৰধান দল— নেপালী কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টী অৱ নেপাল (ইউনিফাইড মাৰ্ক্সবাদ-লেনিনবাদ)ৰ বিপৰীতে ২০২২ চনত গঠিত নেচনেল ইণ্ডিপেণ্ডেণ্ট পাৰ্টীয়ে যথেষ্ট প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। দলটোৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী হৈছে ৩৫ বছৰীয়া বলেন্দ্ৰ শ্বাহ। ৰেপাৰৰ পৰা ৰাজনীতিলৈ অহা শ্বাহে ২০২২ চনত কাঠমাণ্ডুৰ মেয়ৰ নিৰ্বাচিত হৈছিল আৰু ২০২৫ চনৰ গণবিদ্ৰোহতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। দুৰ্নীতি, দুৰ্বল শাসন, স্বাস্থ্য আৰু শিক্ষাৰ দৰে মৌলিক বিষয়ক লৈ যুৱ সমাজৰ মাজত সৃষ্টি হোৱা ব্যাপক অসন্তোষৰ সুবিধা লৈ শ্বাহ আৰু তেওঁৰ দলে প্ৰচাৰ চলাইছে। যোৱা বছৰৰ প্ৰতিবাদৰ সময়ত ছ'চিয়েল মিডিয়াত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল যদিও প্ৰতিবাদকাৰীসকলে চৰকাৰী ভৱনত আক্ৰমণ চলাইছিল। আৰক্ষীৰ গুলীচালনাত কেইবাজনো লোক নিহত হৈছিল আৰু শতাধিক লোক আহত হৈছিল। এই নিৰ্বাচনে নেপালৰ ৰাজনীতিত নতুন যুগৰ সূচনা কৰিব পাৰে বুলি বিশ্লেষকসকলে মত পোষণ কৰিছে। পৰম্পৰাগত দলসমূহে নিজৰ পুৰণি ভোটাৰ ভিত্তি ৰক্ষা কৰিবলৈ চেষ্টা কৰাৰ বিপৰীতে নতুন দলে কনিষ্ঠ ভোটাৰসকলৰ মাজত যথেষ্ট সমৰ্থন লাভ কৰিছে। ফলাফলে নেপালৰ ভৱিষ্যতৰ ৰাজনৈতিক দিশ নিৰ্ধাৰণ কৰিব বুলি ধাৰণা কৰা হৈছে।

## অচিনাকি বিধায়কৰ

এ আই ইউ ডি এফৰ তিনিগৰাকী বিধায়কৰ নাম অন্তৰ্ভুক্ত হৈছে। তেওঁলোক হ'ল— আলগাপুৰৰ বিধায়ক নিজামুদ্দিন চৌধুৰী, হাইলাকান্দিৰ বিধায়ক জাকিৰ হুছেইন লস্কৰ আৰু সোনাই সমষ্টিৰ বিধায়ক কৰিমউদ্দিন বৰভূঞা। এই ঘটনাই অসমৰ ৰাজনীতিত নতুন মোড় আনিছে, কাৰণ এ আই ইউ ডি এফক সাধাৰণতে বিজেপিৰ প্ৰধান বিৰোধী হিচাপে গণ্য কৰা হয়। প্ৰমোদ বড়োৱে মনোনয়ন দাখিলৰ সময়ত বিজেপিৰ দুগৰাকী প্ৰাৰ্থী যোগেন মহন আৰু তেৰছ গোৱালাৰ সৈতে একেলগে উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি বিজেপিৰ বহু নেতা-বিধায়কে তেওঁক সমৰ্থন জনাই সংগ দিয়ে। সংবাদমাধ্যমৰ প্ৰশ্নৰ উত্তৰত প্ৰমোদ বড়োৱে কোনো বিধায়কৰ নাম প্ৰকাশ নকৰি কয় যে ২০জন বিধায়কে স্বাক্ষৰ কৰিছে আৰু সকলোকে ধন্যবাদ জনাইছে। এই সমৰ্থনৰ পিছতে এ আই ইউ ডি এফত অভ্যন্তৰীণ অস্থিৰতা দেখা দিছে। দলটোৱে বৃহস্পতিবাৰে দুগৰাকী বিধায়ক— কৰিমউদ্দিন বৰভূঞা আৰু আব্দুল আজিজক দল বিৰোধী কাৰ্যকলাপৰ অভিযোগত ছয় বছৰৰ বাবে নিলম্বন কৰে। কৰিমউদ্দিন বৰভূঞাই দল ত্যাগ কৰি অগপত যোগদানৰ ইচ্ছা প্ৰকাশ কৰিছে। একেদৰে জাকিৰ হুছেইন লস্কৰেও দল এৰাৰ খবৰ পোৱা গৈছে। ৰাজ্যসভা নিৰ্বাচনৰ পূৰ্বে এ আই ইউ ডি এফত ব্যাপক খহনীয়া আৰম্ভ হোৱাৰ ইংগিত পোৱা গৈছে। প্ৰমোদ বড়ো বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ (বি টি চি) পূৰ্বৰ মুখ্য কাৰ্যবাহী। শেহতীয়া বি টি চি নিৰ্বাচনত বিপিএফৰ হাগ্ৰামা মহিলাৰীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় স্বীকাৰ কৰিছিল যদিও তেওঁ বিজেপিৰ সৈতে এন ডি এ মিত্ৰতাত আছে। ৰাজ্যসভালৈ যোৱাৰ পিছতো তেওঁ বড়োলেণ্ড আৰু অসমৰ বাবে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনৰ প্ৰসংগত তেওঁ কয় যে বি টি চিত ১৫খন আসনত ইউ পি পি এলৰ প্ৰস্তুতি চলি আছে। মিত্ৰতাৰ বিষয়ে আলোচনা অহা দিনত হ'ব। বড়োলেণ্ডৰ ৪০টা পৰিষদীয় সমষ্টিত ৰাইজৰ সমৰ্থন তেওঁলোকৰ পক্ষত আছে বুলি দাবী কৰে। অসমৰ তিনিখন ৰাজ্যসভা আসনৰ বাবে এন ডি এৰ তিনিগৰাকী প্ৰাৰ্থী— যোগেন মহন, তেৰছ গোৱালা আৰু প্ৰমোদ বড়োৱে মনোনয়ন দাখিল কৰিছে। বিৰোধী পক্ষৰ পৰা কোনো প্ৰাৰ্থী নথকাৰ বাবে তিনিওগৰাকীয়েই অবিবাদে নিৰ্বাচিত হোৱাৰ সম্ভাৱনা প্ৰবল। এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে পূৰ্বতে নিজকে বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিবলৈ কংগ্ৰেছৰ সমৰ্থন বিচাৰিছিল যদিও শেষত তেনে নহ'ল। এই ঘটনাই অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ পূৰ্বে ৰাজনৈতিক সমীকৰণত নতুন মাত্ৰা যোগ কৰিছে।

## ছবিগৃহলৈ ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ ২'

পৰিচালনা, সম্পাদনা আৰু প্ৰযোজনা সকলোতে ৰীমা দাসৰ হাতৰ স্পৰ্শ থকা এই ছবিখনে মা, মাটি, সপোন আৰু সংগীতৰ এক সুন্দৰ সমাহাৰ ঘটাইছে। ২০২৪ চনত নিৰ্মিত এই ছবিখন বিগত দুবছৰ ধৰি বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ বহু বঁটা আৰু প্ৰশংসা লাভ কৰিছে। বিশেষকৈ ২৯তম বুছান আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত 'কিম জিছিয়ক' বঁটা লাভ কৰাৰ লগতে বাৰ্লিন আৰু মুম্বাইৰ মহোৎসৱতো ইউৰোপীয় আৰু ভাৰতীয় প্ৰিমিয়াৰ হৈছে। এতিয়া অৱশেষে অসমৰ ঘৰুৱা দৰ্শকে ছবিখন থিয়েটাৰত উপভোগ কৰিবলৈ সুযোগ পাব। বৃহস্পতিবাৰে গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত সংবাদমেলত পৰিচালিকা ৰীমা দাসে ছবিখনৰ বিষয়ে বিস্তৃত তথ্য প্ৰকাশ কৰে। তেওঁ কয় যে 'ভিলেজ ৰকষ্টাৰ্ছ' (২০১৭)ৰ ছিকুৱেল হ'লেও এই ছবিখন স্বতন্ত্ৰভাৱে চাব পাৰি। আগৰ ছবিত ধুনুৱে গীটাৰ এখন পোৱাৰ সপোন দেখিছিল আৰু শেষত সেই সপোন সফল হৈছিল। 'ভিলেজ ৰকষ্টাৰ্ছ ২'ত এতিয়া কিশোৰী ধুনুৱে সংগীতৰ প্ৰতি থকা প্ৰতিভা আৰু সপোনক লৈ আগুৱাই যোৱাৰ কাহিনী চিত্ৰিত হৈছে। মাতৃ আৰু কন্যাৰ সম্পৰ্ক, মাটিৰ সৈতে জড়িত জীৱন আৰু সংগীতৰ মাজেৰে জীৱনৰ সংগ্ৰামক এই ছবিত অধিক ড্ৰামাটিক ৰূপত উপস্থাপন কৰা হৈছে। পৰিচালিকাই জনোৱা মতে, আগৰ ছবিৰ কেইবাগৰাকী কলা-কুশলীৰ লগতে নতুন মুখো এই ছবিত দেখা যাব। মুখ্য চৰিত্ৰ ধুনুৰ ভূমিকাত অভিনয় কৰিছে ভণিতা দাসে, মাতৃৰ ভূমিকাত বাসন্তী দাস, লগতে জুনুমণি বড়ো, বলোৰাম দাস, মানবেন্দ্ৰ দাস আদিয়ে গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰিছে। ছবিখনৰ মুক্তিৰ প্ৰচাৰৰ কথা উল্লেখ কৰি ৰীমা দাসে কয় যে শেহতীয়াকৈ বাৰ্লিন আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত নতুন ছবি 'Not a Hero'ৰ বাবে যাবলগীয়া হোৱাৰ বাবে এই ছবিৰ প্ৰচাৰত অধিক সময় দিব পৰা নাই। তথাপি ৬ মাৰ্চত ৰাজ্যৰ বিভিন্ন ছবিগৃহত মুক্তিৰ ব্যৱস্থা কৰা হৈছে। একেদিনাই চিন্ময় শৰ্মা পৰিচালিত আন এখন অসমীয়া ছবি 'ভাকুটকুট'ও মুক্তি লাভ কৰিব। দুখন ছবিৰ মাজত প্ৰতিযোগিতাৰ প্ৰভাৱৰ কথা সোধাত ৰীমা দাসে কয় যে একেদিনা দুখন ছবি মুক্তি পোৱাটোৱে কিছু প্ৰভাৱ পেলাব পাৰে যদিও মূল কথা হৈছে দৰ্শকে ছবি চাবলৈ আগ্ৰহী হোৱা। দুয়োটা টীমে এটাৰ আনটোলৈ পূৰ্ণ সমৰ্থন আগবঢ়াইছে। এই ছবিখনে অসমীয়া চলচ্চিত্ৰৰ গুণগত মান আৰু আন্তৰ্জাতিক পৰ্যায়ত অসমৰ পৰিচয়ক আৰু এবাৰ উজ্জ্বল কৰি তুলিব বুলি আশা কৰা হৈছে। দৰ্শকে থিয়েটাৰত গৈ এই সুন্দৰ যাত্ৰা উপভোগ কৰক।

## মিত্ৰতাক লৈ কংগ্ৰেছলৈ চূড়ান্ত সময়সীমা অখিলৰ

কংগ্ৰেছৰ মাজত আসন সমঝোতাৰ অংক এতিয়াও মিলি উঠা নাই। এই পৰিস্থিতিত ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে বৃহস্পতিবাৰে কংগ্ৰেছক মিত্ৰতাৰ বাবে অন্তিম সময়সীমা বান্ধি দিছে। অখিল গগৈয়ে স্পষ্টভাৱে কয় যে শনিবাৰৰ ভিতৰত কংগ্ৰেছৰ পৰা ইতিবাচক সঁহাৰি বা স্পষ্ট প্ৰতিক্ৰিয়া নাহিলে দলটোৱে নিজৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰিব। তেওঁ কয়, "শনিবাৰৰ ভিতৰত কংগ্ৰেছৰ তৰফৰ পৰা যদি ইতিবাচক সঁহাৰি আহে বা ৰেচপঞ্চ আহি যায়, তেন্তে আমি মাত্ৰ ১৫টা সমষ্টিতহে নিৰ্বাচন খেলিম। তাতকৈ এটাও অধিক সমষ্টিত প্ৰাৰ্থী নিদিও। কিন্তু যদি নেতিবাচক খবৰ আহে বা একোৱেই খবৰ নাহে, তেন্তে দেওবাৰৰ ভিতৰত আমি প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিম।" অখিল গগৈয়ে জনোৱা মতে, ৰাইজৰ দলত মুঠ ৬৪টা সমষ্টিৰ বাবে প্ৰাৰ্থী আবেদন জমা হৈছে। তাৰ ভিতৰত মাত্ৰ দুটা সমষ্টি— মাহমৰা আৰু শদিয়াৰ পৰা এতিয়ালৈকে কোনো আবেদন অহা নাই। বাকী সকলো সমষ্টিৰ লগতে কিছু অতিৰিক্ত সমষ্টিৰ পৰাও আবেদন আহিছে। তেওঁ লগতে কয় যে বিজেপিক পৰাজিত কৰাৰ বাবে দলটোৱে যথাসম্ভৱ মিত্ৰতাৰ পথ বিচাৰিছে।" আমি ইমানেই বেছি কম্প্ৰমাইজ কৰিছোঁ, ইমান বেছি তেওঁলোকৰ কথা মানিছোঁ যে দলৰ ভিতৰতে মোৰ স্থিতি বেয়া হৈ গৈছে। দলৰ ভিতৰতে 'মাৰ খা মাৰ খা' অৱস্থা হৈছে,— অখিল গগৈয়ে এইদৰে দলৰ অভ্যন্তৰীণ চাপৰ কথা প্ৰকাশ কৰে। অখিল গগৈয়ে উল্লেখ কৰে যে মাত্ৰ দুই-তিনিটা সমষ্টিক লৈ মিত্ৰতা চূড়ান্ত হোৱা নাই। তেওঁ কয়, "ধিং সমষ্টিত আমাক খেলিবলৈ দিম বুলি কংগ্ৰেছে পূৰ্বতে কৈছিল। পিছত তেওঁলোকে আমাক 'ফ্ৰেণ্ডলী' বুলি কৈ দিলে। নাওবৈচা সমষ্টিও বিচাৰিছিলোঁ, কিন্তু তেওঁলোকে আমাক ৰঙানদী সমষ্টি দি দিলে। ধেমাজি সমষ্টিও বিচাৰিছিলোঁ, কিন্তু সেইটো নাকচ কৰি দিলে।" তেওঁৰ মতে এতিয়া মূলতঃ তিনিটা সমষ্টিৰ ওপৰত মিত্ৰতা নিৰ্ভৰ কৰি আছে। "প্ৰথম কথা— আমাক কমেও ১৫টা আসন লাগিব। দ্বিতীয় কথা— ধিং আৰু নাওবৈচা সমষ্টি আমাক লাগিবই। এই দুটাৰ ওপৰতো যদি সন্মতি নহয়, তেন্তে মিত্ৰতা সম্ভৱ নহ'ব।"

## অৱশেষত বিজেপিত যোগদান কংগ্ৰেছৰ তিনি

বিৰোধী দল কংগ্ৰেছে এটা মোক্ষম আঘাত সহ্য কৰিবলগীয়া হৈছে। আজি তিনিগৰাকী কংগ্ৰেছ বিধায়কে আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। লগতে দলটোৰ যুৱ শাখাৰ দুগৰাকী নেতাও একে সময়তে বিজেপিৰ শিবিৰত যোগদান কৰে। বশিষ্ঠৰ বাজপেয়ী ভৱনত অনুষ্ঠিত এই যোগদান অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী পীযূষ হাজৰিকা আৰু কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে। বিজেপিত যোগদান কৰা তিনিগৰাকী বিধায়ক হৈছে- ৰহা সমষ্টিৰ শশীকান্ত দাস, কৰিমগঞ্জ উত্তৰ সমষ্টিৰ কমলাক্ষ দে পুৰকায়স্থ আৰু মঙলদৈ সমষ্টিৰ বসন্ত দাস। এই তিনিগৰাকী বিধায়কৰ যোগদানৰ লগতে কংগ্ৰেছৰ যুৱ শাখাৰ পৰাও দুগৰাকী প্ৰভাৱশালী নেতাই বিজেপিত যোগদান কৰে। তেওঁলোক হৈছে- তৃণমূল যুৱ কংগ্ৰেছৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কংকন নাথ আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ (APCC) পূৰ্বৰ যুটীয়া সম্পাদক পাৰ্শ্ব বৰ কলিতা। অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি চলি থকাৰ মাজতে এই যোগদানে বিজেপিৰ শক্তি বৃদ্ধিৰ লগতে কংগ্ৰেছৰ অভ্যন্তৰীণ অস্থিৰতা আৰু দুৰ্বলতাক প্ৰকাশ কৰিছে। বিশেষকৈ ৰহা, কৰিমগঞ্জ উত্তৰ আৰু মঙলদৈৰ দৰে গুৰুত্বপূৰ্ণ সমষ্টিৰ বিধায়কসকলে দল ত্যাগ কৰাৰ ফলত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰস্তুতিত প্ৰভাৱ পৰাৰ সম্ভাৱনা প্ৰবল হৈ পৰিছে। অনুষ্ঠানত উপস্থিত বিজেপি নেতৃত্বই এই যোগদানক দলৰ বাবে এক ইতিবাচক পদক্ষেপ বুলি অভিহিত কৰি কয় যে ৰাইজৰ বিশ্বাস আৰু সমৰ্থন লাভ কৰি অহা বিধায়কসকলে বিজেপিৰ উন্নয়নমূলক কাৰ্যসূচীৰ সৈতে একাত্ম হৈ অসমৰ সেৱাত নিয়োজিত হ'ব। এই ঘটনাই অসমৰ ৰাজনৈতিক পৰিস্থিতিত নতুন মোৰ দিছে আৰু আগন্তুক দিনবোৰত আৰু অধিক যোগদানৰ সম্ভাৱনাকো উস্কাই তুলিছে।

**কোচিং চেণ্টাৰসমূহক সফল প্ৰাৰ্থীৰ ফটো আঁতৰোৱাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ**

## এপিএছচিৰ বিজ্ঞাপনক কঠোৰ সমালোচনা মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** অসম লোকসেৱা আয়োগৰ যুটীয়া প্ৰতিযোগিতামূলক পৰীক্ষাত সফল প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰি বুধবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰে। তেওঁ বিশেষভাৱে সফল প্ৰাৰ্থীসকলৰ নাম আৰু ফটো ব্যৱহাৰ কৰি চলাই থকা প্ৰশিক্ষণ কেন্দ্ৰৰ বিজ্ঞাপনক লৈ সমালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে স্পষ্ট নিৰ্দেশ দিয়ে যে সকলো অসামৰিক সেৱা প্ৰশিক্ষণ কেন্দ্ৰই অহা এসপ্তাহৰ ভিতৰত এনে বিজ্ঞাপন আঁতৰাব লাগে। একেদৰে, তেওঁ সফল প্ৰাৰ্থীসকলক এনে বিজ্ঞাপনৰ পৰা তেওঁলোকৰ ফটো তৎক্ষণাৎ আঁতৰাবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰশিক্ষণ কেন্দ্ৰবোৰে ছাত্ৰ-ছাত্ৰীসকলক বান্দ্বলবীৰ দৰে কেইটামান বস্তুহে শিকায় আৰু তাৰ পিছত বিজ্ঞাপনৰ নামত ব্যৱসায় আৰম্ভ কৰে। তেওঁলোকে প্ৰাৰ্থীসকলৰ মনত এনে ধাৰণা সঞ্চাৰ কৰে যেন তেওঁলোকৰ সফলতা কেৱল প্ৰশিক্ষণ কেন্দ্ৰৰ বাবেহে প্ৰাপ্ত হৈছে। এনে মানসিকতাৰ বিৰুদ্ধে মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এপিএছচিয়ে প্ৰশিক্ষণ কেন্দ্ৰত যি শিকোৱা হয় তাৰ বিপৰীত প্ৰশ্ন সোধে যাতে প্ৰকৃত দক্ষতাৰ পৰীক্ষা হয়। তেওঁ নৱনিযুক্ত বিষয়াসকলক কেৱল এচিএছ বা এপিএছতে সীমাবদ্ধ নথকাৰ লগতে ইউপিএছচিৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈও আহ্বান জনায়। তেওঁ এইটোও আশ্বাস দিয়ে যে চৰকাৰে এনে যোগ্য লোকক প্ৰস্তুতিমূলক সুবিধা থকা ঠাইত নিযুক্তি প্ৰদান কৰিব। নিযুক্তি প্ৰক্ৰিয়াৰ স্বচ্ছতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা পাঁচ বছৰত ৰাজ্য চৰকাৰে ১.৬০ লাখ নিযুক্তি সম্পূৰ্ণ কৰিছে আৰু ইয়াৰ বিৰুদ্ধে দুৰ্নীতিৰ এটাও অভিযোগ উত্থাপন কৰা হোৱা নাই। তেওঁ দাবী কৰে যে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনত উল্লেখ কৰা পৰিৱেশ, যিটো পূৰ্বৰ চৰকাৰৰ সময়ত এপিএছচিৰ চাকৰিৰ বাবে কোটি কোটি লেনদেনৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছিল, এতিয়া সম্পূৰ্ণৰূপে বিশুদ্ধ হৈছে। বৰ্খাস্ত কৰা নিযুক্তিৰ উদাহৰণ দি তেওঁ নূপুৰ বাৰাৰ বিষয়টোও উত্থাপন কৰে আৰু কয় যে নিযুক্তি পোৱাৰ পিছতো যদি কোনোবা দুৰ্নীতিত জড়িত ধৰা পৰে তেন্তে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। দুৰ্নীতিৰ বিৰুদ্ধে হুংকাৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে বৰ্তমান যুগত প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি পাইছে, সেয়েহে কোনো চৰকাৰী কৰ্মচাৰীয়ে উৎকোচ বা দুৰ্নীতিৰ পৰা সাৰি যাব নোৱাৰে। ৰাজহ বিভাগে যোৱা পাঁচ বছৰত সৰ্বাধিক সংখ্যক মণ্ডল গ্ৰেপ্তাৰ কৰিছে বুলি উল্লেখ কৰি তেওঁ সতৰ্ক কৰি দিয়ে যে আয়কৰৰ পৰা নগদ ধন লুকুৱাই ৰখাটো আৰু সহজ নহয়। প্ৰযুক্তিৰ সহায়ত যিকোনো অভিযুক্তক এমাহৰ ভিতৰত ধৰিব পৰা যাব বুলি তেওঁ দৃঢ়তাৰে কয়। সেয়েহে তেওঁ নৱনিযুক্ত বিষয়াসকলক তেওঁলোকৰ কাৰ্যালয়ত এক পৰিষ্কাৰ আৰু নিষ্কলুষ পৰিৱেশ সৃষ্টি কৰিবলৈ আহ্বান জনায়। অসম লোকসেৱা আয়োগৰ সফল প্ৰাৰ্থীসকলক এই অনুষ্ঠানত উৎসাহিত হৈ থকা দেখা গৈছিল। মুখ্যমন্ত্ৰীৰ ভাষণে কেৱল প্ৰশিক্ষণ কেন্দ্ৰবোৰলৈ এখন আইনা দেখুওৱাই নহয়, যুৱ বিষয়াসকলক নতুন শক্তিও প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ স্বচ্ছ নিযুক্তি প্ৰক্ৰিয়া এতিয়া এক নজিৰ হৈ পৰিছে।

# অবৈধ ইটা ভাটাৰ বিৰুদ্ধে আৰু ছাটাবাৰী অঞ্চলত মদৰ দোকান স্থাপন কৰাত ক্ষোভিত ছাত্ৰ সন্থা

## ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ স্মাৰক পত্ৰ প্ৰদান



**অসম বাৰ্তা, ছয়গাঁও, ৫ মাৰ্চ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা আজি দুপৰীয়া কামৰূপ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয় আৰু ছয়গাঁও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত দুখনকৈ স্মাৰক পত্ৰ প্ৰদান কৰা হয়। ছয়গাঁও আৰু গৰৈমাৰী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত যিসমূহ অবৈধ ইটা ভাটা চলি আছে উক্ত ইটা ভাটাৰ বিৰুদ্ধে বিগত সময়ত বিভিন্ন ধৰণৰ অভিযোগ উত্থাপন হৈ আহিছে। যেনে- উদ্যোগ শ্ৰেণীৰ মাটিৰ পৰিৱৰ্তে কৃষি শ্ৰেণীৰ মাটিত ইটা ভাটা চলোৱা, চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া হাৱা ভাটাৰ পৰিৱৰ্তে কেঁচা/চিমনি ভাটাৰ ব্যৱহাৰ কৰি ইটা নিৰ্মাণ কৰা, তৈয়াৰ কৰা ইটাৰ গুণাগুণ পৰিক্ষণ নকৰা, নিম্নতম দূৰত্ব ভিতৰত জনবসতি এলেকাত ইটা ভাটা স্থাপন কৰা, বায়ু প্ৰদূষণৰ সৃষ্টি কৰা, ৰয়েল্টি ফাঁকি দিয়া, শিশু শ্ৰমিক ব্যৱহাৰ কৰা, শ্ৰমিক সকলোক নিম্নতম সুবিধা প্ৰদান নকৰা, শ্ৰমিক সকলে থকা ঘৰ, খাদ্য, বিশুদ্ধ খোৱাপানী, স্বাস্থ্য, শৌচালয় আদিৰ ব্যৱস্থা নথকাৰ লগতে চৰকাৰী বিভিন্ন বিভাগৰ বৈধ অনুজ্ঞাপত্ৰ বিহীনভাৱে ইটা ভাটাৰ মালিক সকলে ব্যৱসায় চলাই আহিছে। গতিকে চক্ৰ বিষয়াক এই বিষয় সমূহৰ ওপৰত তদন্ত কৰি অবৈধ ইটা ভাটা সমূহ বন্ধ কৰাৰ বাবে দাবী জনাইছে ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাই। ইয়াৰ উপৰিও ছয়গাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত ছাটাবাৰী অঞ্চলত MGB Wine Shop নামৰ মদৰ দোকান স্থাপন কৰাত ক্ষোভিত হয় ছাত্ৰ সন্থাৰ কাৰ্য কৰ্তা সকলে। যি অঞ্চলত এখন ভাল উচ্চ শিক্ষানুষ্ঠান নাই কিন্তু সেই অঞ্চলত বিভাগীয় কৰ্তৃপক্ষই মদৰ দোকানৰ অনুমতি দিয়াটো ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাই কেতিয়াও মানি নলয়। ছাটাবাৰীৰ দৰে অতি ভিতৰুৱা গাঁও এখনত যি মদৰ দোকান বহিছে তাৰ ফলত উক্ত অঞ্চলটোৰ ধাৰ্মিক, শৈক্ষিক আৰু সমাজিক পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ উত্থাপন কৰিছে ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাই। সেয়েহে উক্ত স্পৰ্শকাতৰ বিষয়টো গুৰুত্ব সহকাৰে লৈ অতি শীঘ্ৰে মদৰ দোকান বন্ধ কৰিবলৈ ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাই দাবী জনাইছে। যদিহে অতি শীঘ্ৰে মদৰ দোকানখন বন্ধ নহয় তেতিয়া হ'লে ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাই ৰাইজৰ সহযোগত গণতান্ত্ৰিক আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলি কয়। আজি ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বনজিৎ কলিতা আৰু সাধাৰণ সম্পাদক হীৰক জ্যোতি শালৈয়ে এক প্ৰেছ বিজ্ঞপ্তিত এই কথা উল্লেখ কৰে।

# কৰ্দৈগুৰিত মৰাণ ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি; অভ্যৰ্থনা সমিতি গঠন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৫ মাৰ্চ ঃ** ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ একমাত্ৰ ছাত্ৰ সংগঠন সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস এইবাৰ তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ আতিথ্যত আৰু কৰ্দৈগুৰিবাসী ৰাইজৰ সহযোগত দুদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰিব। এই উপলক্ষে আজি কৰ্দৈগুৰিৰ বৰগড়া ৰাজহুৱা প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰদীপ কুমাৰ মৰাণৰ পৌৰোহিত্যত অনুষ্ঠিত ৰাজহুৱা সভাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজসেৱক ফটিক মৰাণক সভাপতি, ৰজনীকান্ত মৰাণক কাৰ্যকৰী সভাপতি, কৰ্দৈগুৰি উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক লীলেশ্বৰ মৰাণ আৰু বৰগড়া গাঁৱৰ অনিল মৰাণক যুটীয়া সম্পাদক, সাংবাদিক খগেন মৰাণক কোষাধ্যক্ষ, কৰ্দৈগুৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক নীৰৱ দহোতীয়াক স্মৃতিগ্ৰন্থ সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। অহা ৫ আৰু ৬ মে' তাৰিখে উদযাপন কৰিবলগীয়া বিস্তৃত কাৰ্যসূচীত বিভিন্ন প্ৰতিযোগিতাৰ উপৰিও আলোচনা চক্ৰ, সাংস্কৃতিক প্ৰদৰ্শনী, গ্ৰন্থমেলা, শোভাযাত্ৰা, ন-পুৰণি সতীৰ্থ সন্মিলন, সম্বৰ্দ্ধনা আদি অনুষ্ঠান থাকিব। সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণে সভাৰ উদ্দেশ্য বিশদ ভাবে ব্যাখ্যা কৰা পাছত সন্থাৰ সভাপতি পলীন্দ্ৰ বড়া, সন্থাৰ উপদেষ্টা টিকেন্দ্ৰজিৎ গোহাঁই, অসম মৰাণ সভাৰ সাধাৰণ সম্পাদক বিতোপন মৰাণ, শিক্ষক ফটিক মৰাণ, তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নীৰৱ মৰাণ, উদীয়মান যুৱক ইন্দ্ৰেশ্বৰ দহোতীয়া আদিয়ে আগন্তুক প্ৰতিষ্ঠা দিৱসৰ সমূহ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়।

# উত্তৰ গুৱাহাটীত দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৫ মাৰ্চ ঃ** উত্তৰ গুৱাহাটী ৰুদ্ৰেশ্বৰ ক্ৰিকেট ক্লাবৰ উদ্যোগত এইবেলিও ১৩ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰা হৈছে। শংকৰ শইকীয়া সোঁৱৰণী দিবা -নৈশ ক্ৰিকেট প্ৰতিযোগিতাখনৰ বিজয়ী দলটোক নগদ এক লাখ আৰু ট্ৰফীৰে পুৰস্কৃত কৰাৰ বিপৰীতে বিজিত দলটোক নগদ ৫০ হাজাৰ আৰু ট্ৰফীৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতা খনত অংশগ্ৰহণ কৰিব খোজা আগ্ৰহী দল সমূহক ৮৬৩৮৩২৮০৪৬, ৬০০০১৮২৫০১ নম্বৰত যোগাযোগ কৰিব কোৱা হৈছে। প্ৰতিযোগিতাখন উত্তৰ গুৱাহাটী ৰুদ্ৰেশ্বৰ খেলপথাৰত অনুষ্ঠিত হ'ব।

# ৰহাত প্ৰাক্তন প্ৰধান শিক্ষক প্ৰফুল্ল কুমাৰ নাথৰ গ্ৰন্থ মই ভাগৰা নাই উন্মোচন




**অসম বাৰ্তা, ৰহা, ৫ মাৰ্চ ঃ** ৰহা ৰজাগাঁও নিবাসী তথা দীঘলদৰি কাকতিগাঁও মধ্য ইংৰাজী বিদ্যালয় ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰফুল্ল কুমাৰ নাথৰ মই ভাগৰা নাই নামৰ গ্ৰন্থ উন্মোচন হয়। অসম সাহিত্য সভাৰ ৰহা শাখাৰ উদ্যোগত আজি দিনৰ ২বজাৰ পৰা ৰহা শাখা সাহিত্য সভাৰ সভাপতি প্ৰহ্লাদ কুমাৰ মছৰংৰ সভাপতিত্বত, সম্পাদক লক্ষ্মী প্ৰসাদ ডেকাৰ উদ্দেশ্য ব্যাখ্যাৰে অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী সভাৰ ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয় ৰ প্ৰাক্তন অধ্যক্ষ কমল চন্দ্ৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰাৰ লগতে প্ৰফুল্ল কুমাৰ নাথৰ মই ভাগৰা নাই গ্ৰন্থ সাহিত্যিক পেঞ্চনাৰ, বিশিষ্ঠা শিক্ষাবিদ মনোৰমা ভূএঞাই উদ্বোধন কৰি সভাক সম্বোধন কৰে। গ্ৰন্থ উন্মোচনী সভাত ৰহা মহাবিদ্যালয় ৰ প্ৰাক্তন প্ৰবক্তা যতীন্দ্ৰ কুমাৰ পাৰৈ, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয় ৰ প্ৰাক্তন অধ্যক্ষা বিজয়া গগৈ, ঢোলৰ বিশিষ্ট উজা, সাংস্কৃতিক কৰ্মী থুলেশ্বৰ ডেকা, ৰহা বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰাক্তন অধ্যক্ষা ড° নিৰলা দেৱী, ৰহা শাখা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি মাধৱ চন্দ্ৰ নাথ, ৰহা শাখা সাহিত্য সভাৰ কোষাধক্ষ্য ডম্বৰু শৰ্মা, ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি দীপক কুমাৰ শৰ্মা, সম্পাদক পংকজ বৰা, কবি প্ৰেম নাৰায়ন নাথ সহ ৰহা শাখা সাহিত্য সভা আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান ৰ প্ৰতিনিধি উপস্থিত থাকে।

## বিজিত বসুমতাৰী সভাপতি আৰু কুশল বড়ো সম্পাদকৰূপে নিৰ্বাচিত

# নাগ্ৰীজুলিত সদৌ বডোলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ত্ৰি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৫ মাৰ্চ ঃ** সদৌ বডোলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ষষ্ঠ ত্ৰি-বাৰ্ষিক অধিৱেশনখনি যোৱা ২ আৰু ৩ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে তামোলপুৰ জিলাৰ নাগ্ৰীজুলিৰ খাটৰবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হৈ যায়। ২ মাৰ্চৰ আবেলি মূল তোৰণ উন্মোচন কৰে কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা তথা অভ্যৰ্থনা সমিতিৰ উপ-সভাপতি খেম বাহাদুৰ থাপাই। বিয়লি কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰবি ৰাম বড়োৰ সভাপতিত্বত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত ওদালগুৰি, চিৰাং, বাক্সা, তামোলপুৰ আৰু কোকৰাঝাৰ জিলা আৰু মণ্ডল সমিতিসমূহৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। প্ৰতিনিধি সভাই পৰৱৰ্তী কাৰ্যকালৰ বাবে বিজিত বসুমতাৰীক সভাপতি আৰু কুশল বড়োক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰে। প্ৰতিনিধি সভা উদ্বোধন কৰে বি টি চিৰ উপাধ্যক্ষ বিজিত গৌড়া নাৰ্জাৰীয়ে। ৩ মাৰ্চৰ পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি চক্ৰ বাহাদুৰ চৌহানে। মূল পতাকাৰ লগতে আন পাঁচখন পতাকা উত্তোলন কৰে ক্ৰমে ওদালগুৰি জিলা সমিতিৰ সভাপতি প্ৰমোদ হাজৰিকা, চিৰাং জিলা সমিতিৰ সভাপতি ক্ষীৰেন নাৰ্জাৰী, বাক্সা জিলা সমিতিৰ সভাপতি সৌমখৌৰ ইছলাৰী, তামোলপুৰ জিলা সমিতিৰ সভাপতি পূৰ্ণেশ্বৰ বড়ো আৰু কোকৰাঝাৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক জুৰি সৌৰাং গয়াৰীয়ে। স্মৃতি তৰ্পণ কৰে বি টি চিৰ পাৰিষদ মহেশ্বৰ বসুমতাৰীয়ে। আবেলি কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি চক্ৰ বাহাদুৰ চৌহানৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। কুশল বড়ো আৰু বিজিত বসুমতাৰীয়ে আঁত ধৰা সভাত আদৰণি ভাষণ দিয়ে অভ্যৰ্থনা সমিতিৰ উপদেষ্টা তথা তামোলপুৰ জিলা সমিতিৰ সভাপতি পূৰ্ণেশ্বৰ বড়োৱে। নিৰ্দিষ্ট বক্তাৰ আসন শুৱনি কৰে টি ব'ৰ্ড অৱ ইণ্ডিয়াৰ গুৱাহাটী শাখাৰ উপ সঞ্চালক দিলুমণি কাকতিয়ে। সভাত মুখ্য অতিথিৰূপে ভাষণ দিয়ে বি টি চিৰ কাৰ্যবাহী সদস্য গণেশ কছাৰীয়ে। বি টি চিৰ পাৰিষদ লক্ষ্মী দাস আৰু প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰীয়েও সভাত ভাষণ দিয়ে। মুকলি সভাতে দিবাকৰ বড়াৰ মুখ্য সম্পাদনাত প্ৰকাশিত বড়ো, অসমীয়া আৰু ইংৰাজী ত্ৰি-ভাষিক স্মৃতিগ্ৰন্থ 'সোণা বিলাই' উন্মোচন কৰে বি টি চিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ড° ধৰ্মনাৰায়ণ দাসে।

# অৱসৰী বিষয়া গোলাপ শইকীয়াৰ মৃত্যুত কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ শোক

**অসম বাৰ্তা, লীলাবাৰী, ৫ মাৰ্চ ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰী বিষয়া গোলাপ শইকীয়াৰ মৃত্যুত শোক প্ৰকাশ কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ। উত্তৰ লখিমপুৰ চহৰৰ সমীপৰ বৰ-কমলাবৰীয়াৰ নিবাসী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰী বিষয়া তথা সৰবৰহী, ধৰ্মপ্ৰাণ ব্যক্তি গোলাপ শইকীয়াৰ মৃত্যুত শোক প্ৰকাশ কৰি কোচ ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি, বিশিষ্ট যুৱ সাহিত্যক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে অৱসৰী বিষয়া গোলাপ শইকীয়াৰ বিয়োগ লখিমপুৰবাসীৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি বিকাশ দত্ত, সাধাৰণ সম্পাদক নিতুল শইকীয়া, মুখ্য সাংগঠনিক সম্পাদক নিতুল বৰা, উপদেষ্টা বাবুল দত্ত, উত্তৰ লখিমপুৰ নগৰ আঞ্চলিক কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি সিদ্ধাৰ্থ শংকৰ শইকীয়া, কাৰ্যকৰী সভাপতি দেৱজিৎ দত্ত, সাধাৰণ সম্পাদক মানস প্ৰতিম দত্ত আৰু উপদেষ্টা বিপুল দত্তই শইকীয়াৰ দেহাৱসানত শোক ব্যক্ত কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেখেতৰ বিয়োগ জিলাবাসীৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে।

# শ্ৰীশ্ৰী মদ্-ভাগৱত সপ্তাহ মহাপুৰাণৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৫ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ চাউলধোৱাঘাটৰ দুই নং দক্ষিণ ৰূপহীত অহা ১৯ মাৰ্চৰ পৰা ২৬ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া শ্ৰীশ্ৰী মদ্-ভাগৱত সপ্তাহ মহাপুৰাণৰ পবিত্ৰ লাইখুঁটা স্থাপন অনুষ্ঠান আজি অনুষ্ঠিত হয়। দুই নং দক্ষিণ ৰূপহীৰ ছত্ৰ বাহাদুৰ চেত্ৰীৰ বাসভৱনত অনুষ্ঠিত হ'ব এই পবিত্ৰ অনুষ্ঠান। আজি মাংগলিক কাৰ্যসূচীৰ মাজেৰে স্থানীয় ৰাইজৰ উপস্থিতিত পবিত্ৰ লাইখুঁটা স্থাপন কৰা হয়। অনুষ্ঠানত কথা প্ৰবাচক হিচাপে উপস্থিত থাকিব ভাগৱত আচাৰ্য পুৰুষোত্তম উপাধ্যায় আৰু উপবাচক হিচাপে উপস্থিত থাকিব কিশোৰ কুমাৰ গুৱাগাই। ভজনৰ দল হিচাপে উপস্থিত থাকিব শচীন উপাধ্যায়ৰ ভজনৰ দল। অনুষ্ঠানৰ প্ৰতিটো দিনতে সকলো ৰাইজৰ সহযোগিতা কামনা কৰিছে আয়োজকে।

# হাউলীত প্ৰাইজমানি পাতল টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা

**অসম বাৰ্তা, হাউলী, ৫ মাৰ্চ ঃ** হাউলীৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান 'ক্লাৱ জাগৰণ'ৰ উদ্যোগত অনুষ্ঠিত হ'ব প্ৰাইজমানি পাতল টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা। আগন্তুক ৭ আৰু ৮ মাৰ্চত চণ্ডীবৰুৱা মিনি ষ্টেডিয়ামত হ'ব এই প্ৰতিযোগিতা। গিৰীশ নাথ আৰু মিলন নাথ সোঁৱৰণী ক্ৰিকেট প্ৰতিযোগিতাখনত যোল্লটা দলে অংশগ্ৰহণ কৰিব বুলি ক্লাৱৰ সভাপতি কল্যাণ পাঠক আৰু সম্পাদক মানস পাঠকে জনাইছে। প্ৰতিটো দলত নজনকৈ খেলুৱৈ থাকিব বুলি খেল পৰিচালনা সমিতিয়ে অবগত কৰিছে। প্ৰথম পুৰস্কাৰ পোন্ধৰ হাজাৰ টকা আৰু দ্বিতীয় পুৰস্কাৰ দহ হাজাৰ টকাৰ লগতে ট্ৰফী থাকিব বুলি আহ্বায়ক কংকণ তালুকদাৰে জানিবলৈ দিছে। দেশৰ প্ৰতিষ্ঠিত অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠান IIFL FINANCE যে প্ৰতিযোগিতাখনত সহযোগ কৰিছে। উল্লেখ্য যে জনপ্ৰিয় ক্লাবটোৰ ক্ৰীড়া বিভাগৰ দায়িত্বত আছে সভাপতি ধীৰাজ নাথ আৰু সম্পাদকদ্বয় ক্ৰমে সুৰজিৎ বৈশ্য আৰু ভূপেন কলিতা।

# সৃজনগ্ৰামৰ ৰঘুনাথ বিগ্ৰহ মন্দিৰ সত্ৰত অন্ত পৰিল শ্ৰীকৃষ্ণৰ ৰাজদৌলৰ

**অসম বাৰ্তা, অভয়াপুৰী, ৫ মাৰ্চ ঃ** যোৱা ২ মাৰ্চত অধিবাসৰে সৃজনগ্ৰাৰ ঐতিহাসিক ৰঘুনাথ বিগ্ৰহ মন্দিৰ সত্ৰত সাতদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা শ্ৰীকৃষ্ণৰ ৰাজদৌলৰ আজি অন্ত পৰে। আজি খামাৰপাৰা পথাৰত অনুষ্ঠিত হোৱা সুৰেৰীৰ অন্তত মণিকূটত পুনৰ ৰাম লক্ষণ সীতাৰ মূৰ্তি প্ৰতিষ্ঠা কৰাৰ পাছত সামৰণি পৰে শ্ৰীকৃষ্ণৰ ৰাজদৌলৰ। ধৰ্মানুষ্ঠানখনত সাতদিনীয়া কাৰ্যসূচীৰে চলি থকা দৌলযাত্ৰাৰ আজি আছিল চতুৰ্থ দিন। আজি চতুৰ্থ দিনৰ কাৰ্যসূচী মতে ৰাতিপুৱা নিত্য পূজা, ভাগৱত পাঠ, আই নাম আদিৰ পাছত বিয়লি ৰাম আৰু লক্ষ্মণৰ বিগ্ৰহ পৰম্পৰা মতে ৰাইজে কান্ধত খামাৰপাৰা পথাৰলৈ সুৰেঁৰীৰ বাৰে আনে আৰু বেলি লহিওৱাৰ পূৰ্বে সুৰেঁৰীস্থলী ত্যাগ কৰি মূল ধৰ্মানুষ্ঠানলৈ পুনৰ লৈ যোৱা হয় ৰাম লক্ষ্মণৰ বিগ্ৰহক। ৰাম লক্ষ্মণৰ বিগ্ৰহ ধৰ্মানুষ্ঠান গৈ পোৱাৰ পাছত ৰাম লক্ষ্মণ আৰু সীতাৰ বিগ্ৰহক প্ৰতিষ্ঠা কৰা হয় আৰু সন্ধিয়া প্ৰসংগ পাঠৰ অন্তত সামৰণি পৰে শ্ৰীকৃষ্ণৰ ৰাজদৌলৰ। উল্লেখ্য যে ২ মাৰ্চত অধিবাস কাৰ্যসূচীৰে আৰম্ভ হোৱা দৌলোৎসৱখনৰ ৩ মাৰ্চৰ কাৰ্যসূচী মতে ৰাম লক্ষণ সীতাৰ মূৰ্তি ধৰ্মানুষ্ঠানখনৰ মনিকূটৰ পৰা উলিয়াই আনি দৌলগৃহত আৰু শ্ৰীকৃষ্ণৰ মূৰ্তিটোক দৌলঢাপত প্ৰতিষ্ঠা কৰা হৈছিল। বিগ্ৰহ প্ৰতিষ্ঠা কৰাৰ পাছত আৰম্ভ হৈছিল হোমযজ্ঞ, পূজা অৰ্চনা। সমান্তৰালভাৱে চলিছিল নাম, আই নাম, হোলী গীত আদি। বিয়লি প্ৰসংগ পাঠ, নাম আৰু ৰংগীলা অনুষ্ঠানৰ পাছত সামৰণি পৰিছিল ৩ মাৰ্চৰ কাৰ্যসূচীৰ। কালি ৰাতিপুৱা পূজা অৰ্চনা, নাম আদিৰে দিনৰ কাৰ্যসূচীৰ সামৰণি পৰাৰ পাছত নিশা পৰিৱেশন কৰা হৈছিল জুবিন গাৰ্গৰ অন্তিম চিনেমা ৰৈ ৰৈ বিনালেখন আৰু আজি মাংগলিক আৰু পৰম্পৰাগত কাৰ্যসূচী সমূহ ৰূপায়ণৰ পাছত অন্ত পৰে শ্ৰীকৃষ্ণৰ ৰাজদৌলৰ। কাইলৈ দৌলোৎসৱৰ নাথাকিব কোনো কাৰ্যসূচী। পৰহি অৰ্থাৎ ৭ মাৰ্চত অধিবাসৰ কাৰ্যসূচীৰে আৰম্ভ হ'ব পঞ্চমী দৌলৰ কাৰ্যসূচীৰ। সেই দিনা অধিবাসৰ নাম কীৰ্তনৰে পঞ্চমী দৌলৰ কাৰ্যসূচীৰ অন্ত পৰাৰ পাছত ৮মাৰ্চত পুনৰ মনিকূটৰ পৰা ৰাম লক্ষণ আৰু সীতাৰ মূৰ্তি বাহিৰলৈ উলিয়াই আনি প্ৰতিষ্ঠা কৰা হ'ব দৌল গৃহত। তাৰপাছত আৰম্ভ কৰা হ'ব পূজা অৰ্চনা, হোম-যজ্ঞ ভাগৱত পাঠ আদিৰ। দিনৰ এক বজাত ঘোষা নাম। বিয়লি বীৰ নাম। নিশা যাত্ৰাভিনয়। ৯ মাৰ্চত ৰাতিপুৱা পূজা অৰ্চনা, ভাগৱত পাঠ, বিয়লি খাৰাতাল সন্ধিয়া পথাৰত সুঁৰেৰী আৰু মূল মন্দিৰত বিগ্ৰহ প্ৰতিষ্ঠা কৰাৰ শেষত অন্ত পৰিব ৰঘুনাথ বিগ্ৰহ মন্দিৰ সত্ৰৰ দৌলোৎসৱৰ।

# ৮ মাৰ্চত ডিব্ৰুগড়ত "চাহ মজদুৰ আদিবাসী মহাসন্মিলন"ৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৫মাৰ্চ ঃ** বিজেপি চৰকাৰে চাহ জনগোষ্ঠীৰ বিভিন্ন সমস্যাক আভুৱাভাৱি অহা অভিযোগ কৰি ডিব্ৰুগড়ৰ ৰাজীৱ ভৱনত আজি অনুষ্ঠিত এক সংবাদ মেলত প্ৰাক্তন মন্ত্ৰী এতুৱা মুণ্ডাই ৰাজ্যৰ বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰাৰ লগতে চাহ জনগোষ্ঠীক চৰকাৰে আভুৱা ভাৰি অহা বুলি মুকলি সমালোচনা কৰে। তেওঁ অভিযোগ উত্থাপন কৰি কয় যে চাহ জনগোষ্ঠী অধ্যুষিত অঞ্চলত প্ৰায় ৪০টা সমষ্টিৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে এতিয়ালৈকে কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা নাই। সংবাদ মেলত মুণ্ডায় জনায় যে চাহ জনগোষ্ঠীৰ বিভিন্ন সমস্যাক জনসাধাৰণক অৱগত কৰা উদ্দেশ্যে অহা ৮ মাৰ্চত মৰাণৰ তিলৈ গ্ৰাম্য বজাৰ প্ৰেক্ষাগৃহত "চাহ মজদুৰ আদিবাসী মহাসন্মিলন" অনুষ্ঠিত কৰা হৈছে যত কংগ্ৰেছ দলৰ প্ৰভাৰীকে ধৰি অসম কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ উপস্থিত থাকিব। আজি সংবাদমেলত কংগ্ৰেছ দলৰ জিলা সভাপতি বিপুল ৰাভা, জিলা প্ৰভাৰী ঘন হাজৰিকা, নিলনেত্ৰ নেওঁগকে ধৰি কেইবাজনো দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

# এছপিএম আই এ এছ একাডেমীৰ বিৰুদ্ধে আমগুৰিত এজাহাৰ দাখিল অসমীয়া যুৱ মঞ্চৰ



**অসম বাৰ্তা, আমগুৰি, ৫ মাৰ্চ ঃ** ৰাষ্ট্ৰীয় প্ৰতীকৰ অপব্যৱহাৰৰ অভিযোগ তুলি গুৱাহাটীৰ ব্যক্তিগত প্ৰশিক্ষণ প্ৰতিষ্ঠান এছপিএম আই এ এছ একাডেমীৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিছে অসমীয়া যুৱ মঞ্চই। আজি অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক আকাশ শইকীয়াই প্ৰতিষ্ঠান টোৰ বিৰুদ্ধে আমগুৰি থানাত এক এজাহাৰ দাখিল কৰিছে। জানিব পৰামতে এছপিএম আইএএছ একাডেমী নামৰ ব্যক্তিগত প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৱে নিজৰ স্মাৰকত ৰাষ্ট্ৰীয় প্ৰতীক ব্যৱহাৰ কৰি ২০০৫ চনৰ The State Emblem of India (Prohibion of Improper Use) Act উলংঘা কৰিছে। উল্লেখযোগ্য যে, উক্ত আইন অনুসৰি ব্যক্তিগত লাভালাভৰ কোনো অনুষ্ঠান প্ৰতিষ্ঠানে ৰাষ্ট্ৰীয় প্ৰতীক ব্যৱহাৰ কৰিব নোৱাৰে। কিন্তু এই প্ৰতিষ্ঠানটোৱে সকলো নিয়ম উলংঘা কৰি ৰাষ্টীয় প্ৰতীকৰ দুৰপ্ৰয়োগ কৰাৰ অভিযোগ আনিছে সংগঠনটোৱে।

# মাহমৰাত গঠন হ'ল 'সদৌ অসম বিহু সংস্কৃতি চৰ্চা মঞ্চ'ৰ চৰাইদেউ জিলা সমিতি

**অসম বাৰ্তা, আমগুৰি, ৫ মাৰ্চ ঃ** মাহমৰা মধ্য অসমীয়া বিদ্যালয়ৰ প্ৰাংগণত যোৱা ৪ মাৰ্চ তাৰিখে অনুষ্ঠিত এক ৰাজহুৱা সভাত "সদৌ অসম বিহু সংস্কৃতি চৰ্চা মঞ্চ"ৰ চৰাইদেউ জিলা সমিতি আনুষ্ঠানিকভাৱে গঠন কৰা হয়। মঞ্চৰ কেন্দ্ৰীয় সভাপতি তৰুণ চন্দ্ৰ নাথৰ সভাপতিত্বত আৰু কেন্দ্ৰীয় সম্পাদক বিজয় গগৈৰ পৰ্যালোচনাত অনুষ্ঠিত সভাখনিৰ উদ্দেশ্য মুখপাত্ৰ চিৰঞ্জীৱ বৰগোহাঁয়ে ব্যাখ্যা কৰে। সভাত শিক্ষক তথা সাংস্কৃতিক কৰ্মী শিৱ বেজবৰুৱা, পল্লৱ বৰপাত্ৰ গোহাঁই, নিত্যা বৰুৱা, অনন্ত কোঁৱৰ, অনুজ কোঁৱৰ, ৰূপালী কোঁৱৰ, অধিবক্তা জ্ঞান দত্ত, লোক-সংস্কৃতিৰ সাধক অজিত গগৈ, কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি নৱদীপ হাজৰিকা, শিৱসাগৰ জিলা সমিতিৰ সভাপতি ক্ষিৰোদজ্যোতি গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মাহমৰা আঞ্চলিক সভাপতি লক্ষ্মী দাস পাণিকা, মাহমৰা প্ৰেছ ক্লাৱৰ সভাপতি সঞ্জয় নেৱাৰ, সাংস্কৃতিক কৰ্মী নৃপেন দিহিঙীয়া আৰু দীপক শৰ্মাসহ আন কেইবাগৰাকী বক্তাই গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া স্বৰ্ণ দিহিঙীয়া, পল্লৱী গগৈ, প্ৰাঞ্জল নেওগ, কনচেং গগৈ, বিকাশ গগৈ, কামাখ্যা কোঁৱৰ, প্ৰণৱ গগৈৰ লগতে বিদ্যালয়ৰ প্ৰধান শিক্ষক সূৰ্য বৰগোহাঁই আৰু বিহুৱা কৃষ্ণ গগৈয়ে বিশেষভাৱে অংশগ্ৰহণ কৰা সভাখনিত চৰাইদেউ জিলাৰ বিভিন্ন প্ৰান্তৰ শতাধিক বিহুৱা, বিহুৱতী তথা সাহিত্য-সাংস্কৃতিক কৰ্মী উপস্থিত থাকে। সভাৰ বিশেষ আকৰ্ষণ আছিল শিক্ষয়িত্ৰী তথা সাংস্কৃতিক কৰ্মী স্বৰ্ণ দিহিঙীয়াৰ পৰিকল্পনা আৰু পৰিচালনাত "ন জোন গাভৰু বিহু দল"ৰ বিহু পৰিৱেশন আৰু ঢুলীয়া ওজা কনচেং গগৈৰ ঢোলৰ ওজা ছেও পৰিৱেশন। সভাতেই শিৱ বেজবৰুৱাক সভাপতি আৰু নিত্যা বৰুৱাক সম্পাদক হিচাপে লৈ চৰাইদেউ জিলা সমিতি আনুষ্ঠানিকভাৱে গঠন কৰা হয়। বিয়লি অসম সংগীত পৰিৱেশনৰ মধ্য দিয়ে সভাখনিৰ সামৰণি পৰে।

## বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী হিচাপে থিয় দিছে জ্যেষ্ঠ কংগ্ৰেছ নেতা গৰাকীয়ে

# বিশ্বনাথত কংগ্ৰেছ প্ৰাৰ্থী প্ৰত্যাশী অধিবক্তা ছহিদুৰ ৰহমানৰ সংবাদমেল

**অসম বাৰ্তা, বিহালী, ৫ মাৰ্চ ঃ** বিশ্বনাথত কংগ্ৰেছ প্ৰাৰ্থী প্ৰত্যাশী অধিবক্তা ছহিদুৰ ৰহমানৰ সংবাদ মেল। সংবাদ মেল যোগে নেতা গৰাকীয়ে ১৯৯১ চনৰ পৰা ভাৰতীয় কংগ্ৰেছ দলৰ লগত জড়িত থাকি বৰ্তমান বিশ্বনাথ জিলা কংগ্ৰেছৰ উপ সভাপতিৰ দায়িত্ব নিয়াৰিকৈ পালন কৰি আহিছে অধিবক্তা ছহিদুৰ ৰহমানে। কংগ্ৰেছ নেতা গৰাকীৰ মতে বিশ্বনাথ বিধানসভা সমষ্টিত চাহ জনগোষ্ঠী আৰু সংখ্যালঘু ভোটাৰ যথেষ্ট প্ৰভাৱ আছে। আনফালে কংগ্ৰেছ নেতা ছহিদুৰ ৰহমানৰ দাবী যে বিশ্বনাথ বিধান সভা সমষ্টিত কেৱল সংখ্যালঘু নেতাইহে উদ্ধাৰ কৰিব পাৰিব। ইয়াৰ উদাহৰণ হল প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন বিধায়ক নুৰজামাল সৰকাৰ। নুৰজামাল সৰকাৰে বিশ্বনাথ বিধান সভা সমষ্টিৰ পৰা তিনিবাৰকৈ বিধান সভালৈ যাবলৈ সক্ষম হৈছিল। কিন্তু ২০১০ আৰু ২০১৬ চনত প্ৰাক্তন মন্ত্ৰী, প্ৰাক্তন বিধায়ক নুৰজামাল সৰকাৰে দুবাৰে ১০০০/১২০০ ভোটৰ ব্যৱধানত পৰাস্ত হৈছিল। ইয়াৰ একমাত্ৰ কাৰণ হিচাপে কংগ্ৰেছ নেতা গৰাকীয়ে কয় যে সেই সময়ৰ জিলা কংগ্ৰেছৰ তদানীন্তন সভাপতি দিলীপ বৰুৱাৰ বাবেহে নুৰজামাল সৰকাৰে পৰাস্ত হৈছিল। কিন্তু তাৰ বিপৰিতে ১৯৭২, ১৯৭৮, ১৯৮৫ আৰু ২০২১ চনত বিশ্বনাথ বিধান সভা নিৰ্বাচনত কংগ্ৰেছ দলে মূলশুটিৰ প্ৰাৰ্থী বিশ্বনাথ বিধানসভা সমষ্টিৰ পৰা প্ৰক্ষেপ কৰিছিল যদিও এই সকলোখিনি প্ৰাৰ্থীয়ে পৰাজয় বহন কৰিবলগীয়া হৈছিল। যাৰ বাবে কংগ্ৰেছ নেতা ছহিদুৰ ৰহমানৰ মতে বিশ্বনাথ বিধান সভা সমষ্টি কংগ্ৰেছ দলৰ হাতত নিবলৈ হলে একমাত্ৰ বিকল্প তেওঁ বুলি দাবী জনাই সংবাদমেল যোগে। আনহাতে কংগ্ৰেছ নেতা গৰাকীয়ে যদিহে কংগ্ৰেছ দলৰ পৰা প্ৰাৰ্থীত্ব লাভ কৰে, তেনেহ'লে তেখেতৰ জয় নিশ্চিত বুলি সংবাদমেল যোগে দাবী জনায়। ইফালে, টিকট লাভ কৰি জয়লাভ কৰিলে কাজিৰঙা ষষ্ঠ সংযোজনৰ সীমা নিৰ্ধাৰণ, মাছ মৰীয়াসকলৰ মাছ মৰা সমস্যা সমাধান কৰাৰ লগতে ভূমি সংৰক্ষণ আদি এশ এবুৰি সমস্যা থকা বিশ্বনাথক সমাধানৰ বাট প্ৰশস্ত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে জ্যেষ্ঠ নেতা গৰাকীয়ে।

ধিং সমষ্টিৰ পৰাই আৰম্ভ হ'ব ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ নিপাত যাত্ৰা ঃ মেহবুব মুক্তাৰ

# ৰাইজৰ দলৰ প্ৰাৰ্থী প্ৰদানৰ পাছতে ভোটাৰৰ মাজত ধিং সমষ্টিত ব্যাপক উৎসাস



**অসম বাৰ্তা, ভূৰাগাঁও/ মৈৰাবাৰী, ৫মাৰ্চ ঃ** মধ্য অসমৰ এটি গুৰুত্বপূৰ্ণ সমষ্টি হৈছে ধি সমষ্টি। সংখ্যালঘু ভোটাৰ প্ৰধান সমষ্টিটোত এইবাৰ ৰাইজৰ দলে প্ৰাৰ্থীত্ব প্ৰদান কৰিছে জ্যেষ্ঠ সাংবাদিক মেহবুব মুক্তাৰক। ৰাইজৰ দলৰ প্ৰথমখন প্ৰাৰ্থী তালিকাতে ধিং সমষ্টিৰ প্ৰাৰ্থীত্ব ঘোষনা কৰা মাত্ৰকে সমষ্টিটোৰ ভোটাৰৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হয়। মুক্তাৰক বিভিন্ন দল সংগঠনে আদৰণী জনাই আগন্তুক নিৰ্বাচনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে ২০২১ বৰ্ষতো মুক্তাৰে ৰাইজৰ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিছিল। মাত্ৰ ১৫ দিন প্ৰচাৰ চলাই কোনো দলীয় সাংগঠনিক ভেটি নথকাকৈয়ে কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিৰুদ্ধে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈ ৪৩০০০ ভোট লাভ কৰিবলৈ সক্ষম হৈছিল। ২০২১ চনত পৰাজিত হয় যদিও তেতিয়াৰ পৰা মেহবুব মুক্তাৰে ৰাইজৰ দলৰ দলীয় কাম কাজ কৰি ব্লক, মণ্ডল, বুথ পৰ্যায় পৰ্যন্ত সংগঠন কৰি ৰাইজৰ দলৰ ভেটি সৱল কৰি তুলিছে। ইফালে ২০ বছৰ এ আই ইউ ডি এফৰ দখলত থকা সমষ্টিটোৰ পৰা তিনিবাৰকৈ বিধায়ক হোৱা আমিনুল ইছলামৰ দিনত সমষ্টি টোৰ উন্নয়ন একপ্ৰকাৰ স্তব্ধ হৈ পৰে। সমষ্টিত কোনো উন্নয়ন মুলক কাম নকৰাকৈ কেৱল ধৰ্মীয় মেৰুকৰণ ৰাজনীতিকে মুল অস্ত্ৰ হিছাবে লৈ আমিনুলে অতিবাহিত কৰে ১৫টা বছৰ। যাৰ বাবে সমষ্টি টোৰ বাট-পথ, বিশুদ্ধ খোৱা পানীকে ধৰি কৃষি ক্ষেত্ৰতো চৰকাৰী আঁচনি আদিৰ পৰা সম্পুন্ন ৰূপে বঞ্চিত হৈছে সমষ্টিবাসী। উল্লেখ্য যে বৰ্তমানো কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্ৰতা আনুষ্ঠানিক ভাৱে সম্পন্ন হোৱা নাই যদিও, ৰাইজৰ দলৰ প্ৰথমখন প্ৰাৰ্থী তালিকাত কংগ্ৰেছ দলে ইতিপূৰ্বে প্ৰাৰ্থীত্ব ঘোষণা কৰা সমষ্টিত ৰাইজৰ দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাই। অৱশ্যে কংগ্ৰেছ দলে বন্ধুত্বমুলক নিৰ্বাচন খেলিবলৈ ৰাইজৰ দলক আহ্বান জনোৱা দুই এটা সমষ্টিত কংগ্ৰেছ আৰু ৰাইজৰ দল উভয়ে প্ৰাৰ্থীত্ব দিছে। এনে পৰিপেক্ষিতত ধিং সমষ্টিত কংগ্ৰেছ দলে প্ৰাৰ্থীত্ব নিদিয়াৰ সম্ভাৱনাই বেছি। সেয়ে হলে অৱশেষত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্ৰতা চুৰান্ত হব। ৰাইজৰ দল আৰু কংগ্ৰেছ দল একত্ৰিত হলে এ আই ইউ ডি এফৰ ২০ বছৰীয়া ৰাজত্বৰ অৱসান ঘটিব পাৰে ধিঙত। ধিং সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থীত্ব লাভৰ পাছত আজি মেহবুব মুক্তাৰে সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰীয়া প্ৰকাশ কৰি কয় যে - অসমত ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ বিষ বাষ্প চতিয়াই দিয়া অন্যতম সমষ্টি হৈছে ধিং সমষ্টি। শ্ৰীমন্ত শংকৰ দেৱৰ জন্মস্থানৰ দাঁতিতে ধিং সমষ্টি। ৰত্নকান্ত বৰকাকতিৰ দৰে বিশিষ্ট কবিৰ জন্ম স্থান ধিং সমষ্টি। কিন্তু এনে এটা সমষ্টিৰ ভোটাৰক কেৱল ধৰ্মীয় মেৰুকৰণ ৰাজনীতিয়ে বশিভূত কৰি যোৱা ২০টা বছৰ এ আই ইউ ডি এফে ৰাজত্ব কৰাটো অসমৰ ৰাজনীতিৰ বাবেই এটা দুঃসংবাদ। আৰু এইবাৰ ২০২৬ৰ নিৰ্বাচনত ধিং সমষ্টিত প্ৰতিষ্ঠা কৰা হব গুৰুজনাৰ আদৰ্শৰে পৰিপূৰ্ণ এখন সমাজ। ৰত্নকান্ত বৰকাকতিৰ দৰে বৰেণ্য ব্যক্তিৰ নীতি আদৰ্শৰে একত্ৰিত হৈ ধিং সমষ্টিৰ পৰাই আৰম্ভ কৰা হব ধৰ্মীয় মেৰুকৰণ ৰাজনীতিৰ নিপাত যাত্ৰা। এনেদৰে কয় ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে।

# তিনিচুকীয়া পৌৰসভাৰ পৌৰপতিলৈ চলিহা-বৰদলৈ নগৰৰ অন্তৰ্গত শিশু উদ্যান উন্নয়ন সমিতিৰ স্মাৰকপত্ৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ মাৰ্চ ঃ** আজিৰ পৰা অৰ্ধশতিকাৰো পূৰ্বে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ দ্বাৰা তিনিচুকীয়াৰ নগৰ সংবৰ্ধনৰ বাবে অসমৰ দুগৰাকী মুখ্যমন্ত্ৰীৰ নামেৰে নামকৰণ কৰি তিনিচুকীয়াৰ উত্তৰ দিশত চলিহা নগৰ আৰু বৰদলৈ নগৰ নামেৰে দুখন আৱাসিক এলেকা প্ৰতিষ্ঠা কৰা হৈছিল। এই আৱাসিক অঞ্চলত কেইটামান বিশেষ প্লটৰ বাদে বাকী অংশত বিশেষকৈ অল্প আৰ্জনকাৰী মধ্যবিত্ত চাকৰিয়াল আৰু দোকানী-পোহাৰী আদিক কম মূল্যত কিস্তি হিচাপে মাটি আৱণ্টন দিয়াৰ নীতি গ্ৰহণ কৰা হৈছিল। সেইমতে বহুত মধ্যবিত্ত লোকে ইয়াত ঘৰ-দুৱাৰ নিৰ্মাণ কৰি থাকিবলৈ লৈছিল। দুখৰ কথা, পাছলৈ তেনে প্লটসমূহৰ অধিকাংশই বিক্ৰী হস্তান্তৰৰ যোগেদি ধনীক শ্ৰেণীৰ হাতলৈ হস্তান্তৰিত হ'বলৈ ধৰিছে। সিয়ো এক সুকীয়া অধ্যায়। তেতিয়াৰ উন্নয়ন প্ৰাধিকৰণৰ নগৰ পৰিকল্পনাকাৰীসকলে দূৰ ভৱিষ্যতৰ কথা ভাৱি আৱাসিক প্লটসমূহৰ মাজে মাজে শিশু উদ্যান আৰু খেল পথাৰৰ বাবে কিছুমান ভূমি সংৰক্ষণ কৰিছিল। সেই প্লটসমূহ পৰৱৰ্তী পৰ্যায়ত উন্নয়ন সাধন কৰি আৱাসী ৰাইজৰ ব্যৱহাৰৰ বাবে উৎসৰ্গা কৰাৰ প্ৰয়োজন আছিল। তাৰ পৰিৱৰ্তে কেইবাটাও সংৰক্ষিত ভূমি পৰৱৰ্তী উন্নয়ন প্ৰাধিকৰণৰ সভাপতিৰ আসনত উপবিষ্ট শিৱ শম্ভু ওজাৰ দিনত প্লট কৰি ব্যক্তিগত ব্যৱহাৰৰ বাবে বিক্ৰী কৰিলে। কিছুমান সংৰক্ষিত প্লট আৰু খেলপথাৰ সংৰক্ষণৰ প্লট কৰি বিক্ৰী কৰিবলৈ উদ্যত হওঁতেই স্থানীয় ৰাইজে চলিহা-বৰদলৈ নগৰ বাসিন্দা সন্থা, সমন্বয় সংঘ, বৰদলৈ নগৰ উন্নয়ন মহিলা সমিতি আদিৰ নেতৃত্বত প্ৰচণ্ড আন্দোলন কৰি তেনে কাৰ্যৰ পৰা বাৰণ কৰিলে। কিন্তু আজি অৰ্ধশতিকা পাৰ হোৱাৰ পাছতো এই উদ্যান আৰু খেলপথাৰৰ বাবে সংৰক্ষিত ভূমিয়ে বিশেষ উন্নয়নৰ মুখ নেদেখিলে। তেনে সংৰক্ষিত প্লটৰ চৌপাশৰ ৰাইজে ইয়াৰ উন্নয়নৰ বাবে জনপ্ৰতিনিধিৰ মুখলৈ অধীৰ আগ্ৰহেৰে বাট চাই দিন অতিবাহিত কৰিছে। তেনে এটা প্ৰায় এবিঘা মাটিৰ প্লট হৈছে বৰদলৈ নগৰৰ শৰৎ চন্দ্ৰ সিংহ পথৰ উপপথ প্ৰণামী পথৰ কাষৰ শিশু উদ্যানখন। এতিয়াও সি ব্যৱহাৰযোগ্য নোহোৱাত পৰিত্যক্ত অৱস্থাতে আছে। আনফালে ইয়াতে স্থায়ীভাৱে বসবাস কৰা স্থানীয় বাসিন্দাসকলে শিশুসকলৰ খেলা-ধূলা বা কমিউনিটি হল হিচাপে ব্যৱহাৰ কৰিবলৈ ঠাই বিচাৰি হাহাকাৰ কৰিবলগীয়া হৈছে। সেয়ে আজি, শিশু উদ্যান উন্নয়ন সমিতিৰ সৌজন্যত স্থানীয় শৰৎ চন্দ্ৰ সিংহ পথ, জ্যোতিপ্ৰসাদ আগৰৱালা পথ, মহিলা সমিতি পথ, জয়ন্ত হাজৰিকা পথ, প্ৰণামী পথ, ভোগালী পথ, বাঘ হাজৰিকা পথ, কল্যাণপুৰ পথ, কুশল কোঁৱৰ পথ, আতন বুঢ়াগোঁহাই পথ, চহিদ অমৃত তামোলী পথকে ধৰি অঞ্চলটোৰ বাসিন্দাসকলে প্ৰায় পঞ্চাশৰো অধিক স্থানীয় নাগৰিকৰ স্বাক্ষৰ সম্বলিত এখন আবেদন পত্ৰ এটা সঁজাতি দলে তিনিচুকীয়া পৌৰসভাৰ সভাপতি পুলক চেতিয়াৰ ওচৰত দাখিল কৰে। সঁজাতি দলটোত আছিল দুলাল বৰুৱা, পূৰ্ণ কাকতি, উপেন্দ্ৰ বুঢ়াগোহাঁই, মৃদুল গগৈ, লীনু চক্ৰৱৰ্তী, তিলো হাজৰিকা, অমিয় কুমাৰ লাহন আৰু হিতেশ গোহাঁই। দলটোৰ নেতৃত্ব দিওঁতা চলিহা-বৰদলৈ নগৰ বাসিন্দা সন্থাৰ সম্পাদক নগেন বৰদলৈয়ে এই আবেদন পৌৰপতিলৈ সংপ্ৰেৰণ কৰে। পৌৰপতি চেতিয়াই প্ৰথমবাৰৰ বাবে প্ৰাপ্ত উক্ত আবেদন গুৰুত্বসহকাৰে গ্ৰহণ কৰে আৰু কৰণীয় কৰ্তব্যখিনি দায়িত্বসহকাৰে পালন কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে।

নৱনিযুক্ত আয়ুক্ত আই.এ.এছ. আদিত্য বিক্ৰম যাদৱ

# লখিমপুৰ জিলা আয়ুক্তক বদলি

**অসম বাৰ্তা, লীলাবাৰী, ৫ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ আয়ুক্ত প্ৰণৱজিৎ কাকতিক এক চৰকাৰী অধিসূচনাৰ যোগে জিলাখনৰ পৰা বদলি কৰা হৈছে। কাকতিয়ে ২০২৪ বৰ্ষৰ ১৩ ডিচেম্বৰত লখিমপুৰ জিলা আয়ুক্ত হিচাপে দ্বায়িত্বভাৰ গ্ৰহণ কৰিছিল। বিগত পাঁচটা বছৰত লখিমপুৰৰ জিলাৰ পৰা আই.এ.এছ. সুমিত ছাত্তাৱন, আই.এ.এছ. গায়ত্ৰী হ্যায়লিঙ্গে, এ.চি.এছ. লাচিত কুমাৰ দাস আৰু বৰ্তমানৰ এ.চি.এছ. প্ৰণৱজিৎ কাকতিকে ধৰি পাঁচগৰাকী আয়ুক্ত জিলাখনৰ পৰা বদলি হোৱা বিষয়টোৱে জনসাধাৰণৰ মাজত ব্যাপক চৰ্চা চলিছে। জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিয়ে তেওঁৰ ১৫ মহীয়া কাৰ্যকালত জিলাখনৰ জনসাধাৰণৰ বাবে কোনো এটা যোগাত্মক পদক্ষেপ গ্ৰহণ কৰা দৃষ্টিগোচৰ নহ'ল বুলি বিভিন্ন দল-সংগঠনে বিভিন্ন সময়ত সংবাদ মাধ্যমৰ আগত আক্ষেপ কৰে। এ.চি.এছ. বিষয়াগৰাকীয়ে নিজৰ পদ-মৰ্যাদা লাঘৱ কৰি কেৱল শাসকীয় পক্ষৰ এজন কৰ্মীৰ দৰে মন্ত্ৰী, বিধায়কক সন্তুষ্ট কৰাৰ বাবেহে কাম কৰিলে বুলি বিদায় কালত বহুতে অভিযোগ তুলিছে। জিলা দণ্ডাধীশ হিচাপে জনগণৰ হিতৰ বাবেও গ্ৰহণ কৰা নাছিল বিষয়া গৰাকীয়ে কোনো বলিষ্ঠ পদক্ষেপ। জিলা নিৰ্বাচনী বিষয়া হিচাপে এছ.আৰ.ৰ সময়ত তেওঁৰ কাম-কাজ নিৰপেক্ষ নাছিল বুলি একাংশ ৰাজনৈতিক দল ক্ষোভিত হৈছিল। বিষয়াগৰাকীক জিলাখনৰ পৰা বদলি কৰি ২০১৭ বৰ্ষত সৰ্বভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত ৭২ সংখ্যক স্থান দখল কৰা আই.এ.এছ. আদিত্য বিক্ৰম যাদৱক লখিমপুৰৰ নতুন জিলা আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে, যোৰহাট জিলাত খণ্ড উন্নয়ন বিষয়া হিচাপে কৰ্মজীৱনৰ পাতনি মেলা যাদৱে একেখন জিলাতে অতিৰিক্ত আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৯ বৰ্ষত বিষয়াগৰাকী গহপুৰৰ মহকুমাধিপতি হিচাপে বদলি হৈ ২০২১ বৰ্ষত গহপুৰত নিৰ্বাচন পৰিচালনা কৰিছিল।

# লাহৰীঘাটত কবিৰাজৰ হাতত প্ৰাণ গ'ল এগৰাকী কিশোৰীৰ

**অসম বাৰ্তা, লাহৰীঘাট, ৫ মাৰ্চ ঃ** বিজ্ঞান প্ৰযুক্তিৰ যুগত লাহৰীঘাটত সংঘটিত হয় এক নাভূত নাশ্ৰুত কাণ্ড। অন্ধবিশ্বাসৰ বলি হৈ প্ৰাণ হেৰুৱাই এগৰাকী কিশোৰীয়ে। চিকিৎসকৰ সলনি কবিৰাজৰ কাষ চপাৰ ভয়ংকৰ পৰিণতি ভুগিব লগা হয় এটি পৰিয়ালে। ভণ্ড কবিৰাজৰ গৃহত প্ৰাণ হেৰুৱাই এগৰাকী কিশোৰীৰ। লাহৰীঘাটৰ দুপগুৰি হাৰিয়ালি বস্তিত সংঘটিত হয় এই জঘন্য ঘটনাটো। উল্লেখ্য যে, মায়ংৰ ১ নং কৰতিপামৰ এগৰাকী কিশোৰীৰ পেটৰ বিষ হোৱাত পৰিয়ালৰ লোকে লাহৰীঘাটৰ দুপগুৰিৰ হাৰিয়ালি বস্তিৰ মহিলা কবিৰাজ তমিজা খাতুনৰ গৃহত লৈ আনে। কবিৰাজ তমিজা খাতুনৰ গৃহতেই কিশোৰীগৰাকীৰ মৃত্যু হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত লাহৰীঘাট আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰোণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে ভণ্ড কবিৰাজ তমিজা খাতুনক সোধপোচৰ বাবে লাহৰীঘাট আৰক্ষীয়ে আটক কৰে। বিজ্ঞানৰ যুগতো লাহৰীঘাট অঞ্চলত চলি থকা এনে অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বগলিপৰা আঞ্চলিক আমছুয়ে দাবী জনায়।

বিজ্ঞান অনুসন্ধান; তিনিচুকীয়া জিলা পৰ্যায়ৰ বিজ্ঞান সমাৰোহ সম্পন্ন

# ৰাজ্যিক সমাৰোহলৈ চাৰিটা প্ৰকল্প বাছনি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৫ মাৰ্চ ঃ** ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযান মিছনৰ বিজ্ঞানমুখী অন্যতম কাৰ্যক্ৰম বিজ্ঞান অনুসন্ধান শিশু বিজ্ঞান সমাৰোহৰ তিনিচুকীয়া জিলা পৰ্যায়ৰ মাধ্যমিক স্তৰৰ সমাৰোহখনি সমগ্ৰ শিক্ষা, অসমৰ পৃষ্ঠপোষকতাত আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সৌজন্যত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ তিনিচুকীয়া জিলা উদ্যোগত আজি তিনিচুকীয়া নগৰস্থিত বিপিন বৰা উচ্চ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। তিনিচুকীয়া জিলাৰ পাঁচটা শিক্ষা খণ্ড ক্ৰমে শদিয়া, কাকপথাৰ, হাপজান, মাৰ্ঘেৰিটা আৰু তিনিচুকীয়া নগৰ শিক্ষা খণ্ডত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই ইতিমধ্যে খণ্ড পৰ্য্যায়ত জিলা পৰ্য্যায়লৈ বাছনি কৰা ছাত্ৰ-ছাত্ৰীসকলে এই সমাৰোহত অংশগ্ৰহণ কৰে। নিম্ন শাখাত (নৱম পৰা দশম শ্ৰেণী) আৰু উচ্চ শাখাত (একাদশ পৰা দ্বাদশ শ্ৰেণী)স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকল্পৰ মূল বিষয় "জলবায়ু পৰিৱৰ্তনৰ বোধগম্যতা আৰু জলবায়ু ক্ৰিয়া"ৰ আধাৰত প্ৰস্তুত কৰা প্ৰকল্পসমূহ তিনিচুকীয়া জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ জিলা শৈক্ষিক সমন্বয়ক আকাশ গগৈৰ তদাৰকত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ হাপজান, ছৈখোৱা আৰু গুইজানৰ খণ্ড সমন্বয়ক ক্ৰমে ৰাজদেৱ কৌশিক, ৰাজেন্দ্ৰ সোণোৱাল আৰু দেবাশিষ ফুকনৰ সহযোগত




উপস্থাপন কৰে। প্ৰকল্পসমূহৰ মূল্যায়নকাৰী হিচাপে অৰ্কিড বিশেষজ্ঞ ক্ষণজিৎ গগৈ, বিজ্ঞান শিক্ষক মনীষ সিং, মাকুম মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক শংকৰজ্যোতি বৰুৱা আৰু প্ৰকৃতি কৰ্মী সুমিত দাসে মূল্যায়ন কৰি নিম্ন শাখাত তিনিটা আৰু উচ্চ শাখাত এটা মুঠ চাৰিটা প্ৰকল্প ৰাজ্যিক পৰ্য্যায় লৈ বাছনি কৰে। প্ৰকল্প উপস্থাপনৰ অন্ততঃ বিশিষ্ট উদ্ভাৱক সুৰেণ বৰুৱাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ তিনিচুকীয়াৰ জিলাৰ সমন্বয়ক দিগন্ত কুমাৰ ভাজনীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা মুকলি সভাত মুখ্য অতিথি হিচাপে তিনিচুকীয়া জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক মদন পেগু, বিশিষ্ট অতিথি হিচাপে তিনিচুকীয়া জিলা প্ৰাথমিক শিক্ষা বিষয়া বিন্তি শৰ্মা আৰু সৰ্বশিক্ষা অভিযান মিচনৰ জিলা আঁচনি বিষয়া মনামী ভট্টাচাৰ্য, তিনিচুকীয়া জিলা কৰ্মচাৰী পৰিষদৰ উপদেষ্টা বিপুল দহোটীয়া, প্ৰমুখ্যে মূল্যয়নকাৰী সকলে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। সভাত সমূহ অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী, তত্বাৱধায়ক শিক্ষক শিক্ষয়িত্ৰী, সমল ব্যক্তি আৰু মূল্যায়নকাৰী সকলক মানপত্ৰ প্ৰদান কৰাৰ লগতে ৰাজ্যিক সমাৰোহ লৈ বাছনি কৰা প্ৰকল্প বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক ক্ৰমে নিম্ন শাখাত ৰাম কুমাৰী ৰায় আৰু ভূমিকা থাপা (জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়, মাৰ্ঘেৰিটা শিক্ষা খণ্ড), নীলাঞ্জনা নাথ আৰু কৰবী শইকীয়া (বৰডুবি উচ্চতৰ মাধ্যমিক বিদ্যালয়, হাপজান শিক্ষা খণ্ড), হৰিপ্ৰিয়া গগৈ আৰু মুনমী ভূঞা (ফিলবাৰী উচ্চ মাধ্যমিক বিদ্যালয়, কাকপথাৰ শিক্ষা খণ্ড) আৰু উচ্চ শাখাত জানমণি হাজৰিকা আৰু শুভজিত সোণোৱাল (ডাঙৰী উচ্চ মাধ্যমিক বিদ্যালয়, কাকপথাৰ শিক্ষা খণ্ড)ক মানপত্ৰ সহ পুৰস্কাৰ প্ৰদান কৰা হয়। সভাৰ সামৰণিত শলাগ জ্ঞাপন আগবঢ়াই আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ তিনিচুকীয়া জিলাৰ সমন্বয়ক দিগন্ত কুমাৰ ভাজনীয়ে।

# অসম নেপালী সাহিত্য সভাৰ নিকাছি শাখাৰ কাৰ্যালয় উদ্বোধন




**অসম বাৰ্তা, বাগানপাৰা, ৫ মাৰ্চ ঃ** অসম চৰকাৰে গোৰ্খা জনগোষ্ঠীৰ উন্নয়ন আৰু বিকাশ সাধনাৰ বাবে গঠন কৰি দিয়া গোৰ্খা উন্নয়ন পৰিষদে বিগত দিনত কেইবাটাও উল্লেখনীয় কাম কৰি আহিছে। গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙৰ নেতৃত্বত গঠন হোৱা উন্নয়ন পৰিষদে শদিয়াৰ পৰা শ্ৰীৰাৰপুৰলৈ গোৰ্খা জনগোষ্ঠীৰ হকে কাম কৰি আহিছে। যোৱা ৪ মাৰ্চত অসম নেপালী সাহিত্য সভাৰ নিকাছি শাখাৰ কাৰ্যালয়টো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। এই অসম নেপালী সাহিত্য সভাৰ নিকাছিশাখাৰ ৪০ লাখ টকা ব্যয় সাপেক্ষে নৱ নিৰ্মিত কাৰ্যালয়টো শুভ উদ্বোধন কৰে গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে। এই উদ্বোধনী কাৰ্যসূচীত গোৰ্খা উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ৰাম দালাল, নেপালী সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি চিন্তামণি শৰ্মা, সাহিত্য সচিব লক্ষ্মন অধিকাৰী, সাংস্কৃতিক সচিব পৃথ্বী বিলাস ভট্টৰাই, উপ-সভাপতি জয়ন্তী কলা দেৱী, কেন্দ্ৰীয় সংযোগক কালিপ্ৰসাদ ভূসাল, সদস্য চুড়ামণি নেউপানে, উদ্ধৱ ৰেংমী, বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ মুখ্য সম্পাদক ওম প্ৰসাদ পোখ্ৰেল, বাক্সা জিলাৰ সভাপতি ঈশ্বৰ প্ৰসাদ গৌতম, সম্পাদক মোহন ভট্টৰাই, সাহিত্যিক বদ্ৰী গুৰাগাঞি, সমাজকৰ্মী সোমনাথ পৰাজুলি, গোৰ্খা উন্নয়ন পৰিষদৰ সদস্য সঞ্জীৱখড়কা ছেত্ৰী, যুৱনেতা কৰণ ছেত্ৰী, অসম গোৰ্খা সন্মিলনৰ বি টি আৰ ক্ষেত্ৰীয় সমিতিৰ সভাপতি পিতাম্বৰ পাঠক, বাক্সা জিলা সাহিত্য সভাৰ সভাপতি নাৰায়ণ ভাণ্ডাৰী, অসম গোৰ্খা ছাত্ৰ সন্থাৰ বাক্সা জিলা সমিতিৰ সভাপতি পাৰস পৰাজুলি, সমাজকৰ্মী অভিচন্দ্ৰ পাঠক সহিতে মহিলা সকল, বুদ্ধিজীৱী, লোক সহিতে প্ৰায় তিনি শতাধিক লোক উপস্থিত থাকে। গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে সাংবাদিকৰ স'তে হোৱা বাৰ্তালাপ প্ৰকাশ কৰে যে, গোৰ্খা জনগোষ্ঠীৰ উন্নয়ন আৰু বিকাশাৰ্থে ভৱিষ্যতে কাম কৰি যাবলৈ প্ৰতিজ্ঞাবদ্ধ বুলি প্ৰকাশ কৰিছে।

# বিহু শিল্পী সংস্থা অসম আৰু যোৰহাট জিলা সমিতিৰ উদ্যোগত বিহু নাচ আৰু ঢোল বাদনৰ কৰ্মশালা

**অসম বাৰ্তা, যোৰহাট, ৫ মাৰ্চ ঃ** বিহু নাচ আৰু ঢোলবাদনৰ ষষ্ঠ বাৰ্ষিক কৰ্মশালা বিহু শিল্পী সংস্থা অসম আৰু যোৰহাট জিলা সমিতিৰ উদ্যোগত অহা ৭ মাৰ্চৰ পৰা ১৪ মাৰ্চলৈ অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত হ'বলগা কৰ্মশালাত উদ্বোধক হিচাপে উপস্থিত থাকিব শিল্পী তথা ড° আম্বেদকাৰ বঁটা প্ৰাপক ঢোলৰ ওজা জয়ন্ত কোঁৱৰ আৰু অসমৰ জনপ্ৰিয় শিল্পী তথা ঢুলীয়া দেৱেশ্বৰ শইকীয়া। বিহু নাচৰ প্ৰশিক্ষক ৰূপে কৰ্মশালাত উপস্থিত থাকিব জনপ্ৰিয় বিহুৱতী প্ৰাঞ্জলিকা হাজৰিকা, শিখামনি হাজৰিকা ভৰালী আৰু লাভলী কলিতা। উক্ত কৰ্মশালাত ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰিব পাৰিব।

# গৰৈমাৰীত তীব্ৰ যান-জঁটত অতিষ্ঠ পথচাৰী

**অসম বাৰ্তা, গৰৈমাৰী, ৫ মাৰ্চ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত মফচলীয় চহৰ গৰৈমাৰী বজাৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া ঠাইসমূহত বিগত কিছুদিন ধৰি যান-বাহনৰ তীব্ৰ যান-জঁট বৃদ্ধি পোৱাত সাধাৰণ পথচাৰী অতিষ্ঠ হৈ পৰিছে। বিশেষকৈ গৰৈমাৰী বজাৰ এলেকা আৰু মুখ্য পথ সংযোগী ঠাইসমূহত প্ৰতিদিনে দীঘলীয়া যান-জঁটৰ সৃষ্টি হোৱাত জনসাধাৰণ যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। বিশেষকৈ স্কুল-কলেজৰ লগতে চৰকাৰী কাৰ্যালয় চলি থকা সময়ত যান-জঁটে জটিল ৰূপ ধাৰণ কৰে। এম্বুলেঞ্চ আৰু জৰুৰীকালীন সেৱাৰ যান-বাহনসমূহো সময়মতে গন্তব্যস্থানত উপস্থিত হ'ব নোৱাৰাৰ অভিযোগ উঠিছে। ইপিনে ফুটপাতৰ অভাৱ আৰু অনিয়ন্ত্ৰিত পাৰ্কিঙৰ বাবেও যান-জঁটৰ সমস্যা অধিক বৃদ্ধি পাইছে। ফলত গৰৈমাৰী বজাৰত গ্ৰাহকৰ সংখ্যা হ্ৰাস পোৱা বুলি স্থানীয় ব্যৱসায়ীসকলে ক্ষোভ প্ৰকাশ কৰে। উল্লেখযোগ্য যে দিনৰ ভাগত ই-ৰিস্কা, মালবাহী, চাৰিচকীয়া বাহন আৰু সন্ধিয়াৰ পৰা দুপৰ নিশালৈ বালিভৰ্তি ডাম্পাৰ গাড়ীৰ অবাধ চলাচলৰ বাবে পথচাৰী অতিষ্ঠ হৈ পৰিছে। ডাম্পাৰৰ ফলত স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰী, বয়োজ্যেষ্ঠ ব্যক্তি আৰু সাধাৰণ নাগৰিকসকলে নিৰাপত্তাহীনতা অনুভৱ কৰিছে। ইয়াৰোপৰি শব্দ প্ৰদূষণ, ধূলি-বালি আৰু পকী পথো নষ্ট হয়। ডাম্পাৰৰ গতি নিয়ন্ত্ৰণ আৰু নিয়মিত চেকিঙৰ ব্যৱস্থা, অভাৰলোডিং বন্ধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা, বিদ্যালয় আৰু জনবসতিপূৰ্ণ অঞ্চলত সময়সীমা নিৰ্ধাৰণ কৰি বাহনৰ চলাচল নিয়ন্ত্ৰণ কৰা, আইন ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে। ইয়াৰোপৰি গৰৈমাৰী বজাৰত জধে-মধে দুচকীয়া বাহনৰ পাৰ্কিঙৰ ফলতো তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। মফচলীয়া চহৰ বৃহত্তৰ গৰৈমাৰীৰ যান-জঁটৰ সমস্যা সমাধান কৰিবলৈ ৰাইজে প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

বিজনী ৰে'লৰে যাত্ৰী অধিকাৰ মঞ্চৰ উষ্ম আদৰণি

# বিজনীত তিনিখন দ্ৰুতগামী ৰে'ল ষ্টপেজৰ জাননী ৰে'লৰে মন্ত্ৰালয়ৰ




**অসম বাৰ্তা, বিজনী, ৫ মাৰ্চ ঃ** ভাৰত চৰকাৰৰ ৰেল মন্ত্ৰালয়ে তিনিখন দ্ৰুতগামী ৰে'ল বিজনী ৰে'লৱে ষ্টেচনত ৰখোৱাৰ যি সিদ্ধান্ত এক জাননী যোগে প্ৰকাশ কৰিলে তাক বিজনী ৰে'লৱে যাত্ৰী অধিকাৰ মঞ্চৰ তৰফৰ উষ্ম আদৰণি জনোৱা হয়। মঙলবাৰে বিজনীৰ হোটেল সমন্বয়ত অনুষ্ঠিত এক সংবাদ মেলত মঞ্চৰ কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰ নাথ দাসে কয় যে বিজনী ৰে'লৱে ষ্টেচনৰ পৰা ৰে'ল যোগে দৈনিক গড়ে প্ৰায় এঘাৰ শ যাত্ৰীয়ে ৰে'ল যোগে যাতায়ত কৰে। বিগত তিনি বছৰত বিজনী ৰে'লৱে ষ্টেচনৰ পৰা ৰে'ল যোগে যাতায়ত কৰা যাত্ৰীৰ টিকতৰ বিনিময়ত ৰে'ল বিভাগে ৩,৮৮,৭৫,৮৩২ টকা ৰাজহ হিচাবে লাভ কৰে। এনেকুৱা এক ব্যস্ততাপূৰ্ণ তথা গুৰুত্বপূৰ্ণ ৰে'লৱেষ্টেচনত একমাত্ৰ ব্ৰহ্মপুত্ৰ মেইলৰ বাহিৰে আন কোনো দ্ৰুতগামী ৰে'লৰ ষ্টপেজ বিজনী ৰে'লৱে ষ্টেচনত উপলব্ধ নাছিল বুলি আক্ষেপ প্ৰকাশ কৰি তেওঁ লগতে দীৰ্ঘদিনৰ পৰা বিজনীৰ সচেতন সমাজে ৰে'ল মন্ত্ৰালয়ৰ দৃষ্টি আকৰ্ষণ কৰি আহিছিল যদিও কোনো যোগাত্মক সঁহাৰি বিজনী বাসীয়ে লাভ কৰা নাছিল। পৰিৱৰ্তিত পৰিস্থিতিত গঠিত বিজনী ৰে'লৱে যাত্ৰী অধিকাৰ মঞ্চৰ উদ্যোগত এই সম্পৰ্কত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি ভাৰত চৰকাৰৰ ৰে'ল মন্ত্ৰালয় তথা ৰে'ল মন্ত্ৰী মহোদয়ক এই নাৰ্য দাবীৰ সমৰ্থনত একাধিকবাৰ স্মাৰক পত্ৰ যোগে দাবী জনায়। অৱশেষত ভাৰত চৰকাৰৰ ৰে'ল মন্ত্ৰালয়ে বিজনী ৰে'লৱে ষ্টেচনৰ গুৰুত্ব তথা ৰাইজৰ এই দাবীৰ কথা সহৃদয়তাৰে উপলব্ধি কৰি বিজনী ৰে'লৱে ষ্টেচনত কামৰূপ এক্সপ্ৰেছ, নৰ্থ ইষ্ট এ'প্ৰেছ আৰু নগাঁও-টাম্বাৰাম এ'প্ৰেছ ৰে'ল তিনিখন ৰখোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি জানিব পাৰি বিজনী ৰে'লৱে যাত্ৰী অধিকাৰ মঞ্চই সন্তোষ প্ৰকাশ কৰে আৰু সমগ্ৰ বিজনীৰ জনসাধাৰণ উৎফুল্ল হয়। সংবাদ মেলত মঞ্চৰ তৰফৰ পৰা ভাৰত চৰকাৰৰ ৰে'ল মন্ত্ৰী তথা ৰে'ল মন্ত্ৰালয়ক কৃতজ্ঞতা জ্ঞাপন কৰে। এই ক্ষেত্ৰত অসমৰ মাননিয় মুখ্যমন্ত্ৰী মহোদয়ৰ তৎপৰতাৰ বাবেও মঞ্চই শলাগ লয়। সংবাদ মেলত কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰ নাথ দাসৰ উপৰিও সম্পাদকদয় শুভংকৰ ঘোষ, ৰজত কান্তি সাহা, উপ-সভাপতি সুব্ৰত চৰকাৰ, সহকাৰী সম্পাদক শুভদ্বীপ গাংগুলী, বিত্ত সম্পাদক তপন চৰকাৰ, আইন উপদেষ্টা অধিবক্তা স্বপন দাস, সমাজ কৰ্মী ডাণ্ৰতন ৰায় প্ৰমুখ্যে বিষয়-ববীয়া সকল উপস্থিত আছিল।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন